# المختصر المفيد للمؤذن والإمام والخطيب وأحكام المساجد

# মুৱাজ্জিন, ইমাম, খতিব আৰু মছজিদৰ বিধি-বিধানৰ বাবে উপকাৰী সংক্ষিপ্ত দিশ-নিৰ্দেশনা

## মুৱাজ্জিন, ইমাম, খতিব আৰু মছজিদৰ বিধি-বিধানৰ বাবে উপকাৰী সংক্ষিপ্ত দিশ-নির্দেশনা

বিভিন্ন ভাষাত ইছলামিক কণ্টেণ্টৰ সেৱা প্ৰদানকাৰী সংস্থাৰ গৱেষণা সমিতি

## মুৱাজ্জিন, ইমাম, খতীব আৰু মছজিদৰ বিধি-বিধান সম্পৰ্কে উপকাৰী সংক্ষিপ্ত দিশ-নিৰ্দেশনা

বিভিন্ন ভাষাত ইছলামিক কণ্টেণ্টৰ সেৱা প্ৰদানকাৰী সংস্থাৰ গৱেষণা সমিতি

নিশ্চয় সকলো ধৰণৰ প্ৰশংসা কেৱল আল্লাহৰ বাবে; আমি তেওঁৰেই প্ৰশংসা কৰোঁ, তেওঁৰ ওচৰতেই সহায় আৰু ক্ষমা প্ৰাৰ্থনা কৰোঁ; আৰু আমি আমাৰ নফছৰ সকলো প্ৰকাৰ কুমন্ত্ৰণা আৰু আমাৰ সকলো প্ৰকাৰ বেয়া আমলৰ পৰা আল্লাহৰ ওচৰত আশ্ৰয় বিচাৰোঁ। মহান আল্লাহে যাক হিদায়ত দিয়ে, তাক কোনেও পথভ্ৰষ্ট কৰিব নোৱাৰে, আৰু তেওঁ যাক পথভ্ৰষ্ট কৰে, তাক কোনেও হিদায়ত দিব নোৱাৰে। আৰু মই সাক্ষ্য দিওঁ যে, আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই, তেওঁ একক, তেওঁৰ কোনো অংশীদাৰ নাই। মই আৰু সাক্ষ্য দিওঁ যে, মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম হৈছে তেওঁৰ বান্দা আৰু ৰাছুল। আল্লাহৰ তৰফৰ পৰা দৰূদ আৰু ছালাম বৰ্ষিত হওক তেখেতৰ ওপৰত, আৰু তেখেতৰ বংশধৰসকলৰ লগতে চাহাবাসকলৰ ওপৰত,

আৰু সেইসকল লোকৰ ওপৰতো যিসকলে নিষ্ঠাৰ সৈতে তেওঁলোকৰ অনুসৰণ কৰিছে।

মানুহে যিহেতু নিজৰ অৱস্থাৰ সংশোধনৰ বাবে অহৰহ বিভিন্ন বিধানৰ মুখাপেক্ষী হয়, সেয়েহে চৰীয়তে সেইবোৰৰেই ব্যৱস্থা কৰিছে। ইয়াৰ অন্তৰ্ভুক্ত হৈছে চালাতৰ বাবে আজান আৰু ইক্বামত, ইমামতি, জুমুআৰ খুতবা, আৰু মছজিদ সম্পৰ্কীয় বিধানসমূহ। যিহেতু মছজিদৰ মুআজ্জিন, ইমাম আৰু জুমুআৰ খতীবৰ দায়িত্ব হৈছে অত্যন্ত মহান, সেয়ে আমি মুআজ্জিন, ইমাম, খতীব আৰু মছজিদ সম্পৰ্কীয় বিধি-বিধান সম্পৰ্কে এক সংক্ষিপ্ত আৰু উপকাৰী কিতাপ প্ৰস্তুত কৰিবলৈ, আৰু বিভিন্ন ভাষাত ইয়াৰ অনুবাদ কৰিবলৈ গুৰুত্ব দিছোঁ।

## প্ৰথম পৰিচ্ছেদঃ আজান আৰু ইক্বামতৰ বিধান

আজান হৈছে ইছলাম আৰু ইয়াৰ অনুগামীসকলৰ এক প্ৰতীক, যিটো দিনে-ৰাতিয়ে পাঁচবাৰকৈ উচ্চাৰণ কৰা হয়। এই ইবাদতৰ গুৰুত্ব আৰু মৰ্যাদাৰ প্ৰতি লক্ষ্য ৰাখিয়েই আলিমসকলে তেওঁলোকৰ গ্ৰন্থসমূহত ইয়াৰ বিধান, ছুন্নতসমূহ, হুকুম-আহকাম আৰু মুস্তাহাবসমূহৰ বিষয়ে আৰু বাতিল হোৱাৰ কাৰণসমূহৰ বিষয়ে বিশদভাৱে আলোচনা কৰিছে।[1]

[1] দ্ৰষ্টব্যঃ ফাতহুল মুনঈম শ্বাৰহে ছহীহ মুছলিম (২/ ৪৬০)।

## প্ৰথম বিষয়ঃ আজান আৰু ইক্বামতৰ সংজ্ঞা

শ্বৰীয়তৰ পৰিভাষাত আজান হৈছে, কিছুমান নিৰ্দিষ্ট, বিশেষ আৰু শ্বৰীয়তসন্মত শব্দেৰে চালাতৰ সময় হোৱাৰ জাননী দিয়া[1]।

শ্বৰীয়তত ইকামত হৈছে, শ্বৰীয়ত নিৰ্ধাৰিত বিশেষ বাক্যৰ জৰিয়তে চালাতৰ বাবে থিয় হোৱাৰ জাননী দিয়াক ইকামত বোলে।[2]

## দ্বিতীয় বিষয়ঃ আজান আৰু ইক্বামতৰ বিধান

আজান আৰু ইক্বামত হৈছে কোৰআন, ছুন্নাহ আৰু ইজমাৰ দ্বাৰা বিধানসিদ্ধ তথা প্ৰমাণিত:

কোৰআনত ইয়াৰ দলীল, যেনে- মহান আল্লাহে কৈছেঃ

﴿وَإِذَا نَادَيۡتُمۡ إِلَى ٱلصَّلَوٰةِ ٱتَّخَذُوهَا هُزُوٗا وَلَعِبٗاۚ ذَٰلِكَ بِأَنَّهُمۡ قَوۡمٞ لَّا يَعۡقِلُونَ58﴾

"আৰু যেতিয়া তোমালোকে চালাতৰ প্ৰতি আহ্বান কৰা তেতিয়া সিহঁতে ইয়াক উপহাস আৰু খেল-ধেমালিৰ বস্তুৰূপে গ্ৰহণ কৰে- এইটো এইকাৰণে যে, সিহঁত হৈছে এনেকুৱা এটা সম্প্ৰদায় যিসকলে একোৱে নবুজে।" (ছুৰা আল-মায়িদাহঃ ৫৮)

এইদৰে ছুন্নততো আজান আৰু ইক্বামতৰ বৈধতা সম্পৰ্কে বহুতো হাদীছ বৰ্ণিত হৈছে। যেনে-

---

1 দ্ৰষ্টব্যঃ আল-মুগনী, ইবনে কুদামাঃ (১/২৯২), মুখতাৰ আছ-ছিহাহঃ (পৃ. ১৬)- আৰবীত আজান শব্দটো أذن মূল শব্দৰ পৰা গৃহীত। আল-আজান অল-ইক্বামাহ, আল-ক্বাহতানীঃ (পৃ. ৫)।

2 দ্ৰষ্টব্যঃ কাশ্শ্বাফ আল-ক্বিনা (১/ ২৩০)।

ইবনে ‘ওমৰ ৰাদ্বিয়াল্লাহু ‘আনহুমাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ মুছলমানসকলে যেতিয়া মদিনালৈ আগমন কৰিছিল, তেতিয়া তেওঁলোকে একত্রিত হৈ নামাজৰ সময় অনুমান কৰি লৈছিল, কাৰণ সেই সময়ছোৱালৈকে নামাজৰ বাবে কোনো আহ্বান জনোৱা হোৱা নাছিল। এদিন তেওঁলোকে এই বিষয়ে আলোচনা কৰাত কিছুমানে ক'লেঃ খ্ৰীষ্টানসকলৰ ঘণ্টাৰ দৰে এটা ঘণ্টা বনাই লোৱা যাওক। আন কিছুমানে ক'লেঃ বৰং ইহুদীসকলৰ শিঙাৰ দৰে এটা শিঙা বনাই লোৱা যাওক। তেতিয়া ‘ওমৰ ৰাদ্বিয়াল্লাহু আনহুৱে ক'লেঃ তোমালোকে নামাজৰ বাবে আহ্বান জনাবলৈ এজন লোকক নিয়োগ নকৰা কিয়? তেতিয়া ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ

«يَا بِلَالُ، قُمْ فَنَادِ بِالصَّلَاةِ».

"হে বিলাল! উঠা, আৰু চালাতৰ বাবে আহ্বান কৰা।"[1]

আনহাতে ইজমাৰ দ্বাৰা ইয়াৰ প্ৰমান হৈছে এই যে, পাঁচ ওৱাক্ত চালাতৰ বাবে এই দুয়োটাৰ বৈধতাৰ ওপৰত উম্মতৰ ইজমা প্ৰতিষ্ঠিত হৈছে।

ইমাম ইবনে কুদামা আল-মাকদিছী ৰাহিমাহুল্লাহে কৈছেঃ আৰু উম্মতে ইজমা পোষণ কৰিছে যে, আজান পাঁচ ওৱাক্ত চালাতৰ বাবে বিধিসন্মত।[2]

মুক্বীম হওক বা ছফৰ উভয় অৱস্থাতে পুৰুষসকলৰ ওপৰত কেৱল পাঁচ ওৱাক্ত চালাতৰ বাবে আজান আৰু

---

[1] (বুখাৰীঃ ৬০৪, আৰু মুছলিমঃ ৩৭৭)

[2] আল-মুগনী: (১/২৯৩)।

ইক্বামত দিয়াটো ফৰজে কিফায়াহ; কাৰণ মালিক ইবনে হুৱাইৰিছ ৰাদ্বিয়াল্লাহু আনহুৱে বৰ্ণনা কৰিছে যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁলোকক কৈছিলঃ

«فَإِذَا حَضَرَتِ الصَّلَاةُ فَلْيُؤَذِّنْ لَكُمْ أَحَدُكُمْ، وَلْيَؤُمَّكُمْ أَكْبَرُكُمْ»

"যেতিয়া চালাতৰ সময় হ'ব, তেতিয়া তোমালোকৰ মাজৰ এজনে আজান দিব, আৰু তোমালোকৰ বয়জ্যেষ্ঠজনে ইমামতি কৰিব।"[1]

কিয়নো এই দুয়োটাই হৈছে ইছলামৰ অন্যতম প্ৰকাশ্য প্ৰতীক, সেয়েহে এই দুটাক পৰিত্যাগ কৰা জায়েজ নহয়।

নাৰীসকলৰ বাবে আজান বা ইকামাত দিয়াৰ বিধান নাই; সেয়া লাগিলে তাই অকলে নামাজ পঢ়ক অথবা নাৰীসকলৰ ইমামতি কৰক।[2]

## তৃতীয় বিষয়: আজান আৰু ইক্বামতৰ ফজিলত

আজান আৰু মুআজ্জিনসকলৰ ফজিলত সম্পৰ্কে বহুতো দলীল বৰ্ণিত হৈছে, তাৰে কেইটামান ফজিলত তলত উল্লেখ কৰা হ'লঃ

মুআজ্জিন হৈছে আল্লাহৰ ফালে আহ্বানকাৰীসকলৰ অন্তৰ্ভুক্ত, আৰু তেওঁ হৈছে সেইসকল লোকৰ অন্তৰ্ভুক্ত, যিসকলে উত্তম কথা কয়। মহান আল্লাহে কৈছেঃ

---

1 (বুখাৰীঃ ৬২৮, আৰু মুছলিমঃ ৬৭৪)

2 ইবনে তাইমিয়াৰ শ্বাৰহুল উমদাহ - কিতাবুচ্ছালাত (পৃঃ ১০১)।

﴿وَمَنۡ أَحۡسَنُ قَوۡلٗا مِّمَّن دَعَآ إِلَى ٱللَّهِ وَعَمِلَ صَٰلِحٗا وَقَالَ إِنَّنِي مِنَ ٱلۡمُسۡلِمِينَ33﴾

"সেইজনতকৈ আৰুনো কাৰ কথা উত্তম হ'ব পাৰে, যিয়ে আল্লাহৰ ফালে আহ্বান কৰে, লগতে সৎকৰ্ম কৰে? আৰু কয়, 'নিশ্চয় মই মুছলিমসকলৰ অন্তৰ্ভুক্ত'।" (ছুৰা ফুচ্ছিলাতঃ ৩৩)

কিয়ামতৰ দিনা মুআজ্জিনসকলৰ ডিঙি সকলো লোকতকৈ দীঘল হ'ব; মুআৱিয়া ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে: মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামক কোৱা শুনিছোঁ:

«المُؤَذِّنُونَ أَطْوَلُ النَّاسِ أَعْنَاقًا يَوْمَ القِيَامَةِ»

"কিয়ামতৰ দিনা মুআজ্জিনসকলৰ ডিঙি সকলো লোকতকৈ দীঘল হ'ব।"[1]

আজান আৰু ইক্বামতে চয়তানক বিতাৰিত কৰে; আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

«إِذَا نُودِيَ لِلصَّلَاةِ أَدْبَرَ الشَّيْطَانُ لَهُ ضُرَاطٌ، حَتَّى لَا يَسْمَعَ التَّأْذِينَ، فَإِذَا قُضِيَ التَّأْذِينُ أَقْبَلَ، حَتَّى إِذَا ثُوِّبَ بِالصَّلَاةِ -أَيْ: أُقِيمَتِ الصَّلَاةُ- أَدْبَرَ، حَتَّى إِذَا قُضِيَ التَّثْوِيبُ أَقْبَلَ، حَتَّى يَخْطُرَ -أَيْ: يُوَسْوِسُ- بَيْنَ الْمَرْءِ وَنَفْسِهِ، يَقُولُ لَهُ: اذْكُرْ كَذَا وَاذْكُرْ كَذَا، لِمَا لَمْ يَكُنْ يَذْكُرُ مِنْ قَبْلُ، حَتَّى يَظَلَّ الرَّجُلُ مَا يَدْرِي كَمْ صَلَّى»

"যেতিয়া নামাজৰ বাবে আজান দিয়া হয়, তেতিয়া চয়তানে বায়ু নিৰ্গত কৰি পলায়ন কৰে, যাতে সি আজান শুনিবলৈ নাপায়। যেতিয়া আজান শেষ হৈ যায়, তেতিয়া সি ঘূৰি আহে। আকৌ যেতিয়া নামাজৰ বাবে ইকামত দিয়া হয় (অৰ্থাৎ নামাজ আৰম্ভ কৰা হয়), তেতিয়া সি

---

[1] (মুছলিমঃ ৩৮৭)

পলায়ন কৰে। যেতিয়া ইকামত শেষ হৈ যায়, তেতিয়া সি ঘূৰি আহি ব্যক্তিজন আৰু তেওঁৰ মনৰ মাজত ৱাছৱাছা (সন্দেহ-সংশয়) সৃষ্টি কৰে। সি তাক কয়ঃ অমুক কথা স্মৰণ কৰা, তমুক কথা স্মৰণ কৰা, যিবোৰ কথা তেওঁ আগতে স্মৰণ কৰা নাছিল। অৱশেষত ব্যক্তিজন এনেকুৱা অৱস্থাত উপনীত হয় যে, তেওঁ কিমান ৰাকাত নামাজ পঢ়িছে সেয়াও থিৰাং কৰিব নোৱাৰা হয়।"[1]

মুআজ্জিনৰ আজান শুনা প্ৰতিটো বস্তুৱে তেওঁৰ পক্ষত সাক্ষী দিয়ে; আব্দুল্লাহ ইবনে আব্দুৰ ৰহমান আল-আনছাৰীৰ পৰা বৰ্ণিত আছে যে, আবু ছাঈদ খুদৰী ৰাদ্বিয়াল্লাহু আনহুৱে তেওঁক কৈছিল: মই দেখিছোঁ, তুমি ভেড়া-ছাগলী আৰু মৰু-প্ৰান্তৰত অৱস্থান কৰাক বেছি ভাল পোৱা। গতিকে যেতিয়া তুমি তোমাৰ ভেড়া-ছাগলীৰ জাকৰ সৈতে থাকিবা, নাইবা মৰু-প্ৰান্তৰত অৱস্থান কৰিবা তেতিয়া চালাতৰ বাবে আজান দিলে উচ্চস্বৰে আজান দিবা, কাৰণ,

«لَا يَسْمَعُ مَدَى صَوْتِ الْمُؤَذِّنِ، جِنٌّ وَلَا إِنسٌ وَلَا شَيْءٌ، إِلَّا شَهِدَ لَهُ يَوْمَ الْقِيَامَةِ»

"মুআজ্জিনৰ আজানৰ ধ্বনি যিমান দূৰলৈকে যায়, জিন, মানুহ অথবা যিকোনো বস্তুৱে সেই আজান শুনিলে, কিয়ামতৰ দিনা তেওঁৰ সপক্ষে সাক্ষী দিব।" আবু ছাঈদে কৈছেঃ মই এইটো ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছোঁ[2]।

---

[1] (বুখাৰীঃ ১২২২, আৰু মুছলিমঃ ৩৮৯)

[2] (বুখাৰীঃ হাদীছ নং ৬০৯)

যদি মানুহে আজানৰ ফজিলত সম্পৰ্কে সঠিকভাৱে জানিলেহেঁতেন, তেন্তে কোনে আজান দিব সেইটো নিৰ্ধাৰণ কৰিবলৈ নিজৰ মাজত লটাৰি কৰিলেহেঁতেন; এই সম্পৰ্কে আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত আছে যে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

«لَوْ يَعْلَمُ النَّاسُ مَا فِي النِّدَاءِ -أيِ: الأَذَانِ- وَالصَّفِّ الأَوَّلِ، ثُمَّ لَمْ يَجِدُوا إِلَّا أَنْ يَسْتَهِمُوا عَلَيْهِ لَاسْتَهَمُوا»

"আজান আৰু নামাজৰ প্ৰথম শাৰীৰ যি ফজীলত আছে, সেয়া যদি মানুহে জানিলেহেঁতেন, আৰু লটাৰিৰ বাহিৰে বেলেগ কোনো উপায়ে যদি এই সুযোগ লাভ কৰাটো সম্ভৱ নহ'লহেঁতেন তেন্তে সিহঁতে নিশ্চয় লটাৰিয়ে কৰিলেহেঁতেন।"[1]

মুআজ্জিনৰ কণ্ঠ যিমান দূৰলৈকে যায়, সেই পৰিমাণৰ গুনাহ তেওঁৰ ক্ষমা কৰি দিয়া হয়। তেওঁৰ আজান শুনা প্ৰতিটো সজীৱ আৰু নিৰ্জীৱ বস্তুৱে তেওঁৰ বাবে সাক্ষী দিব। লগতে তেওঁৰ লগত নামাজ আদায় কৰা ব্যক্তিৰ সমপৰিমাণৰ ছোৱাব তেওঁ লাভ কৰিব। কাৰণ, যিয়ে সৎকৰ্মৰ পথ দেখুৱায়, তেওঁ সেই কৰ্ম সম্পাদনকাৰীৰ দৰেই ছোৱাব লাভ কৰে। বাৰা ইবনে আঝিব ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«إِنَّ اللَّهَ وَمَلائِكَتَهُ يُصَلُّونَ عَلَى الصَّفِّ المُقَدَّمِ، وَالمُؤَذِّنُ يُغْفَرُ لَهُ مَدَّ صَوْتِهِ، وَيُصَدِّقُهُ مَنْ سَمِعَهُ مِن رَطْبٍ وَيَابِسٍ، وَلَهُ مِثْلُ أَجْرِ مَن صَلَّى مَعَهُ»

---

[1] (বুখাৰীঃ ৬১৫, আৰু মুছলিমঃ ৪৩৭)

"নিশ্চয় আল্লাহে প্ৰথম শাৰীৰ নামাজীসকলৰ ওপৰত ৰহমত বৰ্ষণ কৰে আৰু ফিৰিস্তাসকলে তেওঁলোকৰ বাবে দুআ কৰে। মুআজ্জিনক তেওঁৰ কণ্ঠ ধ্বনিৰ দূৰত্ব অনুপাতে ক্ষমা কৰি দিয়া হয়, আৰু তেওঁৰ ধ্বনি শ্ৰৱণ কৰা প্ৰতিটো সজীৱ আৰু নিৰ্জীৱ বস্তুৱে তেওঁৰ বাবে সাক্ষী দিয়ে, আৰু তেওঁৰ লগত ছালাত আদায় কৰা সকলো লোকৰ সমপৰিমাণৰ ছোৱাব তেৰোঁ লাভ কৰে।"[1]

আজান হৈছে ইছলামৰ অন্যতম এটা মহান প্ৰতীক, আৰু এইটো হৈছে দাৰুল কুফৰ আৰু দাৰুল ইছলামৰ মাজত পাৰ্থক্যকাৰী। এই বিষয়ে ইমাম বুখাৰীয়ে তেওঁৰ ছহীহ গ্ৰন্থত "অধ্যায়ঃ আজানৰ দ্বাৰা ৰক্তপাত ৰোধ" শীৰ্ষক এটা অধ্যায় সন্নিৱিষ্ট কৰিছে। তাৰ পিছত তেওঁ আনাছ ইবনে মালিক ৰাদ্বিয়াল্লাহু আনহুৰ দ্বাৰা বৰ্ণিত এই হাদীছটো উল্লেখ কৰিছেঃ "নবী চাল্লাল্লাহু আলাইহি অছাল্লামে যেতিয়া আমাক লগত লৈ কোনো সম্প্ৰদায়ৰ বিৰুদ্ধে যুদ্ধ কৰিছিল, তেখেতে পুৱা নোহোৱালৈকে আৰু পৰ্যবেক্ষণ নকৰালৈকে আক্ৰমণ কৰা নাছিল। যদি তেখেতে আজান শুনিছিল তেন্তে সিহঁতৰ পৰা বিৰত থাকিছিল, আৰু যদি আজান শুনা নাছিল তেন্তে সিহঁতৰ ওপৰত আক্ৰমণ কৰিছিল"[2]. ইমাম খাত্তাবী (ৰাহিমাহুল্লাহে) কৈছেঃ "ইয়াত এই কথাৰ বৰ্ণনা আছে

[1] (আহমদঃ (১৮৫০৬), নাছাঈঃ (৬৪৬)। আত-তাৰগীব অত-তাৰহীবত (১/১৭৬) আল-মুনযিৰীয়ে কৈছেঃ চনদটো হাছান জায়্যিদ, আৰু আল-বদৰুল মুনীৰত (৩/৩৮৫) ইবনে মুলাক্কিনে কৈছেঃ এই চনদটো জায়্যিদ।)

[2] (বুখাৰীঃ ৬১০, আৰু মুছলিমঃ ৩৮২)

যে, আজান হৈছে ইছলাম ধৰ্মৰ এটা প্ৰতীক, আৰু এইটো হৈছে এটা ওৱাজিব বিধান, যিটো পৰিত্যাগ কৰা জায়েজ নহয়। আনকি যদি কোনো এখন ঠাইৰ লোকসকলে আজান পৰিত্যাগ কৰিবলৈ একমত হয় আৰু তাৰ পৰা বিৰত থাকে, তেন্তে শাসকে তেওঁলোকৰ বিৰুদ্ধে যুদ্ধ কৰিব।"[1]

## চতুৰ্থ বিষয়: আজান আৰু ইক্বামতৰ শুদ্ধতাৰ চৰ্তাৱলী

১- ইছলাম: কাফিৰৰ পৰা এই দুটা গৃহীত নহয়; কাৰণ আজান আৰু ইক্বামত হৈছে ইবাদত, আৰু কাফিৰৰ কোনো ইবাদত গৃহীত নহয়।

২- বিবেক সম্পন্ন হ'ব লাগিব। মানসিক সন্তোলন হেৰুৱা ব্যক্তি, নিচাগ্ৰস্ত ব্যক্তি আৰু ভাল-বেয়া বিচাৰ কৰিব নোৱাৰা শিশুৰ পৰা এই দুয়োটা শুদ্ধ নহয়, যিদৰে অন্যান্য ইবাদত শুদ্ধ নহয়।

৩- নিয়্যত: নিয়্যত অবিহনে আজান আৰু ইকামত শুদ্ধ নহয়; কাৰণ সেই দুয়োটা হৈছে ইবাদত, আৰু ইবাদত নিয়্যত অবিহনে শুদ্ধ নহয়; কাৰণ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«إِنَّمَا الأَعْمَالُ بِالنِّيَّاتِ، وَإِنَّمَا لِكُلِّ امْرِئٍ مَا نَوَى»

"সকলো কাম (ৰ প্ৰাপ্য) হ'ব নিয়্যত অনুযায়ী, আৰু মানুহে তাৰ নিয়্যত অনুযায়ী প্ৰতিফল পাব।"[2]

---

1 আ'লামুল হাদীছ শ্বৰহ ছহীহ বুখাৰী: (১/ ৪৬০)

2 বুখাৰীয়ে বৰ্ণনা কৰিছে: (1), আৰু মুছলিম: (1907), উমৰ ইবনুল খাত্তাব ৰাদ্বিয়াল্লাহু আনহুৰ হাদীছৰ পৰা।

৪- মহিলাসকলৰ আজান আৰু ইকামত শুদ্ধ নহয়।

৫- চালাতৰ সময় হ'লেহে আজান দিব লাগিব: সময় হোৱাৰ আগতে দিলে শুদ্ধ নহয়; কাৰণ মালিক ইবনে হুৱাইৰিছ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত হাদীছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

«... فَإِذَا حَضَرَتِ الصَّلَاةُ فَلْيُؤَذِّنْ لَكُمْ أَحَدُكُمْ، وَلْيَؤُمَّكُمْ أَكْبَرُكُمْ»

«... যেতিয়া চালাতৰ সময় হ'ব, তেতিয়া তোমালোকৰ মাজৰ কোনোবাই আজান দিবা, আৰু তোমালোকৰ মাজৰ আটাইতকৈ বয়সীয়ালজনে ইমামতি কৰিবা।»[1]

সেই কাৰণে আজানৰ বিষয়টো চালাতৰ সময় হোৱাৰ সৈতে সম্পৃক্ত। গতিকে চালাতৰ সময় হোৱাৰ পিছতহে আজানৰ সময় হয়। আনহাতে ইকামত তেতিয়া দিব লাগে, যেতিয়া চালাতৰ বাবে থিয় হোৱাৰ ইচ্ছা কৰা হয়।

৬- আজানৰ -আৰু এইদৰে ইক্বামতৰ- ক্ৰম ৰক্ষা কৰিব লাগিবঃ ইয়াৰ দ্বাৰা উদ্দেশ্য হৈছে, মুৱাজ্জিনে আজান আৰু ইক্বামতৰ পদ্ধতি সম্পৰ্কে বৰ্ণিত শ্বৰয়ী দলীল অনুসৰি, কোনো শব্দ বা বাক্য অগা-পিছা নকৰাকৈ আজান আৰু ইক্বামতৰ বাক্যসমূহ উচ্চাৰণ কৰিব লাগিব; কাৰণ আজান এই নিৰ্দিষ্ট ক্ৰমতেই দিয়াটো হৈছে এটা ইবাদত, সেয়েহে যিদৰে বৰ্ণনা আহিছে ঠিক সেইদৰেই ইয়াক সম্পন্ন কৰিব লাগিব; যিহেতু তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«مَنْ أَحْدَثَ فِي أَمْرِنَا هَذَا مَا لَيْسَ فِيهِ، فَهُوَ رَدٌّ»

[1] (বুখাৰীঃ ৬২৮, আৰু মুছলিমঃ ৬৭৪)

"যিয়ে আমাৰ দ্বীনৰ মাজত এনেকুৱা কোনো নতুন বিষয় সংযুক্ত কৰিব, যিটো ইয়াৰ অংশ নহয়, সেইটো হৈছে প্ৰত্যাখ্যাত, (অৰ্থাৎ সেইটো গ্ৰহণযোগ্য নহয়)।"[1]

৭- আজান আৰু ইকামতৰ ধাৰাবাহিকতা ৰক্ষা কৰিব লাগিব। ইয়াৰ দ্বাৰা উদ্দেশ্য হৈছে আজানৰ বাক্যবোৰৰ মাজত কোনো কথা বা কামেৰে ব্যৱধান কৰা নাযাব, আৰু ইয়াৰ অংশবোৰৰ মাজতো দীঘলীয়া ব্যৱধান কৰা নাযাব।

৮- আজান আৰু ইক্বামত আৰবী ভাষাত হ'ব লাগিব যিটো হাদীছৰ দ্বাৰা প্ৰমাণিত, আৰু অৰ্থ বিকৃতকাৰী ভুল-ত্ৰুটিৰ পৰা মুক্ত হ'ব লাগিব।

৯- উচ্চস্বৰে আজান দিয়া; কাৰণ মুৱাজ্জিনে যদি এনেদৰে নিম্নস্বৰে আজান দিয়ে যে, কেৱল তেওঁ নিজেই শুনে, তেন্তে আজানৰ বিধানগত উদ্দেশ্য পূৰণ নহ'ব; কিয়নো নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«فَلْيُؤَذِّنْ لَكُمْ أَحَدُكُمْ»

"তোমালোকৰ মাজৰ এজনে যাতে আজান দিয়ে।"[2] ইয়াৰ দ্বাৰা আনক শুনোৱাৰ বাবে উচ্চস্বৰে আজান দিয়াৰ কথা বুজোৱা হৈছে; যাতে ঘোষণাৰ উদ্দেশ্য পূৰণ হয়। এতেকে যদি কোনোবাই নিজৰ বাবে অথবা তেওঁৰ লগত উপস্থিত থকা ব্যক্তিৰ বাবে আজান দিয়ে, তেন্তে

---

[1] (বুখাৰীঃ ২৬৯৭, আৰু মুছলিমঃ ১৭১৮, আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ দ্বাৰা বৰ্ণিত হাদীছ।)

[2] ইয়াৰ তাখৰীজ পূৰ্বে অতিবাহিত হৈছে।

উচ্চস্বৰে আজান দিয়াটো চৰ্ত নহয়। কিন্তু সিমানখিনি উচ্চস্বৰে ক’ব লাগে, যিমানখিনিত তেওঁ নিজে শুনে অথবা তেওঁৰ লগত থকা ব্যক্তিয়ে শুনে। তথাপিও যদি তাতোকৈ অধিক উচ্চস্বৰে কয়, তেন্তে সেয়া উত্তম হ’ব; কিয়নো এই সম্পৰ্কে আবু ছায়ীদ খুদৰী ৰাদ্বিয়াল্লাহু আনহুৱে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা এটা হাদীছ বৰ্ণনা কৰিছেঃ

«.. فَإِذَا كُنتَ فِي غَنَمِكَ أَوْ بَادِيَتِكَ فَأَذَّنْتَ فَارْفَعْ صَوْتَكَ بِالنِّدَاءِ؛ فَإِنَّهُ لَا يَسْمَعُ مَدَّى صَوْتِ الْمُؤَذِّنِ جِنٌّ وَلَا إِنْسٌ وَلَا شَيْءٌ إِلَّا شَهِدَ لَهُ يَوْمَ الْقِيَامَةِ»

"...যেতিয়া তুমি তোমাৰ ছাগলী-ভেড়াৰ জাকৰ সৈতে অথবা মুকলি ঠাইত থাকি আজান প্ৰদান কৰিবা, তেতিয়া উচ্চ কণ্ঠেৰে আজান দিবা; কিয়নো মুআজ্জিনৰ কণ্ঠস্বৰৰ পৰিসীমাৰ ভিতৰত জিন, মানুহ অথবা যিকোনো বস্তুৱেই তেওঁৰ আজান শুনে, সি কিয়ামতৰ দিনা তেওঁৰ পক্ষত সাক্ষ্য প্ৰদান কৰিব।"[1]

## পঞ্চম বিষয়ঃ মুৱাজ্জিনৰ বাঞ্ছনীয় গুণাৱলী

১- ন্যায়পৰায়ণ আৰু দ্বীনি বিষয়ত অবিচল বুলি পৰিচিত হ'ব লাগিব; কিয়নো ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

«الإِمَامُ ضَامِنٌ، وَالمُؤَذِّنُ مُؤْتَمَنٌ، اللَّهُمَّ أَرْشِدِ الأَئِمَّةَ، وَاغْفِرْ لِلْمُؤَذِّنِينَ»

«ইমাম হৈছে দায়িত্বশীল, আৰু মুৱাজ্জিন হৈছে আমানতদাৰ। হে আল্লাহ! ইমামসকলক সঠিক পথ প্ৰদৰ্শন কৰা, আৰু মুৱাজ্জিনসকলক ক্ষমা কৰি

[1] ইয়াৰ উৎস পূৰ্বে উল্লেখিত।

দিয়া।»[1] মুৱাজ্জিন হৈছে চালাত আৰু চিয়ামৰ সময়ৰ ক্ষেত্ৰত এজন আমানতদাৰ। এই আমানত কেৱল ন্যায়পৰায়ণ ব্যক্তিয়েহে পালন কৰিব পাৰে। সেয়েহে মুৱাজ্জিন যাতে ফাছিক, প্ৰকাশ্যে পাপকাৰী, অথবা মৰ্যাদাহীন ব্যক্তি নহয়।

২- বালিগ (প্ৰাপ্তবয়স্ক) হ'ব লাগিব; কাৰণ বালিগৰ আজান অধিক পৰিপূৰ্ণ। পাৰ্থক্য কৰিব পৰা শিশুৰ আজানো শুদ্ধ, যেতিয়ালৈকে তেওঁ চালাতৰ সময়ত আজান দিয়ে। এতেকে তেওঁ আজান দিলে সেয়াই যথেষ্ট হ'ব; কাৰণ ইয়াৰ দ্বাৰা চালাতৰ সময় হোৱাৰ ঘোষণা সম্পন্ন হয়।

৩- সময় সম্পৰ্কে জ্ঞানী হ'ব লাগিব; যাতে সঠিক সময় নিৰ্ধাৰণ কৰি তাৰ আৰম্ভণিতেই আজান দিব পাৰে। কিয়নো সময়ৰ জ্ঞান নাথাকিলে ভুল-ত্ৰুটি হোৱাৰ আশংকা থাকে।

৪- উচ্চ কণ্ঠস্বৰৰ অধিকাৰী হোৱা উচিত; কাৰণ আব্দুল্লাহ ইবনে যায়েদ ৰাদ্বিয়াল্লাহু আনহুৰ আজানৰ সপোন সম্পৰ্কীয় হাদীছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁক কৈছিল:

«إِنَّ هَذِهِ لَرُؤْيَا حَقٍّ، فَقُمْ مَعَ بِلَالٍ فَإِنَّهُ أَنْدَىٰ وَأَمَدُّ صَوْتًا مِنْكَ، فَأَلْقِ عَلَيْهِ مَا قِيلَ لَكَ، وَلْيُنَادِ بِذَلِكَ»

«নিশ্চয় এইটো হৈছে এটা সত্য সপোন। এতেকে তুমি বিলালৰ ওচৰলৈ যোৱা, কাৰণ তেওঁৰ কণ্ঠস্বৰ তোমাতকৈ অধিক সুমধুৰ আৰু উচ্চ। সেয়ে, তোমাক

---

[1] আবু দাউদ (হাদীছ নং ৫১৭), তিৰমিজী (হাদীছ নং ২০৭)।

যিখিনি কোৱা হৈছে, সেয়া তেওঁক শিকাই দিয়া আৰু তেওঁ যাতে ইয়াৰ দ্বাৰা আজান দিয়ে।» (21) আৰু وَأَمَدُّ صَوْتًا مِنْكَ ৰ অৰ্থ হৈছে:[1]

«وَأَمَدُّ صَوْتًا مِنْكَ»

"তেওঁৰ কণ্ঠস্বৰ, তোমাৰ কণ্ঠস্বৰতকৈ অধিক সুদূৰপ্ৰসাৰী।" অৰ্থাৎ, তোমাৰ কণ্ঠস্বৰতকৈ অধিক উচ্চ আৰু দীৰ্ঘ। ইয়াৰ দ্বাৰা প্ৰমাণিত হয় যে, উচ্চস্বৰৰ অধিকাৰী ব্যক্তিক মুৱাজ্জিন নিযুক্ত কৰাটো মুস্তাহাব। কাৰণ আজানৰ যোগেদি সংবাদ প্ৰেৰণ কৰাৰ বাবে উচ্চস্বৰ অধিক ফলদায়ক।[2]

৫- উত্তম কণ্ঠস্বৰৰ অধিকাৰী হ'ব লাগিব; কাৰণ পূৰ্বোক্ত আব্দুল্লাহ বিন যায়েদ ৰাদ্বিয়াল্লাহু আনহুৰ হাদীছত ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«فَإِنَّهُ أَنْدَى وَأَمَدُّ صَوْتًا مِنْكَ»

«কাৰণ নিশ্চয় তেওঁ তোমাতকৈ অধিক সুমধুৰ আৰু দূৰগামী কণ্ঠৰ অধিকাৰী।» অৰ্থাৎ অধিক উত্তম আৰু সুমধুৰ কণ্ঠৰ অধিকাৰী।

৬- হাদাছে আচগৰ আৰু আকবৰৰ পৰা পৱিত্ৰ হোৱা উচিত; কাৰণ আজান আৰু ইকামত হৈছে সৰ্বশক্তিমান আল্লাহৰ জিকিৰ, আৰু জিকিৰকাৰী পৱিত্ৰ থকাটোৱেই উত্তম।

---

[1] তিৰমিজী (১৮৯), আৰু তেওঁ হাদীছটোক হাছান ছহীহ বুলি কৈছে।

[2] দ্ৰষ্টব্যঃ তুহফাতুল আহৱাযী (১/ ৪৮১)।

৭- দণ্ডায়মান হৈ আজান দিয়া; কাৰণ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«يَا بِلَالُ قُمْ، فَنَادِ بِالصَّلَاةِ»

"হে বিলাল! উঠা, আৰু চালাতৰ আজান দিয়া।"[1]، ইবনুল মুনযিৰে কৈছেঃ "এই বিষয়ে ইজমা হৈছে যে, মুআজ্জিনে থিয় হৈ আজান দিয়াটো ছুন্নত।"[2].

৮- কিবলামুখী হৈ আজান দিয়া; যিহেতু আব্দুল্লাহ বিন ঝায়েদ ৰাদ্বিয়াল্লাহু আনহুৰ আজান সম্পৰ্কীয় সপোনৰ হাদীছৰ এটা বৰ্ণনাত আহিছে, তেওঁ কৈছেঃ "ইয়াৰ পিছত তেওঁ কিবলামুখী হৈ “আল্লাহু আকবাৰ, আল্লাহু আকবাৰ...” বুলি ক’লে"[3], ইবনুল মুনযিৰ ৰাহিমাহুল্লাহে আৰু কৈছে যে, "আজান দিয়াৰ সময়ত কিবলামুখী হোৱাটো যে ছুন্নত, এই বিষয়ে সকলোৱে একমত।"[4]

৯- নিজৰ তৰ্জনী আঙুলি দুটা কাণৰ ভিতৰত ৰখা; কাৰণ বিলাল ৰাদ্বিয়াল্লাহু আনহুৱে ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ সন্মুখত আজান দিয়াৰ সময়ত তেনেদৰে কৰা বুলি আবু জুহাইফা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত আছে, তেওঁ কৈছে: মই বিলালক দেখিছোঁ, তেওঁ কাণত আঙুলিৰে সোপা দি ইফালে-সিফালে মুখ ঘূৰাই আজান দি আছিল। সেই সময়ছোৱাত ৰাছুলুল্লাহ

[1] (বুখাৰীঃ ৬০৪, আৰু মুছলিমঃ ৩৭৭)
[2] (আল-ইজমা-ইবনুল মুনযিৰঃ পৃঃ ৩৮)
[3] (আবু দাউদঃ ৫০৭)
[4] (আল-ইজমা', ইবনুল মুনযিৰঃ ৩৮)

চাল্লাল্লাহু আলাইহি অছাল্লাম এটা ৰঙা তম্বুত আছিল..."[1]।

ইমাম তিৰিমিজীয়ে এই হাদীছটো বৰ্ণনা কৰাৰ পিছত কৈছে: আৰু আলিমসকলৰ ওচৰত এইটোৱে আমলযোগ্য বিষয়ঃ তেওঁলোকে মুৱাজ্জিনে আজানৰ সময়ত নিজৰ আঙুলি দুটা কাণৰ ভিতৰত ৰখাটোক পছন্দ কৰে।

ইবনু শ্‌বুবৰামাক সোধা হৈছিলঃ “মুৱাজ্জিনক কিয় কাণৰ ভিতৰত আঙুলি ৰাখিবলৈ আদেশ দিয়া হয়?” তেওঁ কৈছিলঃ “কণ্ঠস্বৰ তীব্ৰ কৰাৰ বাবে...”[2]।

ইমাম নাৱাৱী ৰাহিমাহুল্লাহে কৈছেঃ ছুন্নত হৈছে, নিজৰ আঙুলি দুটা কাণৰ বিন্ধাত প্ৰৱেশ কৰোৱা। এইটো এটা সৰ্বসন্মত বিষয়। আল-মাহামিলীয়ে তেওঁৰ ‘মাজমু’ নামৰ গ্ৰন্থত অধিকাংশ আলিমৰ পৰা এই কথাটোৱেই বৰ্ণনা কৰিছে। আমাৰ আলিমসকলে কৈছে: ইয়াৰ আন এটা উপকাৰিতাও আছে, সেয়া হৈছে- হয়তো কোনো ব্যক্তিয়ে কলা হোৱাৰ কাৰণে, বা দূৰত্বত থকাৰ বাবে অথবা অন্য কোনো কাৰণত (মুৱাজ্জিনৰ) মাত নুশুনিবও পাৰে। এনে ক্ষেত্ৰত তেওঁলোকে তেওঁৰ

---

1 হাদীছটো তিৰমিজীয়ে বৰ্ণনা কৰিছেঃ (১৯৭), আৰু কৈছেঃ এইটো এটা হাছান ছহীহ হাদীছ। ইয়াৰ মূল ছহীহ বুখাৰীত (৬৩৪) এই শব্দৰে বৰ্ণিত হৈছেঃ আউন ইবনে আবি জুহাইফাই তেওঁৰ পিতৃৰ পৰা বৰ্ণনা কৰিছে, তেওঁ (পিতৃয়ে) কৈছেঃ মই বিলাল ৰাদ্বিয়াল্লাহু আনহুক আজান দি থকা দেখিছিলোঁ। সেয়ে মই আজানৰ সময়ত তেওঁৰ মুখখন ইফালে-সিফালে ঘূৰোৱা চাবলৈ ধৰিলোঁ।

2 (আল- আওছাতঃ ৪/১১)

আঙুলিৰ দ্বাৰা তেওঁৰ আজান সম্পৰ্কে অৱগত হ'ব পাৰিব।[1]

১০- ‘হাইয়্যা আলাচ্ছালাহ’ বুলি কওঁতে দুয়োবাৰ সোঁফালে, আৰু ‘হাইয়্যা আলাল-ফালাহ’ বুলি কওঁতে দুয়োবাৰ বাওঁফালে মুখ ঘূৰাব, ভৰি দুখন স্থিৰ ৰাখি; কিয়নো আবু জুহাইফা ৰাদ্বিয়াল্লাহু আনহুৱে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ সন্মুখত বিলাল ৰাদ্বিয়াল্লাহু আনহুৰ আজানৰ বিষয়ে কৈছেঃ

«فَجَعَلْتُ أَتَّبِعُ فَاهُ، هَاهُنَا وَهَاهُنَا، يَقُولُ: يَمِينًا وَشِمَالًا: حَيَّ عَلَى الصَّلَاةِ، حَيَّ عَلَى الفَلَاحِ»؛

"ফলত মই তেখেতৰ মুখক ইফালে-সিফালে অনুসৰণ কৰিবলৈ ধৰিলোঁ, তেখেতে সোঁফালে আৰু বাওঁফালে হাই আলাচ্ছলাহ, হাই আলাল ফালাহ বুলি কৈছিল।"[2] মছজিদৰ পৰা দূৰৈত থকা লোকসকলক চালাতৰ আজান শুনোৱাবলৈ এইটো হৈছে অধিক কাৰ্যকৰী।

১১- আজান ধীৰ-স্থিৰে কোনো ধৰণৰ টান বা অতিৰিক্ত প্ৰসাৰণ নকৰাকৈ উচ্চাৰণ কৰিব লাগে; কাৰণ আজান হৈছে মছজিদত অনুপস্থিত লোকসকলৰ বাবে এক ঘোষণা, সেয়েহে ইয়াত ধীৰ-স্থিৰতা অৱলম্বন কৰাটো অধিক ফলপ্ৰসূ। আনহাতে ইকামত দ্ৰুতগতিত ক’ব লাগে; কাৰণ এইটো উপস্থিত

---

1 (শ্বাৰহুল মুহাজ্জাবঃ ৩/১১৩)

2 বুখাৰী (৬৩৪) মুছলিম (৫০৩) শব্দবোৰ মুছলিমৰ।

লোকসকলৰ বাবে এটা ঘোষণা, সেয়েহে ইয়াত দ্রুত গতি অৱলম্বন কৰাই উপযুক্ত[1]।

১২- শ্বৰয়ী চৰ্ত আৰু আদবসমূহ পালন কৰি, কোনো ধৰণৰ কৃত্রিমতা বা গানৰ দৰে সুৰ আৰোপ নকৰাকৈ, আৰু উদ্দেশ্য ব্যাহত হোৱাকৈ অতিৰিক্ত প্রসাৰণ নকৰি, নিজৰ সৰল আৰু স্বাভাৱিক কণ্ঠেৰে আজান দিব লাগে।

## ষষ্ঠ বিষয়ঃ আজান আৰু ইক্বামতৰ পদ্ধতি

হাদীছত আজান আৰু ইক্বামতৰ পদ্ধতিসমূহৰ বিষয়ে উল্লেখ আছে। এই ক্ষেত্রত আব্দুল্লাহ বিন ঝায়েদ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত হাদীছটো অন্যতম, আৰু তাত আজানৰ শব্দবোৰ হৈছে এই ধৰণৰঃ

আল্লাহু আকবাৰ, আল্লাহু আকবাৰ, আল্লাহু আকবাৰ, আল্লাহু আকবাৰ। (অৰ্থঃ আল্লাহ আটাইতকৈ মহান, আল্লাহ আটাইতকৈ মহান, আল্লাহ আটাইতকৈ মহান, আল্লাহ আটাইতকৈ মহান)

আশ্ব-হাদু আল লা ইলাহা ইল্লাল্লাহ, আশ্ব-হাদু আল লা ইলাহা ইল্লাল্লাহ। (অৰ্থঃ মই সাক্ষ্য দিওঁ যে, আল্লাহৰ বাহিৰে আন কোনো সত্য ইলাহ নাই, মই সাক্ষ্য দিওঁ যে, আল্লাহৰ বাহিৰে আন কোনো সত্য ইলাহ নাই।)

আশ্বহাদু আন্না মুহাম্মাদাৰ ৰাছুলুল্লাহ, আশ্বহাদু আন্না মুহাম্মাদাৰ ৰাছুলুল্লাহ। (অৰ্থঃ মই সাক্ষ্য দিওঁ যে,

[1] দ্রষ্টব্যঃ আল-মুগনী লি ইবনে কুদামাহ (১/ ২৯৫)।

মুহাম্মদ হৈছে আল্লাহৰ ৰাছুল, মই সাক্ষ্য দিওঁ যে, মুহাম্মদ হৈছে আল্লাহৰ ৰাছুল।)

হায়্যি আলাচ্ছালাহ। হায়্যি আলাচ্ছালাহ। (অৰ্থঃ আহা ছালাতৰ পিনে৷ আহা ছালাতৰ পিনে।)

হায়্যি আলাল ফালাহ, হায়্যি আলাল ফালাহ। (অৰ্থঃ আহা সফলতাৰ পিনে৷ আহা সফলতাৰ পিনে।)

আল্লাহু আকবাৰ, আল্লাহু আকবাৰ। (অৰ্থঃ আল্লাহ আটাইতকৈ মহান, আল্লাহ আটাইতকৈ মহান)

লা ইলাহা ইল্লাল্লাহ। (অৰ্থঃ আল্লাহৰ বাহিৰে আন কোনো সত্য ইলাহ নাই)

ইকামতৰ শব্দসমূহ হৈছে:

আল্লাহু আকবাৰ৷ আল্লাহু আকবাৰ।

আশ্বহাদু আল লা ইলাহা ইল্লাল্লাহ।

আশ্বহাদু আন্না মুহাম্মাদাৰ ৰাছূলুল্লাহ।

হায়্যি আলাচ্ছালাহ, হায়্যি আলাল ফালাহ।

কাদ ক্বামাতিচ্ছালাহ৷ কাদ ক্বামাতিচ্ছালাহ।

আল্লাহু আকবাৰ, আল্লাহু আকবাৰ।

লা ইলাহা ইল্লাল্লাহ।[1]

এইটোৱেই হৈছে আজান আৰু ইকামতৰ সেই পদ্ধতি, যিটো বিলাল ৰাদ্বিয়াল্লাহু আনহুৱে ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ সৈতে তেখেতৰ মৃত্যু পৰ্যন্ত, ঘৰত থাকোঁতে আৰু ভ্ৰমণৰত অৱস্থাতো নিয়মীয়াকৈ পালন কৰিছিল।

---

[1] আবু দাউদ (হাদীছ নং ৪৯৯), তিৰমিজী (হাদীছ নং ১৮৯)। লগতে তেওঁ কৈছে: আব্দুল্লাহ বিন ঝায়েদৰ হাদীছটো হাছান ছহীহ।

আৰু ফজৰৰ আজানত "হাইয়্যা আলাল ফালাহ"ৰ পিছত: "আচ্ছালাতু খাইৰুম মিনান নাওম," বুলি দুবাৰকৈ ক'ব; কাৰণ আবু মাহজুৰাহ ৰাদ্বিয়াল্লাহু আনহুৱে বৰ্ণনা কৰিছে যে, ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁক কৈছিল:

«فَإِنْ كَانَتْ صَلَاةُ الصُّبْحِ قُلتَ: الصَّلَاةُ خَيْرٌ مِّنَ النَّوْمِ، الصَّلَاةُ خَيْرٌ مِّنَ النَّوْمِ»

«যদি সেয়া ফজৰৰ নামাজ হয়, তেন্তে তুমি ক'বাঃ "আচ্ছালাতু খাইৰুম মিনান নাওম, আচ্ছালাতু খাইৰুম মিনান নাওম"»[1]

আজানৰ আন এটা পদ্ধতি হৈছে 'তাৰজী'' আজান, অৰ্থাৎ পুনৰাবৃত্তি কৰা। এই পদ্ধতিটোত শ্বাহাদাতাইনৰ বাক্য দুটা প্ৰথমে নিম্নস্বৰে কোৱা হয়, তাৰ পিছত পুনৰ উচ্চস্বৰে কোৱা হয়, আৰু ইকামতৰ বাক্যবোৰ দুবাৰকৈ কোৱা হয়। এই পদ্ধতিটো আবু মাহজুৰা ৰাদ্বিয়াল্লাহু আনহুৰ হাদীছত বৰ্ণিত হৈছে। তেওঁ কৈছে: ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে মোক নিজেই আজান শিকাইছিল আৰু কৈছিল:

«قُلْ: اللَّهُ أَكْبَرُ اللَّهُ أَكْبَرُ، اللَّهُ أَكْبَرُ اللَّهُ أَكْبَرُ، أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللَّهُ، أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللَّهُ، أَشْهَدُ أَنَّ مُحَمَّدًا رَسُولُ اللَّهِ، أَشْهَدُ أَنَّ مُحَمَّدًا رَسُولُ اللَّهِ - مَرَّتَيْنِ مَرَّتَيْنِ - قَالَ: ثُمَّ ارْجِعْ، فَمُدَّ صَوْتَكَ: أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللَّهُ، أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللَّهُ، أَشْهَدُ أَنَّ مُحَمَّدًا رَسُولُ اللَّهِ، أَشْهَدُ أَنَّ مُحَمَّدًا رَسُولُ اللَّهِ، حَيَّ عَلَى الصَّلَاةِ، حَيَّ عَلَى الصَّلَاةِ، حَيَّ عَلَى الفَلَاحِ، حَيَّ عَلَى الفَلَاحِ، اللَّهُ أَكْبَرُ اللَّهُ أَكْبَرُ، لَا إِلٰهَ إِلَّا اللَّهُ».

[1] আবু দাউদ (হাদীছ নং ৫০০)। ইমাম নৱৱীয়ে 'খুলাছাতুল আহকাম' (১/২৮৬)ত ইয়াক হাছান বুলি কৈছে।

কোৱা: আল্লাহু আকবাৰ আল্লাহু আকবাৰ, আল্লাহু আকবাৰ আল্লাহু আকবাৰ, আশ্বহাদু আল লা ইলা-হা ইল্লাল্লাহ, আশ্বহাদু আল লা ইলা-হা ইল্লাল্লাহ, আশ্বহাদু আন্না মুহাম্মাদাৰ ৰাছুলুল্লাহ, আশ্বহাদু আন্না মুহাম্মাদাৰ ৰাছুলুল্লাহ। তেখেতে কৈছে: ইয়াৰ পিছত পুনৰ উচ্চস্বৰে কোৱা: আশ্বহাদু আল লা ইলা-হা ইল্লাল্লাহ, আশ্বহাদু আল লা ইলা-হা ইল্লাল্লাহ, আশ্বহাদু আন্না মুহাম্মাদাৰ ৰাছুলুল্লাহ, আশ্বহাদু আন্না মুহাম্মাদাৰ ৰাছুলুল্লাহ, হায়্যি আলাচ্ছালাহ, হায়্যি আলাচ্ছালাহ, হায়্যি আলাল ফালাহ, হায়্যি আলাল ফালাহ, আল্লাহু আকবাৰ আল্লাহু আকবাৰ, লা ইলা-হা ইল্লাল্লাহ।

«وَالإِقَامَةُ: اللَّهُ أَكْبَرُ اللَّهُ أَكْبَرُ، اللَّهُ أَكْبَرُ اللَّهُ أَكْبَرُ، أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللَّهُ، أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللَّهُ، أَشْهَدُ أَنَّ مُحَمَّدًا رَسُولُ اللَّهِ، أَشْهَدُ أَنَّ مُحَمَّدًا رَسُولُ اللَّهِ، حَيَّ عَلَى الصَّلَاةِ، حَيَّ عَلَى الصَّلَاةِ، حَيَّ عَلَى الفَلَاحِ، حَيَّ عَلَى الفَلَاحِ، قَدْ قَامَتِ الصَّلَاةُ، قَدْ قَامَتِ الصَّلَاةُ، اللَّهُ أَكْبَرُ اللَّهُ أَكْبَرُ، لَا إِلٰهَ إِلَّا اللَّهُ»

«আৰু ইকামত হৈছেঃ আল্লাহু আকবাৰ, আল্লাহু আকবাৰ, আল্লাহু আকবাৰ, আল্লাহু আকবাৰ, আশ্বহাদু আল লা ইলা-হা ইল্লাল্লাহ, আশ্বহাদু আল লা ইলা-হা ইল্লাল্লাহ, আশ্বহাদু আন্না মুহাম্মাদাৰ ৰাছুলুল্লাহ, আশ্বহাদু আন্না মুহাম্মাদাৰ ৰাছুলুল্লাহ, হায়্যি আলাচ্ছালাহ, হায়্যি আলাচ্ছালাহ, হায়্যি আলাল ফালাহ, হায়্যি আলাল ফালাহ, ক্বাদক্বামাতিচ্ছালাহ, ক্বাদক্বামাতিচ্ছালাহ, আল্লাহু আকবাৰ, আল্লাহু আকবাৰ, লা ইলা-হা ইল্লাল্লাহ»

[1]

এই বিষয়টো বৈচিত্ৰ্যপূৰ্ণ মতানৈক্যৰ অন্তৰ্ভুক্ত, সেয়েহে মুআজ্জিনে এইবোৰ প্ৰমাণিত পদ্ধতিৰ যিকোনো এটা গ্ৰহণ কৰিলেই সেয়া উত্তম হ'ব। আজানৰ কিছুমান প্ৰমাণিত পদ্ধতি উল্লেখ কৰি শ্বাইখুল ইছলাম ইবনে তাইমিয়্যাহ ৰাহিমাহুল্লাহে কৈছে: "যেতিয়া বিষয়টো এনেকুৱাই হয়, তেন্তে সঠিক মত হৈছে আহলে হাদীছ আৰু তেওঁলোকৰ সমৰ্থকসকলৰ মাজহাব, তেওঁলোকৰ মতে এই বিষয়ে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা প্ৰমাণিত সকলো পদ্ধতিকেই বৈধ বুলি গণ্য কৰা হয়। তেওঁলোকে ইয়াৰ এটাকো অপছন্দ নকৰে; কিয়নো আজান আৰু ইকামতৰ পদ্ধতিৰ ভিন্নতা হ'ল কিৰাআত, তাশ্বাহ্‌হুদ আৰু এই জাতীয় আন আন বিষয়ৰ পদ্ধতিৰ ভিন্নতাৰ দৰেই। গতিকে ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে নিজৰ উম্মতৰ বাবে যি পদ্ধতি প্ৰচলন কৰি গৈছে, তাক অপছন্দ কৰাৰ অধিকাৰ কোনো ব্যক্তিৰেই নাই।"[2]

## সপ্তম বিষয়ঃ আজানৰ উত্তৰ আৰু আজানৰ পিছত পঢ়িবলগীয়া দুআ।

আজান শ্ৰৱণকাৰীৰ বাবে মুস্তাহাব হৈছে মুআজ্জিনে যি কয় তাকেই কোৱা; কাৰণ আবু ছায়ীদ খুদৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

---

1 (আবু দাউদঃ ৫০২, ৫০৩)

2 মাজমু' আল-ফাতাৱা: (২২/ ৬৬)

«إِذَا سَمِعْتُمْ النِّدَاءَ فَقُولُوا مِثْلَ مَا يَقُولُ المُؤَذِّنُ»

"যেতিয়া তোমালোকে আজান শুনিবা, তেতিয়া সেইদৰেই ক'বা যিদৰে মুআজ্জিনে কয়।"[1]. কেৱল হাইআলাতাইনৰ বাহিৰে—আৰু সেই দুটা হৈছে মুআজ্জিনৰ এই দুটা বাক্যঃ হায়্যি আলাচ্ছালাহ, হায়্যি আলাল ফালাহ—আজান শ্ৰৱণকাৰীৰ বাবে মুস্তাহাব হৈছে যে, এই দুয়োটা বাক্যৰ উত্তৰত

«لَا حَوْلَ وَلَا قُوَّةَ إِلَّا بِاللَّهِ»

"লা হাওলা অলা কুউৱাতা ইল্লা বিল্লাহ" কোৱা। (অৰ্থঃ আল্লাহৰ সহায় অবিহনে কোনো বস্তুৰ পৰা ৰক্ষা পোৱা টান আৰু কিবা কৰাৰো ক্ষমতা নাই।) কাৰণ ওমৰ ইবনুল খাত্তাব ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত হাদীছত আছে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

«إِذَا قَالَ المُؤَذِّنُ: اللَّهُ أَكْبَرُ اللَّهُ أَكْبَرُ، فَقَالَ أَحَدُكُمْ: اللَّهُ أَكْبَرُ اللَّهُ أَكْبَرُ، ثُمَّ قَالَ: أَشْهَدُ أَنْ لَا إِلَٰهَ إِلَّا اللَّهُ، قَالَ: أَشْهَدُ أَنْ لَا إِلَٰهَ إِلَّا اللَّهُ، ثُمَّ قَالَ: أَشْهَدُ أَنَّ مُحَمَّدًا رَسُولُ اللَّهِ، قَالَ: أَشْهَدُ أَنَّ مُحَمَّدًا رَسُولُ اللَّهِ، ثُمَّ قَالَ: حَيَّ عَلَى الصَّلَاةِ، قَالَ: لَا حَوْلَ وَلَا قُوَّةَ إِلَّا بِاللَّهِ، ثُمَّ قَالَ: حَيَّ عَلَى الفَلَاحِ، قَالَ: لَا حَوْلَ وَلَا قُوَّةَ إِلَّا بِاللَّهِ، ثُمَّ قَالَ: اللَّهُ أَكْبَرُ اللَّهُ أَكْبَرُ، قَالَ: اللَّهُ أَكْبَرُ اللَّهُ أَكْبَرُ، ثُمَّ قَالَ: لَا إِلَٰهَ إِلَّا اللَّهُ، قَالَ: لَا إِلَٰهَ إِلَّا اللَّهُ مِنْ قَلْبِهِ، دَخَلَ الجَنَّةَ»

"যেতিয়া মুআজ্জিনে কয়ঃ আল্লাহু আকবাৰ, আল্লাহু আকবাৰ, তেতিয়া তোমালোকেও কোৱাঃ আল্লাহু আকবাৰ, আল্লাহু আকবাৰ। ইয়াৰ পিছত যেতিয়া আশ্বহাদু আল লা ইলা-হা ইল্লাল্লাহ কয়, তেতিয়া তোমালোকেও কোৱাঃ আশ্বহাদু আল লা ইলা-হা

[1] (বুখাৰীঃ ৬১১, আৰু মুছলিমঃ ৩৮৩)

ইল্লাল্লাহ। ইয়াৰ পিছত যেতিয়া আশ্বহাদু আন্না মুহাম্মাদাৰ ৰাছুলুল্লাহ কয়, তেতিয়া তোমালোকেও কোৱাঃ আশ্বহাদু আন্না মুহাম্মাদাৰ ৰাছুলুল্লাহ। ইয়াৰ পিছত যেতিয়া হায়্যি আলাচ্ছালাহ কয়, তেতিয়া কোৱাঃ লা হাওলা অলা কুউৱাতা ইল্লা বিল্লাহ। ইয়াৰ পিছত যেতিয়া হায়্যি আলাল ফালাহ বুলি কয়, তেতিয়াও কোৱাঃ লা হাওলা অলা কুউৱাতা ইল্লা বিল্লাহ। ইয়াৰ পিছত যেতিয়া আল্লাহু আকবাৰ, আল্লাহু আকবাৰ কয়, তেতিয়া তোমালোকেও কোৱাঃ আল্লাহু আকবাৰ, আল্লাহু আকবাৰ। ইয়াৰ পিছত যেতিয়া লা ইলা-হা ইল্লাল্লাহ কয়, তেতিয়া তোমালোকেও কোৱাঃ লা ইলা-হা ইল্লাল্লাহ। যিয়ে আন্তৰিকতাৰে এই উত্তৰ প্ৰদান কৰিব, তেওঁ জান্নাতত প্ৰৱেশ কৰিব।"[1]

আৰু শ্বাহাদাতাইনৰ পিছত এই কথা কোৱা: (أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ، وَأَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ، رَضِيتُ بِاللَّهِ رَبًّا، وَبِمُحَمَّدٍ رَسُولًا، وَبِالْإِسْلَامِ دِينًا), অৰ্থাৎ মই সাক্ষ্য দিওঁ যে, আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই, তেওঁ একক, তেওঁৰ কোনো অংশীদাৰ নাই। মই আৰু সাক্ষ্য দিওঁ যে, মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম হৈছে তেওঁৰ বান্দা আৰু ৰাছুল। মই আল্লাহক প্ৰতিপালক হিচাপে, মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লামক ৰাছুল হিচাপে আৰু ইছলামক দ্বীন হিচাপে গ্ৰহণ কৰি সন্তুষ্ট।

[1] (মুছলিমঃ ৩৮৫)

ছাআদ বিন আবি অক্কাচ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«مَنْ قَالَ حِينَ يَسْمَعُ المُؤذِّنَ: أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ، وَأَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ، رَضِيتُ بِاللَّهِ رَبًّا، وَبِمُحَمَّدٍ رَسُولًا، وَبِالْإِسْلَامِ دِينًا؛ غُفِرَ لَهُ ذَنْبُهُ».

"যিয়ে মুআজ্জিনৰ আজান শুনি এই দুআটো পাঠ কৰে, তাৰ গুনাহ খাতা মাফ কৰি দিয়া হয়। أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ، وَأَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ، رَضِيتُ بِاللَّهِ رَبًّا، وَبِمُحَمَّدٍ رَسُولًا، وَبِالْإِسْلَامِ دِينًا অৰ্থঃ মই সাক্ষ্য দিওঁ যে, আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই, তেওঁ একক, তেওঁৰ কোনো অংশীদাৰ নাই, আৰু মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম হৈছে আল্লাহৰ বান্দা আৰু তেওঁৰ ৰাছুল। মই সন্তুষ্ট হৈছোঁ আল্লাহক ৰব্ব হিচাপে পাই, মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লামক ৰাছুল হিচাপে পাই, লগতে ইছলামক দ্বীন হিচাপে পাই।"[1]

আৰু যেতিয়া মুআজ্জিনে ফজৰৰ নামাজত "আচ্ছালাতু খাইৰুম মিনান নাওম" বুলি কয়, তেন্তে শ্ৰোতাইও একেদৰেই ক'ব; কাৰণ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

«إِذَا سَمِعْتُمُ النِّدَاءَ فَقُولُوا مِثْلَ مَا يَقُولُ المُؤَذِّنُ»

"যেতিয়া তোমালোকে আজান শুনিবা, তেতিয়া সেইদৰেই ক'বা যিদৰে মুআজ্জিনে কয়।"[2]

---

1 (মুছলিমঃ ৩৮৬)

2 (মুত্তাফাক্ক আলাইহ)।

তাৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওপৰত দৰূদ পাঠ কৰিব, ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা বৰ্ণিত দুআ পাঠ কৰিব, তেখেতে কৈছে:

«مَنْ قَالَ حِينَ يَسْمَعُ النِّدَاءَ: اللَّهُمَّ رَبَّ هَذِهِ الدَّعْوَةِ التَّامَّةِ، وَالصَّلَاةِ القَائِمَةِ، آتِ مُحَمَّدًا الوَسِيلَةَ وَالفَضِيلَةَ، وَابْعَثْهُ مَقَامًا مَحْمُودًا الَّذِي وَعَدْتَهُ، حَلَّتْ لَهُ شَفَاعَتِي يَوْمَ القِيَامَةِ»

"আজান শুনাৰ পিছত যিয়ে এই দুআ পাঠ কৰিবঃ اللَّهُمَّ رَبَّ هَذِهِ الدَّعْوَةِ التَّامَّةِ، وَالصَّلاَةِ القَائِمَةِ، آتِ مُحَمَّدًا الوَسِيلَةَ وَالفَضِيلَةَ، وَابْعَثْهُ مَقَامًا مَحْمُودًا الَّذِي وَعَدْتَهُ

আল্লাহুম্মা ৰাব্বা হা-জিহিদ দা'ৱাতিত তা-ম্মাহ, অচ্ছালাতিল ক্বা-য়িমাহ, আ-তি মুহাম্মাদানিল অচীলাতা অল ফাজীলাহ। অবআছহু মাক্বা-মাম মাহমূদানিল লাজী ওৱা আত্তাহ। কিয়ামতৰ দিনা তাৰ বাবে মোৰ শ্বাফাআত ওৱাজিব হৈ পৰে।"[1] আৰু «الدَّعْوَةِ التَّامَّة»ৰ অৰ্থ হৈছেঃ

«الدَّعْوَةِ التَّامَّة»

পৰিপূৰ্ণ আহ্বান। অৰ্থাৎ আজানৰ আহ্বান হৈছে এক সম্পূৰ্ণ আৰু পৰিপূৰ্ণ আহ্বান; কিয়নো ইয়াৰ মাজত সন্নিবিষ্ট আছে আল্লাহৰ মহত্ত্বৰ ঘোষণা, তেওঁৰ তাওহীদ, ৰিছালতৰ সাক্ষ্য, আৰু কল্যাণৰ প্ৰতি আহ্বান।

«وَالصَّلَاةِ القَائِمَة»

«وَالصَّلَاةِ القَائِمَة» «আৰু প্ৰতিষ্ঠিত নামাজ» অৰ্থাৎ যিটো কায়েম কৰা হ'ব আৰু আদায় কৰা হ'ব।

---

[1] (বুখাৰীঃ হাদীছ নং ৬১৪)

«الوَسِيلَة»

«الوَسِيلَة» “অছীলা” জান্নাতত পাবলগীয়া এটা মৰ্যাদা।

«الفَضِيلَة»

«الفَضِيلَة» ফাজীলাহ। সেই সুউচ্চ পদমৰ্যাদা, যিটো আন কাকো দিয়া নহ'ব।

«مَقَامًا مَحْمُودًا»

«مَقَامًا مَحْمُودًا» «প্ৰশংসিত স্থান» মাক্কামে মাহমুদ: সেইটো হৈছে এনেকুৱা এটা স্থান, য'ত সকলো মানুহে তেখেতৰ প্ৰশংসা কৰিব। ইয়াৰ অন্তৰ্ভুক্ত হৈছে সমগ্ৰ সৃষ্টিৰ বাবে কৰা মহা শ্বাফাআত, য'ত তেখেতে কিয়ামতৰ ময়দানবাসীৰ বাবে ছুপাৰিছ কৰিব, যাতে তেওঁলোকৰ মাজত বিচাৰ-ফয়চালা আৰম্ভ কৰা হয়।

আব্দুল্লাহ বিন আমৰ ইবনুল আচ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, তেওঁ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছে, তেখেতে কৈছেঃ

«إِذَا سَمِعْتُمُ المُؤَذِّنَ، فَقُولُوا مِثْلَ مَا يَقُولُ، ثُمَّ صَلُّوا عَلَيَّ؛ فَإِنَّهُ مَن صَلَّى عَلَيَّ صَلَاةً صَلَّى اللَّهُ عَلَيْهِ بِهَا عَشْرًا، ثُمَّ سَلُوا اللَّهَ لِيَ الوَسِيلَةَ، فَإِنَّهَا مَنزِلَةٌ فِي الجَنَّةِ، لَا تَنْبَغِي إِلَّا لِعَبْدٍ مِنْ عِبَادِ اللَّهِ، وَأَرْجُو أَنْ أَكُونَ أَنَا هُوَ، فَمَن سَأَلَ لِيَ الوَسِيلَةَ، حَلَّتْ لَهُ الشَّفَاعَةُ»

তোমালোকে যেতিয়া মুআজ্জিনক আজান দিওঁতে শুনিবা, তেতিয়া মুআজ্জিনে যি যি কয় তোমালোকেও তাকেই ক'বা। ইয়াৰ পিছত মোৰ ওপৰত দৰূদ পাঠ কৰিবা; কাৰণ যিয়ে মোৰ ওপৰত এবাৰ দৰূদ পাঠ কৰে, তাৰ ওপৰত আল্লাহে দহটা ৰহমত অৱতীৰ্ণ কৰে। ইয়াৰ পিছত আল্লাহৰ ওচৰত তোমালোকে মোৰ বাবে

অছীলাহ প্ৰাৰ্থনা কৰিবা। অছীলাহ হৈছে জান্নাতৰ এটা বিশেষ স্থান, যিখন আল্লাহৰ কোনো এজন নেক বান্দাক দিয়া হ'ব। মই আশা কৰোঁ সেইজন ময়েই হম। যিয়ে মোৰ বাবে অছীলাহ প্ৰাৰ্থনা কৰিব, তাৰ ওপৰত মোৰ শ্বাফাআত ওৱাজিব হৈ যাব।[1]

আজানত সংযোজিত হোৱা বিদআতসমূহৰ অন্যতম হৈছে, মুআজ্জিনে আজানৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওপৰত উচ্চস্বৰে দৰূদ আৰু ছালাম পাঠ কৰা, এইদৰে আজানৰ পিছত বৰ্ণিত জিকৰটো (আল্লাহুম্মা ৰাব্বা হা-জিহিদ দা'ৱাতিত তা-ম্মাহ...) সামূহিকভাৱে পাঠ কৰা, আৰু দুআ কৰাৰ সময়ত দুয়ো হাত উত্তোলন কৰা, তদুপৰি মুআজ্জিনৰ সৈতে আজানৰ উত্তৰ দিয়াৰ শেষত “হান্নান” বা “আবাদান” শব্দটো বৃদ্ধি কৰি “হান্নান লা ইলাহা ইল্লাল্লাহ” বা “আবাদান লা ইলাহা ইল্লাল্লাহ”; বুলি কোৱাৰ সপক্ষে কোনো দলীল নাই।

## অষ্টম বিষয়: আজানৰ পিছত মছজিদৰ পৰা ওলাই যোৱাৰ বিধান

আজানৰ পিছত চালাত আদায় নকৰালৈকে কোনো পুৰুষৰ বাবে মছজিদৰ পৰা ওলাই যোৱা হাৰাম, কিন্তু যদি তেওঁৰ কোনো অজুহাত থাকে অথবা মছজিদলৈ উভতি অহাৰ নিয়ত কৰে, তেন্তে কোনো অসুবিধা নাই। আবু শ্বা'ছাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ «আমি আবু

[1] (মুছলিমঃ ৩৮৪)

হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ সৈতে মছজিদত বহি আছিলোঁ, এনেতে মুৱাজ্জিনে আজান দিলে। তেতিয়া এজন ব্যক্তিয়ে মছজিদৰ পৰা খোজ কাঢ়ি ওলাই যাবলৈ ধৰিলে। আৰু হুৰাইৰাই তেওঁক মছজিদৰ পৰা ওলাই নোযোৱালৈকে চাই থাকিল। তাৰ পিছত তেখেতে ক'লেঃ এই ব্যক্তিজনে আবুল কাচিম চাল্লাল্লাহু আলাইহি অছাল্লামৰ অবাধ্যতা কৰিছে»[1]।"

তিৰমিজীয়ে তেওঁৰ ছুনান গ্ৰন্থত এই হাদীছটো বৰ্ণনা কৰাৰ পাছত কৈছে: "নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ চাহাবাসকলৰ মাজত আৰু তেওঁলোকৰ পৰৱৰ্তী জ্ঞানীসকলৰ মাজত এই আমলটোৱেই প্ৰচলিত আছে যে, আজানৰ পিছত কোনোৱে যাতে মছজিদৰ পৰা ওলাই নাযায়, কিন্তু কোনো অজুহাত থাকিলে সেয়া সুকীয়া কথা: যেনে, অজু নাথাকিলে, অথবা কোনো অপৰিহাৰ্য্য কাম থাকিলে।[2]"

## নৱম বিষয়ঃ আজান আৰু ইকামতৰ মাজত কিমান সময় ব্যৱধান থকা উচিত?

হাদীছত এই কথাৰ প্ৰমাণ পোৱা যায় যে, আজান আৰু ইক্বামতৰ মাজত যথেষ্ট সময় আছে। আব্দুল্লাহ বিন মুগাফ্ফল ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«بَيْنَ كُلِّ أَذَانَيْنِ صَلَاةٌ، بَيْنَ كُلِّ أَذَانَيْنِ صَلَاةٌ»، ثُمَّ قَالَ فِي الثَّالِثَةِ: «لِمَنْ شَاءَ»

---

[1] (মুছলিমঃ ৬৫৫)

[2] ছুনান আত-তিৰমিজী: (১/৩৯৭), হাদীছ নং (২০৪)।

"প্ৰত্যেক দুটা আজানৰ মাজত আছে নামাজ, প্ৰত্যেক দুটা আজানৰ মাজত আছে নামাজ।" ইয়াৰ পিছত তৃতীয়বাৰত তেখেতে কৈছিলঃ "যাৰ ইচ্ছা সি পঢ়িব পাৰে।"[1]. দুই আজানৰ দ্বাৰা আজান আৰু ইকামতক বুজোৱা হৈছে। সেয়েহে মুৱাজ্জিনে আজান আৰু ইকামতৰ মাজত কিছু সময়ৰ ব্যৱধান ৰাখিব লাগে, যাতে উপস্থিত লোকসকলে নামাজৰ আগত দুই ৰাকাত নামাজ আদায় কৰিব পাৰে আৰু মছজিদত আহিবলগীয়া লোকসকলেও আহি নামাজ পাব পাৰে।

ইমাম আহমদে কৈছেঃ মুৱাজ্জিনৰ উচিত হৈছে, আজান আৰু ইকামতৰ মাজত ইমানখিনি সময়ৰ ব্যৱধান ৰখা, যাতে মছজিদৰ মুছল্লীসকলে আহি উপস্থিত হ'ব পাৰে আৰু শৌচ-প্ৰস্ৰাৱৰ প্ৰয়োজন অনুভৱ কৰা ব্যক্তিয়েও নিজৰ প্ৰয়োজন পূৰণ কৰি ল'ব পাৰে।[2]

## দশম বিষয়: মুৱাজ্জিনৰ দায়িত্ব আৰু শিষ্টাচাৰ

মুআজ্জিনে নিজৰ আজানৰ দ্বাৰা মহান আল্লাহৰ সন্তুষ্টি বিচৰা উচিত; যিহেতু উছমান ইবনে আবুল আছ ৰাদ্বিয়াল্লাহু আনহুৱে কৈছে:

«إِنَّ مِنْ آخِرِ مَا عَهِدَ إِلَيَّ رَسُولُ اللَّهِ ﷺ أَنْ اتَّخِذْ مُؤَذِّنًا لَا يَأْخُذُ عَلَى أَذَانِهِ أَجْرًا».

“ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে মোক দিয়া সৰ্বশেষ নিৰ্দেশসমূহৰ মাজত এটা আছিল এনে এজন

---

[1] (বুখাৰীঃ ৬২৭, আৰু মুছলিমঃ ৮৩৮)

[2] শ্বাৰহু উমদাতিল ফিকহ। ইবনে তাইমিয়াঃ, কিতাবুচ্ছালাতঃ (পৃঃ ১৩৫)।

মুআজ্জিন নিয়োগ কৰা, যিয়ে নিজৰ আজানৰ বিনিময়ত কোনো পাৰিশ্ৰমিক গ্ৰহণ নকৰে।"[1]

তিৰমিজী ৰাহিমাহুল্লাহে এই হাদীছটো বৰ্ণনা কৰি কৈছে: "আহলে ইল্মৰ ওচৰত এইটোৱেই হৈছে আমলযোগ্য যে, তেওঁলোকে মুআজ্জিনে আজানৰ বিনিময়ত পাৰিশ্ৰমিক লোৱাটোক অপছন্দ কৰিছে, আৰু মুআজ্জিনে নিজৰ আজানৰ জৰিয়তে ছোৱাবৰ আশা কৰাটোক মুস্তাহাব বুলি গণ্য কৰিছে।"

মুছলমানসকলৰ ৰাজকোষ (বাইতুল মাল)ৰ পৰা মুআজ্জিনক কিবা দিয়াত কোনো দোষ নাই; কিয়নো বাইতুল মাল মুছলমানসকলৰ কল্যাণৰ বাবেই স্থাপন কৰা হৈছে, আৰু আজান আৰু ইক্বামত দিয়াটোও মুছলমানসকলৰ কল্যাণমূলক কামৰেই অন্তৰ্ভুক্ত[2]।

আৰু এইটো জনা ওৱাজিব যে, তেওঁ নিৰ্ধাৰিত ওৱাক্তত পাঁচ ওৱাক্ত চালাতৰ আজানৰ বাবে জবাবদিহি; কাৰণ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«الإِمَامُ ضَامِنٌ، وَالمُؤَذِّنُ مُؤْتَمَنٌ»

"ইমাম হৈছে জিম্মাদাৰ, আৰু মুআজ্জিন হৈছে আমানতদাৰ।"[3] অৰ্থাৎ তেওঁ হৈছে চালাতৰ সময়ৰ আমানতদাৰ। সেয়েহে আজানৰ সময়ৰ যথেষ্ট পূৰ্বেই তেওঁ পৱিত্ৰতা অৰ্জন কৰি মছজিদত উপস্থিত হোৱা

---

[1] হাদীছটো তিৰমিজীয়ে বৰ্ণনা কৰিছে (২০৯), আৰু কৈছেঃ হাদীছটো হাছান।

[2] দ্ৰষ্টব্যঃ আল-ক্বাহতানীৰ 'আজান আৰু ইক্বামত': (পৃষ্ঠা ১৯)।

[3] আবু দাউদ (হাদীছ নং ৫১৭), তিৰমিজী (হাদীছ নং ২০৭)।

আৱশ্যক। কোনো ওজৰ অবিহনে আজান দিয়াৰ পৰা তেওঁ বিৰত থকা উচিত নহয়। যদি তেনে পৰিস্থিতি হয়, তেন্তে তেওঁৰ কৰ্তব্য হৈছে নিজৰ স্থানত আজান দিবলৈ আন এজনক প্ৰতিনিধি নিযুক্ত কৰা।

মুৱাজ্জিনৰ কৰণীয় বিষয়সমূহঃ

(১) মছজিদৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু সংৰক্ষণৰ প্ৰতি যত্ন লোৱা, লগতে এই ক্ষেত্ৰত মছজিদৰ কৰ্মচাৰী আৰু জামাআতৰ সৈতে সহযোগিতা কৰা; কিয়নো আল্লাহে তেওঁৰ ঘৰসমূহক আবাদ কৰা লোকসকলৰ প্ৰশংসা কৰি কৈছে:

﴿إِنَّمَا يَعۡمُرُ مَسَٰجِدَ ٱللَّهِ مَنۡ ءَامَنَ بِٱللَّهِ وَٱلۡيَوۡمِ ٱلۡأٓخِرِ وَأَقَامَ ٱلصَّلَوٰةَ وَءَاتَى ٱلزَّكَوٰةَ وَلَمۡ يَخۡشَ إِلَّا ٱللَّهَۖ فَعَسَىٰٓ أُوْلَٰٓئِكَ أَن يَكُونُواْ مِنَ ٱلۡمُهۡتَدِينَ18﴾

"একমাত্ৰ তেওঁলোকেই আল্লাহৰ মছজিদসমূহক সুচাৰুৰূপে পৰিচালনা কৰে তথা তত্বাৱধায়ন কৰে, যিসকলে ঈমান আনিছে আল্লাহৰ প্ৰতি আৰু শেষ দিৱসৰ প্ৰতি, লগতে ছালাত কায়েম কৰে আৰু যাকাত প্ৰদান কৰে, এইদৰে আল্লাহৰ বাহিৰে আন কাকো ভয় নকৰে। এতেকে আশা কৰা যায় যে, তেওঁলোকেই হ'ব সৎপথ প্ৰাপ্তসকলৰ অন্তৰ্ভুক্ত।" (ছুৰা আত-তাওবাহঃ ১৮) মছজিদ নিৰ্মাণ কৰাই হওক বা তাৰ ৰক্ষণাবেক্ষণ কৰা অথবা পৰিষ্কাৰ-পৰিচ্ছন্নতা কৰা, লগতে তাত নামাজ কায়েম কৰা আৰু আল্লাহৰ জিকৰ-আজকাৰ কৰা আদি সকলো হৈছে মছজিদ আবাদ কৰাৰ

অন্তৰ্ভুক্ত। ‘ইমাৰত’[1] শব্দৰ দ্বাৰা এই উভয় অৰ্থকেই বুজোৱা হয়।

(২) তেওঁ ছহীহ আক্বীদাহ আৰু আজানৰ বিধি-বিধান সম্পৰ্কে, পৱিত্ৰতা তথা নামাজৰ বিধি-বিধান আদি শিকিব লাগিব, যথেষ্ট পৰিমাণে কোৰআন মুখস্থ থাকিব লাগিব, আৰু কেতিয়াবা ইমামে নামাজত অনুপস্থিত থাকিলে তেওঁৰ স্থানত ইমামতি কৰিব পৰাকৈ যোগ্য হ'ব লাগিব।

(৩) তেওঁ সৎকৰ্মৰ আদেশ দিয়া আৰু অসৎকৰ্মৰ পৰা নিষেধ কৰা ব্যক্তি হ’ব লাগিব, লগতে হিকমত বা প্ৰজ্ঞা আৰু উত্তম উপদেশৰ দ্বাৰা আল্লাহৰ ফালে আহ্বান জনোৱা হ’ব লাগিব, এইদৰে মানুহৰ প্ৰতি নম্ৰ আৰু তেওঁলোকৰ কষ্টত ধৈৰ্য্য ধাৰণ কৰিব লাগিব, লগতে এই ক্ষেত্ৰত মছজিদৰ ইমামৰ সৈতে সহযোগিতা কৰিব লাগিব।

(৪) মছজিদক কেৱল জ্ঞান, ইবাদত আৰু মুছল্লীসকলৰ বাবে উপকাৰী বিষয়ৰ মাজতে সীমাবদ্ধ ৰাখিব লাগিব, আৰু তেওঁলোকৰ দ্বীন আৰু দুনিয়াৰ বাবে ক্ষতিকাৰক সকলো বিষয়ৰ পৰা ইয়াক আঁতৰাই ৰাখিব লাগিব।

(৫) মছজিদৰ জামাআত আৰু নামাজীসকলৰ সৈতে মিলাপ্ৰীতি আৰু সহযোগিতা বজাই ৰখা, তেওঁলোক অনুপস্থিত থাকিলে খা-খবৰ লোৱা, তেওঁলোকৰ বেমাৰীক চাবলৈ যোৱা, তেওঁলোকৰ

[1] দ্ৰষ্টব্যঃ ফাতহুল বাৰী, ইবনু হাজাৰঃ ১/ ৫৪১।

জানাজাৰ চালাত আদায় কৰা আৰু মৃতকক অনুসৰণ কৰা, আৰু বিপদ-আপদৰ সময়ত তেওঁলোকৰ কাষত থিয় দিয়া।

## দ্বিতীয় পৰিচ্ছেদ: ইমামতিৰ বিধান

### প্ৰথম বিষয়ঃ ইমামতিৰ সংজ্ঞা

নামাজত ইমামতি হৈছে: নামাজীসকলৰ মাজৰ পৰা কোনো এজন ব্যক্তিয়ে আগবঢ়ি যোৱা; যাতে তেওঁলোকে তেওঁক নিজৰ নামাজত অনুসৰণ কৰে। এতেকে নামাজৰ ইমাম হৈছে: সেইজন ব্যক্তি, যাক মানুহে নিজৰ নামাজত অনুসৰণ কৰে[1]।

### দ্বিতীয় বিষয়ঃ ইমামতি আৰু ইয়াৰ ফজিলত

চালাতৰ ইমামতি সৰ্বোত্তম আমলসমূহৰ অন্যতম, যাৰ দায়িত্ব পালন কৰে জ্ঞানী, কোৰআন পাঠকাৰী, ন্যায়পৰায়ণ আদি উত্তম গুণাৱলীসম্পন্ন সৰ্বোত্তম ব্যক্তিসকলে, যি বিষয়ে পাছত আলোচনা কৰা হ'ব। ইমামতি অবিহনে জামাআতত চালাতৰ কল্পনা কৰিব নোৱাৰি, আৰু জামাআতত চালাত আদায় কৰাটো হৈছে ইছলামৰ অন্যতম এটা মহান প্ৰতীক।[2]

### ইমামতিৰ ফজিলতসমূহ:

১- ইমামতিৰ ফজিলত সুবিখ্যাত, স্বয়ং নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এই দায়িত্ব পালন কৰিছিল, ঠিক

---

[1] দ্ৰষ্টব্যঃ হাশ্বিয়াহ আৰ-ৰাওজুল-মুৰবে (২/ ২৯৬), আল-ইমামাহ ফিচ্ছালাহ, লিল-কাহতানীঃ (পৃ. ৬)।

[2] দ্ৰষ্টব্যঃ আল-মাওছুআ আল-ফিকহীয়া আল-কুৱাইতীয়াঃ (৬/ ২০১)।

তেনেদৰে তেওঁৰ খোলাফায়ে ৰাশ্বিদীনে আৰু ইল্ম আৰু আমলত শ্ৰেষ্ঠ মুছলিমসকলে সদায় এই দায়িত্ব পালন কৰি আহিছে।[1]

২- ছালাতৰ ইমামতি হৈছে এক ফজিলতপূৰ্ণ শ্বাৰয়ী পদ, যিটোৰ দায়িত্ব গ্ৰহণ কৰে ফজিলতৰ অধিকাৰীসকলে; কিয়নো নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

«يَؤُمُّ الْقَوْمَ أَقْرَؤُهُمْ لِكِتَابِ اللَّهِ ...»

"আল্লাহৰ কিতাবৰ শ্ৰেষ্ঠ পাঠকাৰীজনে লোকসকলৰ ইমামতি কৰিব ...", আৰু এইটো জ্ঞাত যে, উত্তম কাৰীয়েই হৈছে শ্ৰেষ্ঠ; ফলত তেওঁৰ সৈতে ইয়াৰ সম্বন্ধই ইয়াৰ শ্ৰেষ্ঠত্বক প্ৰমাণ কৰে।[2][3]

৩- নেতৃবৃন্দৰ হিদায়তৰ বাবে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ দুআ। আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত যে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«الإِمَامُ ضَامِنٌ، وَالمُؤَذِّنُ مُؤْتَمَنٌ، اللَّهُمَّ أَرْشِدِ الأَئِمَّةَ، وَاغْفِرْ لِلْمُؤَذِّنِينَ»

«ইমাম হৈছে জিম্মাদাৰ আৰু মুৱাজ্জিন হৈছে আমানতদাৰ। হে আল্লাহ! তুমি ইমামসকলক সৎপথ প্ৰদৰ্শন কৰা আৰু মুৱাজ্জিনসকলক ক্ষমা কৰি দিয়া।» (55)[4]

---

1 দ্ৰষ্টব্যঃ আল-ইমামাহ ফিচ্ছালাহ, লিলকাহতানীঃ (পৃ. ৯)।

2 দ্ৰষ্টব্যঃ আশ্ব-শ্বাৰহুল মুমতি আলা ঝাদিল-মুস্তাকনি (২/ ৪১)।

3 (মুছলিমঃ ৬৭৩, আবু মাছঊদ আল-আনছাৰী ৰাদ্বিয়াল্লাহু আনহুৰ দ্বাৰা বৰ্ণিত হাদীছ।)

4 আবু দাউদ (হাদীছ নং ৫১৭), তিৰমিজী (হাদীছ নং ২০৭)।

الإمام ضامن (ইমাম জিম্মাদাৰ) ইয়াৰ অৰ্থ হৈছেঃ - তেওঁ মুক্তাদীসকলৰ ছালাতৰ শুদ্ধতাৰ জিম্মাদাৰ, কাৰণ তেওঁলোকৰ ছালাত তেওঁৰ ছালাতৰ সৈতে সম্পৃক্ত। আনহাতে "আল্লাহুম্মা আৰশ্বিদিল আইম্মাহ।" (হে আল্লাহ! ইমামসকলক সঠিক পথত পৰিচালিত কৰা।)ৰ অৰ্থ হৈছেঃ তেওঁলোকক সঠিক পথত পৰিচালিত কৰক; যাতে তেওঁলোকে সৰ্বোত্তমভাৱে ছালাত আদায় কৰিব পাৰে[1]।

## তৃতীয় বিষয়: ইমামতিৰ বাবে বেছি যোগ্য কোন?

ইমামতিৰ বাবে অধিক হকদাৰ তথা বেছি উপযুক্ত কোন, সেই বিষয়ে স্পষ্ট কৰি ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«يَؤُمُّ الْقَوْمَ أَقْرَؤُهُمْ لِكِتَابِ اللَّهِ، فَإِنْ كَانُوا فِي الْقِرَاءَةِ سَوَاءً، فَأَعْلَمُهُمْ بِالسُّنَّةِ، فَإِنْ كَانُوا فِي السُّنَّةِ سَوَاءً، فَأَقْدَمُهُمْ هِجْرَةً، فَإِنْ كَانُوا فِي الْهِجْرَةِ سَوَاءً، فَأَقْدَمُهُمْ سِلْمًا - وَفِي رِوَايَةٍ: سِنًّا - وَلَا يَؤُمَّنَّ الرَّجُلُ الرَّجُلَ فِي سُلْطَانِهِ»

"যিয়ে পৱিত্ৰ কোৰআন আটাইতকৈ ভালদৰে পাঠ কৰিব পাৰে, তেৱেঁই লোকসকলৰ ইমামতি কৰিব। যদি পাঠ কৰাত সকলো সমান হয়, তেন্তে তেওঁলোকৰ মাজত যিজন ছুন্নাহ সম্পৰ্কে অধিক জ্ঞানী, তেওঁ ইমামতি কৰিব। যদি ছুন্নাহৰ জ্ঞানতো সকলো সমান হয়, তেন্তে তেওঁলোকৰ মাজত যিজনে প্ৰথমে হিজৰত কৰিছে, তেওঁ ইমামতি কৰিব। যদি হিজৰততো সকলো

---

[1] দ্ৰষ্টব্যঃ শ্বাৰাহ আবু দাউদ লিল-আইনীঃ (২/৪৬৮), ফয়জুল কাদীৰ লিল-মুনাৱীঃ (৩/১৮২)।

সমান হয়, তেন্তে তেওঁলোকৰ মাজত যিজনে প্ৰথমে ইছলাম গ্ৰহণ কৰিছে, তেওঁ ইমামতি কৰিব। -আন এক বৰ্ণনাত আছেঃ বয়সত জ্যেষ্ঠজনে- আৰু কোনো ব্যক্তিয়ে যেন আন কোনো ব্যক্তিৰ কৰ্তৃত্বাধীন স্থানত তেওঁৰ ইমামতি নকৰে।"[1] ইমামতিৰ বাবে আটাইতকৈ অগ্ৰগণ্য আৰু বেছি যোগ্য ব্যক্তিসকলৰ ক্ৰম নিম্নোক্ত ধৰণৰ:

১- যাৰ কোৰআন বেছি মুখস্থ আছে, আৰু যাৰ তিলাৱত উত্তম— অৰ্থাৎ যিয়ে নিখুঁতভাৱে আৰু সৰ্বোত্তম ৰূপত কোৰআন পাঠ কৰে—তথা যিজন ছালাতৰ ফিকহ সম্পৰ্কে জ্ঞানী। এতেকে যদি এজন অধিক ভাল তিলাৱতকাৰী আৰু আন এজন তিলাৱতত তেওঁতকৈ কম কিন্তু ফিকহত অধিক জ্ঞানী ব্যক্তি একত্ৰিত হয়, তেন্তে ফিকহৰ জ্ঞান নথকা উত্তম তিলাৱতকাৰীৰ ওপৰত ফিকহৰ জ্ঞান থকা তিলাৱতকাৰীক অগ্ৰাধিকাৰ দিয়া হ'ব। কাৰণ ছালাত আৰু ইয়াৰ বিধানসমূহৰ ক্ষেত্ৰত ফিকহৰ প্ৰয়োজনীয়তা, উত্তম তিলাৱতৰ প্ৰয়োজনীয়তাতকৈ অধিক।

২- তাৰ পিছত, ছুন্নতৰ বিষয়ে আটাইতকৈ জ্ঞানী ব্যক্তি। এতেকে যদি কিৰাআতত সমপৰ্যায়ৰ দুজন ইমাম একত্ৰিত হয়, কিন্তু তেওঁলোকৰ এজন অধিক ফকীহ আৰু ছুন্নতৰ বিষয়ে অধিক জ্ঞানী, তেন্তে অধিক

[1] (মুছলিমঃ ৬৭৩)

ফকীহ ব্যক্তিক অগ্ৰাধিকাৰ দিয়া হ'ব, নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ এই বাণীৰ বাবে:

«فَإِنْ كَانُوا فِي الْقِرَاءَةِ سَوَاءً، فَأَعْلَمُهُمْ بِالسُّنَّةِ»

"যদি তেওঁলোক কোৰআন পাঠত সমান হয়, তেন্তে তেওঁলোকৰ মাজত যিজন ছুন্নত সম্পৰ্কে সৰ্বাধিক জ্ঞানী।"

৩- ইয়াৰ পিছত, কুফৰী দেশৰ পৰা ইছলামী দেশলৈ হিজৰতত অগ্ৰগামী ব্যক্তি, যদি তেওঁলোক কোৰআন পাঠ আৰু ছুন্নাহৰ জ্ঞানত সমান হয়; কাৰণ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

« فَإِنْ كَانُوا فِي السُّنَّةِ سَوَاءً، فَأَقْدَمُهُمْ هِجْرَةً»

«যদি তেওঁলোক ছুন্নতত সমান হয়, তেন্তে হিজৰতৰ ক্ষেত্ৰত যিজন আগতীয়া।»

৪- ইয়াৰ পিছত সেই ব্যক্তি যিয়ে প্ৰথমে ইছলাম গ্ৰহণ কৰিছে, যদি তেওঁলোক হিজৰতত সমান হয়; কাৰণ পূৰ্ববৰ্তী হাদীছত ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

«فَإِنْ كَانُوا فِي الهِجْرَةِ سَوَاءً، فَأَقْدَمُهُمْ سِلْمًا»

«যদি তেওঁলোক হিজৰতৰ ক্ষেত্ৰতো সমান হয়, তেন্তে তেওঁলোকৰ মাজত যিজনে আগত ইছলাম গ্ৰহণ কৰিছে তেৱেঁই অগ্ৰগণ্য হ'ব।» فَأَقْدَمُهُمْ سِلْمًا অৰ্থাৎ: যিয়ে প্ৰথমে ইছলাম গ্ৰহণ কৰিছে।

৫- তাৰ পিছত বয়সত যিজন ডাঙৰ, যদিহে পূৰ্বোক্ত সকলো বিষয়ত দুয়োজন সমান হয়, কাৰণ পূৰ্বৰ

হাদীছটোৰ আন এক বৰ্ণনাত তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

«فَأَقْدَمُهُم سِنًّا»

«ইয়াৰ পাছত সিহঁতৰ মাজত যিজন বয়সত ডাঙৰ» আৰু মালিক ইবনু হুৱাইৰিছ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ

«فَلْيُؤَذِّنْ لَكُمْ أَحَدُكُمْ، وَلْيَؤُمَّكُمْ أَكْبَرُكُمْ»

"তোমালোকৰ মাজৰ এজনে আজান দিয়া উচিত, আৰু যিজন তোমালোকৰ মাজত বয়সত জ্যেষ্ঠ, তেওঁ তোমালোকৰ ইমামতি কৰা উচিত।"[1]

এই হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে বয়সত ডাঙৰসকলক প্ৰাধান্য দিছে। কাৰণ তেওঁলোক আছিল জ্ঞানৰ ক্ষেত্ৰত পৰস্পৰে সমপৰ্যায়ৰ।

এতেকে যদি পূৰ্বোক্ত সকলো বিষয়ত তেওঁলোক সমান হয় আৰু ইমামতি কৰিবলৈ সকলোৱে আগ্ৰহ প্ৰকাশ কৰাৰ ফলত মতানৈক্যই দেখা দিয়ে, তেন্তে তেওঁলোকৰ মাজত লটাৰি কৰা হ'ব। লটাৰিত যাৰ নাম ওলাব, তেওঁকেই অগ্ৰাধিকাৰ দিয়া হ'ব। ইয়াৰ কাৰণ হৈছে, তেওঁলোক যোগ্যতাৰ ক্ষেত্ৰত সমান, কিন্তু সকলোকে একেলগে ইমামতিৰ সুযোগ দিয়াটো অসম্ভৱ। সেয়েহে অন্যান্য হকসমূহৰ দৰেই এইক্ষেত্ৰতো লটাৰিৰ জৰিয়তে মীমাংসা কৰা হয়।

---

[1] (বুখাৰীঃ ৬২৮, আৰু মুছলিমঃ ৬৭৪)

অতিথিৰ তুলনাত ঘৰৰ মালিক হৈছে ইমামতিৰ বাবে বেছি যোগ্য, আৰু তেনেদৰেই শাসক -যিজন হৈছে সৰ্বোচ্চ ইমাম- তেওঁ আন লোকৰ তুলনাত ইমামতিৰ বাবে অধিক উপযুক্ত, যদিহে দুয়োজনেই ইমামতিৰ বাবে যোগ্য হয়; কাৰণ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«لَا يَؤُمَّنَّ الرَّجُلُ الرَّجُلَ فِي أَهْلِهِ وَلَا فِي سُلْطَانِهِ»

"কোনো ব্যক্তিয়ে আন এজন ব্যক্তিৰ পৰিয়ালৰ মাজত যাতে ইমামতি নকৰে, আৰু তেওঁৰ কৰ্তৃত্বাধীন স্থানতো যাতে নকৰে।"

এইদৰেই মছজিদৰ নিয়মীয়া ইমামেই আনতকৈ অধিক হকদাৰ -শাসকৰ বাহিৰে-, আনকি তেওঁতকৈ অধিক উত্তম ক্বাৰী আৰু জ্ঞানী ব্যক্তি থাকিলেও। কিয়নো পূৰ্ববৰ্তী হাদীছৰ ব্যাপকতাই এইটো প্ৰমাণ কৰে।

ইবনে ওমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ এজন গোলাম আছিল যিয়ে মছজিদত নামাজ পঢ়িছিল। এবাৰ তেখেত উপস্থিত হোৱাত তেওঁৰ গোলামজনে তেখেতক আগবঢ়াই দিলে, তেতিয়া ইবনে ওমৰে তেওঁক ক'লে: «আপোনাৰ মছজিদত ইমামতি কৰিবলৈ আপোনাৰেই অধিকাৰ বেছি»[1]।

---

[1] শ্বাফেয়ী (আল-উম্ম) (১/১৮৫), আব্দুৰ ৰাজ্জাক (আল-মুছান্নাফ) (২/৩৯৯), বাইহাকী (৩/১২৬) (৫৫৩১)। আনহাতে নৱৱীয়ে (আল-খুলাছা)ত (২/৭০১) কৈছে: ইয়াৰ চনদ হাছান বা ছহীহ, আৰু শ্বাইখ আলবানীয়ে (ইৰওৱাউল-গালীল)ত (২/৩০২) ইয়াৰ চনদক হাছান বুলি কৈছে।

কিয়নো তেওঁতকৈ আনক অগ্ৰাধিকাৰ দিলে তেওঁৰ অধিকাৰ খৰ্ব কৰা হয় আৰু তেওঁৰ মন ভঙা হয়।

বিবেকৱান শিশুৱে আনৰ ইমামতি কৰাৰ বিষয়ত মতানৈক্য আছে, কিছুমান আহলে ইল্মে আমৰ বিন ছালিমা ৰাদ্বিয়াল্লাহু আনহুৰ হাদীছৰ ভিত্তিত ইয়াক জায়েয বুলি কৈছে।

«أَنَّهُ أَمَّ قَوْمَهُ فِي عَهْدِ النَّبِيِّ ﷺ وَهُوَ ابْنُ سِتٍّ أَوْ سَبْعِ سِنِينَ».

"তেওঁ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ যুগত ছয় অথবা সাত বছৰ বয়সত নিজ সম্প্ৰদায়ৰ ইমামতি কৰিছিল।"[1]

নফল আদায়কাৰীৰ ইমামতি ফৰজ আদায়কাৰীৰ বাবে শুদ্ধ; মুআজ বিন জাবাল ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত হাদীছৰ ভিত্তিত।

«أَنَّهُ كَانَ يُصَلِّي مَعَ النَّبِيِّ ﷺ العِشَاءَ، ثُمَّ يَرْجِعُ فَيُصَلِّي بِقَوْمِهِ تِلْكَ الصَّلَاةَ».

«তেওঁ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ সৈতে ঈশ্বাৰ নামাজ পঢ়িছিল, ইয়াৰ পাছত উভতি গৈ তেওঁৰ কওমক সেই নামাজকে পঢ়োৱাইছিল»[2]।

## চতুৰ্থ বিষয়ঃ যিসকলৰ ইমামতি নিষিদ্ধ:

ইমামতি হাৰাম হোৱাৰ অৱস্থাসমূহ:

১- মহিলাই পুৰুষৰ ইমামতি কৰা, কাৰণ ৰাছুলুল্লাহ চাল্লাল্লাহু 'আলাইহি অছাল্লামে ব্যাপকভাৱে কৈছে:

«لَنْ يُفْلِحَ قَوْمٌ وَلَّوْا أَمْرَهُمْ امْرَأَةً»

---

[1] (বুখাৰীঃ হাদীছ নং ৪৩০২)

[2] (বুখাৰীঃ ৭০১, আৰু মুছলিমঃ ৪৬৫)

"সেই সম্প্ৰদায় কেতিয়াও সফল হ'ব নোৱাৰে, যিয়ে নিজৰ শাসনভাৰ এজনী নাৰীৰ হাতত অৰ্পণ কৰে।"[1], আৰু ইমামতি হৈছে এক প্ৰকাৰৰ অভিভাৱকত্ব, আৰু যিহেতু শেষৰ শাৰীসমূহত অৱস্থান কৰাটোৱেই হৈছে মূল বিধান, যেনেদৰে ছুন্নতত আহিছে; আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

«خَيْرُ صُفُوفِ الرِّجَالِ أَوَّلُهَا، وَشَرُّهَا آخِرُهَا، وَخَيْرُ صُفُوفِ النِّسَاءِ آخِرُهَا، وَشَرُّهَا أَوَّلُهَا»

"পুৰুষসকলৰ বাবে সৰ্বোত্তম শাৰী হৈছে প্ৰথম শাৰী, আৰু বেয়া শাৰী হৈছে একেবাৰে শেষৰ শাৰী। আনহাতে নাৰীসকলৰ ক্ষেত্ৰত সৰ্বোত্তম শাৰী হৈছে একেবাৰে শেষৰ শাৰী, আৰু বেয়া শাৰী হৈছে প্ৰথম শাৰী।"[2], এইটো হৈছে তাইৰ সুৰক্ষা আৰু আবৰুৰ বাবে। সেয়েহে যদি তাইক ইমামতিৰ বাবে আগবঢ়াই দিয়া হয়, তেন্তে এইটো চৰীয়তী মূলনীতিৰ বিৰোধী হ'ব। এই বিষয়ত সকলো উলামা একমত। ইমাম ইবনে হাযম ৰাহিমাহুল্লাহে কৈছে: আৰু তেওঁলোক এই বিষয়ে একমত যে, কোনো মহিলাই পুৰুষৰ ইমামতি কৰিব নোৱাৰে, যদি তেওঁলোকে জানে যে তেওঁ হৈছে এগৰাকী মহিলা। এতেকে যদি তেওঁলোকে তেনে কৰে, তেন্তে সৰ্বসন্মতিক্ৰমে তেওঁলোকৰ ছালাত বাতিল হৈ যাব।[3]

---

1 বুখাৰীয়ে আবু বকৰা ৰাদ্বিয়াল্লাহু আনহুৰ হাদীছৰ পৰা বৰ্ণনা কৰিছে: (৪৪২৫)।

2 (মুছলিমঃ ৪৪০)

3 মাৰাতিবুল ইজমাঃ (পৃঃ ২৭)।

২- অপৱিত্ৰ ব্যক্তি আৰু যাৰ ওপৰত কিবা নাপাকী লাগি আছে, তেনে ব্যক্তিয়ে যদি এই বিষয়ে জানি-শুনি ইমামতি কৰে (তেন্তে তাৰ নামাজ বাতিল হ'ব), কিন্তু যদি মুক্তাদীসকলে চালাত শেষ হোৱালৈকে এই বিষয়ে অৱগত নহয়, তেন্তে তেওঁলোকৰ চালাত শুদ্ধ হ'ব, যিদৰে ওমৰ ইবনুল খাত্তাব ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত আছে যে,

«أَنَّهُ صَلَّى بِالنَّاسِ وَهُوَ جُنُبٌ، فَأَعَادَ، وَلَمْ يَأْمُرْهُمْ أَنْ يُعِيدُوا».

"তেওঁ জুনুবী অৱস্থাত লোকসকলক ইমামতি কৰিছিল, পাছত নিজে পুনৰ ছালাত আদায় কৰিলে, কিন্তু তেওঁলোকক পুনৰ আদায় কৰিবলৈ আদেশ দিয়া নাছিল।"[1]

আব্দুৰ ৰহমান বিন মাহদী ৰাহিমাহুল্লাহে কৈছেঃ এইটোৱেই হৈছে সৰ্বসন্মত মত: জুনুবী ব্যক্তিয়ে পুনৰ আদায় কৰিব, কিন্তু বাকী লোকসকলে পুনৰ আদায় কৰাৰ প্ৰয়োজন নাই। এই বিষয়ে কোনো মতানৈক্য আছে বুলি মই নাজানো। (66)[2]

৩- যিজনে ছুৰা ফাতিহা মুখস্থ কৰা নাই, বা ইয়াক শুদ্ধকৈ পাঠ কৰিব নোৱাৰে, অথবা ইয়াত যিবোৰ আখৰৰ ইদগাম কৰা নহয় তেনে আখৰকো ইদগাম কৰে, তেনে ব্যক্তিৰ ইমামতি; যেনে, কোনোবাই মহান আল্লাহৰ এই বাক্যত ‘হা’ আখৰক ‘ৰা’ আখৰৰ সৈতে ইদগাম কৰে:

---

1 (ছুনানে দাৰাকুত্বনীঃ ১৩৭১)

2 ছুনান আদ-দাৰাকুতনী (২/১৮৮)

﴿ٱلۡحَمۡدُ لِلَّهِ رَبِّ ٱلۡعَٰلَمِينَ2﴾

"আলহাম্‌দুলিল্লাহি ৰাব্বিল আলামীন।" (সকলো ধৰণৰ হামদ (প্ৰশংসা) বিশ্বজগতৰ ৰব আল্লাহৰ বাবে।) (ছুৰা আল-ফাতিহাঃ ২) কাৰণ তেওঁ এটা আখৰক আন এটা অসদৃশ বা সম্পৰ্কহীন আখৰৰ লগত একত্ৰিত কৰে, অথবা এটা আখৰক আন এটা আখৰেৰে সলনি কৰে, যেনে 'ৰা' আখৰক 'য়া' আখৰলৈ সলনি কৰা, নাইবা তেওঁ পঢ়োঁতে অৰ্থ সলনি হৈ যোৱাকৈ ভুল কৰে। তেন্তে এনে ব্যক্তিৰ ইমামতি তেওঁৰ দৰে আন ব্যক্তিৰ বাহিৰে শুদ্ধ নহ'ব; কাৰণ তেওঁ নামাজৰ এটা ৰুকন আদায় কৰাত অক্ষম, অথবা ইয়াক পালন কৰাত ত্ৰুটি কৰে।

৪- এনে বিদআতীৰ ইমামতি, যাক তাৰ বিদআতৰ বাবে কাফিৰ বুলি গণ্য কৰা হয়; কাৰণ মহান আল্লাহে কৈছেঃ

﴿أَفَمَن كَانَ مُؤۡمِنٗا كَمَن كَانَ فَاسِقٗاۚ لَّا يَسۡتَوُۥنَ18﴾

"এতেকে এজন মুমিন ব্যক্তি ফাছিকৰ দৰে হ'ব পাৰেনে? তেওঁলোকে কেতিয়াও সমান নহয়।" (ছুৰা আছ-ছাজদাহঃ ১৮) ইয়াত ফাছিক্বৰ দ্বাৰা কাফিৰক উদ্দেশ্য কৰা হৈছে, যিদৰে আয়াতসমূহৰ পৰিপ্ৰেক্ষিতৰ পৰা এইটো স্পষ্ট।

৫- যি মছজিদত নিৰ্দিষ্ট ইমাম আছে, তাত তেওঁৰ অনুমতি সাপেক্ষে, অথবা তেওঁৰ পলম হোৱা আৰু

সময় সংকীৰ্ণ হোৱাৰ বাহিৰে, আন কোনোবাই তেওঁৰ আগত ইমামতি কৰা হাৰাম আৰু অশুদ্ধ।[1]

## পঞ্চম বিষয়ঃ যিসকলৰ ইমামতি মাকৰূহ

যিসকলৰ ইমামতি মকৰূহ:

১- লাহ্হান: তেওঁ হৈছে সেইজন ব্যক্তি যিয়ে শুদ্ধকৈ কিৰাআত পাঠ কৰিব নোৱাৰে, বৰং তেওঁ অৰ্থ পৰিৱৰ্তন নোহোৱা ধৰণৰ অধিক ভুল কৰে, সেয়া ছুৰা ফাতিহাতেই হওক বা অন্য কোনো কিৰাআতত। যেনে, (الحمدَ لله) বুলি 'দাল' আখৰত জবৰ দি পঢ়া। এনেকুৱা ব্যক্তিৰ নামাজ শুদ্ধ, কিন্তু তেওঁৰ ইমামতি মাকৰূহ; কাৰণ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

«يَؤُمُّ الْقَوْمَ أَقْرَؤُهُمْ لِكِتَابِ اللَّهِ»

"আল্লাহৰ কিতাব অৰ্থাৎ পৱিত্ৰ কোৰআনৰ শ্ৰেষ্ঠ পাঠকাৰীয়েই লোকসকলৰ ইমামতি কৰিব।"[2]

ছুৰা ফাতিহাৰ বাহিৰে অন্য ঠাইত যদি ভুলক্ৰমে, অজ্ঞানতাৰ বাবে অথবা জিভাৰ কোনো ক্ৰটিৰ ফলত অৰ্থ সলনি কৰি দিয়া কোনো ভুল কৰে, তেন্তে অপছন্দনীয় হোৱা সত্ত্বেও তেওঁৰ ইমামতি শুদ্ধ হ'ব। কাৰণ, ছুৰা ফাতিহাৰ বাহিৰে অন্য তিলাৱত পৰিত্যাগ কৰিলেও যিহেতু ইমামতি শুদ্ধ হয়, সেয়েহে তাত ভুল কৰিলেও ইমামতি শুদ্ধ হ'ব। কিন্তু যদি তেওঁ ইচ্ছাকৃতভাৱে এনেকুৱা কৰে তেন্তে তেওঁৰ চালাত

---

[1] দ্ৰষ্টব্যঃ আল-আছয়িলা অল-আজৱিবা আল-ফিক্বহিয়্যাহ। আছ-ছালমানঃ (১/১৬৩)।

[2] ইয়াৰ উৎস পূৰ্বোল্লিখিত।

বাতিল হৈ যাব; কাৰণ তেওঁ নিজৰ চালাতক লৈ খেল-ধেমালি কৰিছে।

২- তিলাৱতত আখৰ বৃদ্ধি কৰাৰ উদ্দেশ্যে কোনো আখৰৰ পুনৰাবৃত্তি কৰা, যেনে- ফা, বা তা অথবা অন্য কোনো আখৰ।

৩- ফাছিক্ব আৰু এনেকুৱা বিদআতী যিয়ে বিদআতৰ ফলত কাফিৰ হিচাপে গণ্য নহয়।[1]

৪- যিজনে কোনো সমাজৰ ইমামতি কৰে আৰু তেওঁলোকৰ অধিকাংশই তেওঁক ন্যায়সংগত কাৰণত অপছন্দ কৰে; এই বিষয়ে আবূ উমামাহ ৰাদ্বিয়াল্লাহু 'আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে: ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«ثَلاثَةٌ لَا تُجَاوِزُ صَلَاتُهُمْ آذَانَهُمْ: العَبْدُ الآبِقُ حَتَّى يَرْجِعَ، وَامْرَأَةٌ بَاتَتْ وَزَوْجُهَا عَلَيْهَا سَاخِطٌ، وَإِمَامُ قَوْمٍ وَهُمْ لَهُ كَارِهُونَ»

"তিনিজন ব্যক্তিৰ চালাত তেওঁলোকৰ কাণ অতিক্ৰম নকৰে: পলায়নকাৰী ক্ৰীতদাস, যেতিয়ালৈকে সি উভতি নাহে; এনেকুৱা নাৰী, যাৰ স্বামী তাইৰ ওপৰত অসন্তুষ্ট থকা অৱস্থাত ৰাতিটো পাৰ কৰে; আৰু এনেকুৱা ইমাম, যাক তেওঁৰ সমাজৰ লোকসকলে অপছন্দ কৰে।"[2]

ইমাম তিৰমিজীয়ে কৈছে: "কিছুসংখ্যক আহলে ইল্মৰ মতে, এনে ব্যক্তিৰ ইমামতি কৰা মাকৰূহ, যাক মুক্তাদীসকলে অপছন্দ কৰে। কিন্তু যদি ইমামজন

---

[1] দ্ৰষ্টব্যঃ কাশ্শাফ আল-কিনাঃ (১/ ৪৭৫) আৰু পৰৱৰ্তী অংশ।

[2] তিৰমিজী (৩৬০), লগতে তেওঁ কৈছেঃ চনদৰ ফালৰ পৰা এই হাদীছটো হাছান গৰীব।

অত্যাচাৰী নহয়, তেন্তে যিয়ে তেওঁক অপছন্দ কৰিছে, গুনাহ তাৰ ওপৰতহে হ'ব। এই বিষয়ে আহমদ আৰু ইছ্‌হাকে কৈছে যে, “যদি এজন, দুজন অথবা তিনিজন লোকে অপছন্দ কৰে, তেন্তে তেওঁলোকৰ ইমামতি কৰাত কোনো সমস্যা নাই; যেতিয়ালৈকে অধিকাংশ লোকে তেওঁক অপছন্দ নকৰে”[1]।

যদি তেওঁলোকে তেওঁক এইবাবে অপছন্দ কৰে যে, তেওঁ চালাতত ছুন্নত অনুসৰণ কৰিবলৈ আগ্ৰহী, মছনূন ছুৰাসমূহ পাঠ কৰে আৰু ধীৰ-স্থিৰতাৰে চালাত আদায় কৰে, তেন্তে তেওঁৰ ইমামতি মাকৰূহ নহ'ব; কিয়নো তেওঁলোকে তেওঁক অন্যায়ভাৱে অপছন্দ কৰিছে, সেয়ে তেওঁলোকৰ এই অপছন্দক গুৰুত্ব দিয়া নহ'ব। বৰঞ্চ তেওঁৰ উচিত তেওঁলোকক উপদেশ দিয়া, আল্লাহক স্মৰণ কৰাই দিয়া আৰু তেওঁলোকৰ অন্তৰ জয় কৰাৰ চেষ্টা কৰা; লগতে ছুন্নতত বৰ্ণিত নিয়ম অনুসৰি তেওঁলোকক লৈ চালাত আদায় কৰা, আৰু তেওঁলোকৰ মাজত সম্প্ৰীতি স্থাপনৰ ক্ষেত্ৰত যদি আল্লাহে তেওঁৰ নিয়্যতত আন্তৰিকতা দেখিবলৈ পায়, তেন্তে তেওঁৰ বাবে সেই কামটো সহজ কৰি দিব[2]।

## ষষ্ঠ বিষয়ঃ মুক্তাদীসকলৰ পৰা ইমামৰ অৱস্থান

ছুন্নত হৈছে, ইমাম মুক্তাদীসকলৰ আগত থিয় হ'ব। যদি মুক্তাদী দুজন বা তাতোধিক হয়, তেন্তে তেওঁলোক

---

1 ছুনান আত-তিৰমিজী (২/১৯২)।

2 দ্ৰষ্টব্যঃ আশ-শ্বাৰহুল-মুমতি' 'আলা ঝাদিল-মুস্তাকনি' (৪/ ২৫৩)।

ইমামৰ পিছফালে থিয় হ’ব। কিয়নো নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা এইটো প্ৰমাণিত যে, তেখেতে যেতিয়া নামাজৰ বাবে থিয় হৈছিল তেতিয়া তেখেতে আগত থিয় হৈছিল আৰু চাহাবাসকলে তেখেতৰ পিছফালে থিয় হৈছিল।

«أَنَّ جَابِرًا وَجَبَّارًا رَضِيَ اللَّهُ عَنْهُما وَقَفَ أَحَدُهُمَا عَنْ يَمِينِهِ ﷺ وَهُوَ يُصَلِّي وَالآخَرُ عَنْ يَسَارِهِ، فَأَخَذَ بِأَيْدِيهِمَا حَتَّى أَقَامَهُمَا خَلْفَهُ».

"তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে নামাজ পঢ়ি থকা অৱস্থাত জাবিৰ আৰু জাব্বাৰ ৰাদ্বিয়াল্লাহু আনহুমা নামক দুজনৰ এজনে তেখেতৰ সোঁফালে আৰু আনজনে বাওঁফালে থিয় হ'ল, তেতিয়া তেখেতে তেওঁলোক দুজনৰ হাতত ধৰি নিজৰ পিছফালে থিয় কৰাই দিলে।"[1]

এজন ব্যক্তি হ'লে ইমামৰ সোঁফালে তেওঁৰ সমানে থিয় হ'ব; কাৰণ ইবনে আব্বাছ ৰাদ্বিয়াল্লাহু আনহুমাই কৈছেঃ

«قَامَ رَسُولُ اللَّهِ ﷺ يُصَلِّي، فَقُمْتُ عَنْ يَسَارِهِ، فَأَخَذَ بِأُذُنِي فَأَدَارَنِي عَنْ يَمِينِهِ».

«ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে নামাজ পঢ়িবলৈ থিয় হ'ল, আৰু মই তেখেতৰ বাওঁফালে থিয় হ'লোঁ। তেখেতে মোৰ কাণত ধৰি মোক তেখেতৰ সোঁফালে আনি থিয় কৰালে»[2]।

---

[1] মুছলিমে জাবিৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত এটা দীঘল হাদীছৰ অংশত বৰ্ণনা কৰিছে। (৩০১০)

[2] (বুখাৰীঃ ৬৩১৬, আৰু মুছলিমঃ ৭৬৩)

আৰু মহিলাসকল পুৰুষসকলৰ শাৰীৰ পিছফালে থাকিব; কাৰণ আনাছ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত হাদীছত আছে:

«صَفَفْتُ أَنَا وَالْيَتِيمُ وَرَاءَ النَّبِيِّ ﷺ، وَالْعَجُوزُ مِنْ وَرَائِنَا».

«মই আৰু এজন এতীমে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পিছফালে শাৰী বান্ধিলোঁ, আৰু এগৰাকী বৃদ্ধা মহিলা আমাৰ পিছফালে থিয় হৈছিল»[1]।

ইমামে শাৰীৰ মাজভাগৰ সন্মুখত থিয় হোৱা উচিত৷ আল্লামা ইবনে বাজ ৰাহিমাহুল্লাহে কৈছেঃ “মছজিদত ইমাম মধ্যম স্থানত থিয় হোৱাটো হৈছে ছুন্নত, আৰু এইটো হৈছে মুছলিমসকলৰ মাজত প্ৰচলিত এক কৰ্মগত ছুন্নত।”[2]

তেওঁ আৰু কৈছেঃ "শাৰী ইমামৰ পিছফালৰ মাজভাগৰ পৰা আৰম্ভ হ’ব, প্ৰত্যেক শাৰীৰ সোঁফাল তাৰ বাওঁফালতকৈ উত্তম, আৰু এইটো আৱশ্যক যে, আগৰ শাৰীটো পূৰ্ণ নোহোৱালৈকে কোনো নতুন শাৰী আৰম্ভ কৰা নহ'ব।"

## সপ্তম বিষয়: ইমামক অতিক্ৰম কৰা

মুক্তাদীৰ বাবে ওৱাজিব যে, তেওঁ ইমামে কৰাৰ পিছতহে নামাজৰ কৰ্মবোৰ আৰম্ভ কৰিব আৰু তেওঁৰ সকলো কৰ্মতে ইমামৰ অনুসৰণ কৰিব। অনুসৰণকাৰী অৰ্থাৎ মুক্তাদীৰ বৈশিষ্ট্যই হৈছে তেওঁ নিজৰ অনুসৰণীয়

---

1 (বুখাৰীঃ ৩৮০, আৰু মুছলিমঃ ৬৫৮)

2 এই কথা শ্বাইখ ছাঈদ আল-কাহতানী ৰাহিমাহুল্লাহে তেওঁৰ "আল-ইমামাহ ফিচ্ছালাহ" নামক কিতাপত উল্লেখ কৰিছে (পৃঃ নং ৫৫)।

ব্যক্তিৰ আগত নাযায় আৰু তেওঁৰ সমানে সমানেও কোনো কাম নকৰে। বৰং তেওঁ ইমামৰ অৱস্থাৰ প্ৰতি লক্ষ্য ৰাখিব আৰু ইমামে কৰাৰ পিছতহে তেওঁৰ দৰে সেই কাম কৰিব। ইয়াৰ তাৎপৰ্য হৈছে, মুক্তাদীয়ে কোনো অৱস্থাতেই ইমামৰ বিপৰীত একো নকৰিব; এই বিষয়ে আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা প্ৰমাণিত আছে, তেওঁ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা বৰ্ণনা কৰিছে যে, তেখেতে কৈছে:

«إِنَّمَا جُعِلَ الإِمَامُ لِيُؤْتَمَّ بِهِ، فَلَا تَخْتَلِفُوا عَلَيْهِ، فَإِذَا رَكَعَ، فَارْكَعُوا، وَإِذَا قَالَ: سَمِعَ اللَّهُ لِمَنْ حَمِدَهُ، فَقُولُوا: رَبَّنَا لَكَ الحَمْدُ، وَإِذَا سَجَدَ فَاسْجُدُوا، وَإِذَا صَلَّى جَالِسًا، فَصَلُّوا جُلُوسًا أَجْمَعُونَ، وَأَقِيمُوا الصَّفَّ فِي الصَّلَاةِ؛ فَإِنَّ إِقَامَةَ الصَّفِّ مِنْ حُسْنِ الصَّلَاةِ»

"নিশ্চয় ইমাম নিযুক্ত কৰা হৈছে অনুসৰণ কৰিবলৈ, গতিকে তেওঁৰ লগত মতানৈক্য নকৰিবা। যেতিয়া তেওঁ ৰূকু কৰিব, তেতিয়া তোমালোকেও ৰূকু কৰিবা, আৰু যেতিয়া তেওঁ ছামি আল্লাহু লিমান হামিদাহ ক'ব, তেতিয়া তোমালোকে ৰাব্বানা লাকাল হাম্‌দ ক'বা। এইদৰে যেতিয়া তেওঁ ছাজদাহ কৰিব, তেতিয়া তোমালোকেও ছাজদাহ কৰিবা। আনহাতে যেতিয়া তেওঁ বহি চালাত আদায় কৰিব, তেতিয়া তোমালোক সকলোৱে বহি চালাত আদায় কৰিবা। শুনা! চালাতত শাৰী পোন কৰিবা; কিয়নো শাৰী পোন কৰাটো হৈছে চালাতৰ সৌন্দৰ্য্যৰ অন্তৰ্ভুক্ত।"[1]

---

1 (বুখাৰীঃ ৭২২, আৰু মুছলিমঃ ৪১৭)

প্ৰতিটো ৰুকনৰ ক্ষেত্ৰতে ইমামতকৈ আগত কৰা হাৰাম; আনাছ বিন মালিক ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে: এদিন ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে আমাক লৈ নামাজ পঢ়ি আছিল। তেখেতে নামাজ শেষ কৰি আমাৰ ফালে মুখ কৰি ক'লেঃ

«أَيُّهَا النَّاسُ، إِنِّي إِمَامُكُمْ، فَلَا تَسْبِقُونِي بِالرُّكُوعِ وَلَا بِالسُّجُودِ، وَلَا بِالقِيَامِ وَلَا بِالانْصِرَافِ؛ فَإِنِّي أَرَاكُمْ أَمَامِي وَمِنْ خَلْفِي»

«হে মানুহসকল, মই হৈছোঁ তোমালোকৰ ইমাম। গতিকে তোমালোকে ৰূকু, ছাজদাহ, ক্বিয়াম (থিয় হোৱা) আৰু চালাত শেষ কৰাৰ ক্ষেত্ৰত মোতকৈ আগত নকৰিবা; কিয়নো মই তোমালোকক মোৰ সন্মুখৰ পৰাও দেখা পাওঁ আৰু পিছফালৰ পৰাও দেখা পাওঁ।»

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ[1]

«أَمَا يَخْشَىٰ أَحَدُكُمْ إِذَا رَفَعَ رَأْسَهُ قَبْلَ الإِمَامِ، أَنْ يَجْعَلَ اللَّهُ رَأْسَهُ رَأْسَ حِمَارٍ، أَوْ يَجْعَلَ اللَّهُ صُورَتَهُ صُورَةَ حِمَارٍ»

"তোমালোকৰ মাজৰ কোনোবাই যেতিয়া ইমামৰ আগত মূৰ তোলে, তেতিয়া সি ভয় নকৰে নেকি যে, আল্লাহে হয়তো তাৰ মূৰটো গাধৰ মূৰৰ দৰে কৰিব পাৰে অথবা তাৰ আকৃতি গাধৰ আকৃতিৰ দৰে কৰি দিব পাৰে।"[2]

যিয়ে ইমামৰ আগত তাকবীৰে তাহৰীমা বান্ধিব, তাৰ চালাত অনুষ্ঠিত নহ'ব; কিয়নো ইয়াৰ বাবে চৰ্ত হৈছে

---

1 (মুছলিমঃ ৪২৬)

2 (বুখাৰীঃ ৬৯১, আৰু মুছলিমঃ ৪২৭)

ইমামৰ পিছত তাকবীৰ দিয়া, আৰু তেওঁ এই চৰ্ত পূৰণ কৰা নাই।

## অষ্টম বিষয়ঃ ইমামতি আৰু জামাত সম্পৰ্কীয় বিবিধ বিধান

ইমামতি আৰু জামাআত সম্পৰ্কীয় অন্যান্য বিধান:

১- জ্ঞানী আৰু বিবেকৱান প্ৰাপ্তবয়স্ক লোকসকলক ইমামৰ পিছফালে তেওঁৰ নিকটৱৰ্তী স্থানত অগ্ৰাধিকাৰ দিয়া মুস্তাহাব; কাৰণ ৰাছুলুল্লাহ চাল্লাল্লাহু 'আলাইহি অছাল্লামে কৈছে:

«لِيَلِنِي مِنْكُمْ أُولُوا الأَحْلَامِ وَالنُّهَى، ثُمَّ الَّذِينَ يَلُونَهُمْ، ثُمَّ الَّذِينَ يَلُونَهُمْ»

«তোমালোকৰ মাজৰ প্ৰাপ্তবয়স্ক আৰু জ্ঞানীসকল মোৰ নিকটৱৰ্তী হওক, তাৰ পিছত তেওঁলোকৰ পৰৱৰ্তীসকল, তাৰ পিছত তেওঁলোকৰ পিছৰসকল»[1]

২- প্ৰথম শাৰীৰ প্ৰতি আগ্ৰহী হোৱাঃ মুক্তাদীসকলৰ বাবে প্ৰথম শাৰীৰ ফালে আগবাঢ়ি যোৱা আৰু ইয়াৰ প্ৰতি যত্নৱান হোৱা মুস্তাহাব, আনহাতে এই ক্ষেত্ৰত পিছ পৰি থকাৰ পৰা বিৰত থকা উচিত। আবু ছায়ীদ খুদৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত যে, ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে চাহাবাসকলক পিছফালে অৱস্থান কৰা দেখি তেওঁলোকক ক'লে:

«تَقَدَّمُوا فَأْتَمُّوا بِي، وَلْيَأْتَمَّ بِكُمْ مَن بَعْدَكُمْ، لَا يَزَالُ قَوْمٌ يَتَأَخَّرُونَ حَتَّى يُؤَخِّرَهُمُ اللَّهُ»

---

[1] মুছলিমে আব্দুল্লাহ ইবন মাছউদ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণনা কৰিছে। (432)

"তোমালোকে অগ্ৰসৰ হোৱা আৰু মোৰ অনুসৰণ কৰা, যাতে তোমালোকৰ পিছৰ লোকসকলে তোমালোকক অনুসৰণ কৰে। একাংশ লোক সদায় পিছুৱাই থাকে, আনকি শেষত আল্লাহেও সিহঁতক পিছুৱাই থকা লোকসকলৰ অন্তৰ্ভুক্ত কৰি দিয়ে।"

[1]। আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«لَوْ يَعْلَمُ النَّاسُ مَا فِي النِّدَاءِ وَالصَّفِّ الأَوَّلِ، ثُمَّ لَمْ يَجِدُوا إِلَّا أَنْ يَسْتَهِمُوا عَلَيْهِ لَاسْتَهَمُوا»

«আজান আৰু নামাজৰ প্ৰথম শাৰীৰ ফজীলত সম্পৰ্কে যদি মানুহে জানিলেহেঁতেন, আৰু লটাৰিৰ বাহিৰে বেলেগ কোনো উপায়ে যদি এই সুযোগ লাভ কৰাটো সম্ভৱ নহ'লহেঁতেন তেন্তে সিহঁতে নিশ্চয় লটাৰিয়ে কৰিলেহেঁতেন।» (82) আৰু[2]

«لَاسْتَهَمُوا عَلَيْهِ»

"তেন্তে নিশ্চয় তেওঁলোকে লটাৰিয়ে কৰিলেহেঁতেন।" ইয়াৰ অৰ্থ হৈছেঃ তেওঁলোকে নিজৰ মাজত লটাৰি কৰিবলগীয়া হ'লহেঁতেন যে, প্ৰথম শাৰীত কোন থিয় হ'ব।

আনহাতে নাৰীসকলৰ বাবে পিছফালৰ শাৰীসমূহত থিয় হোৱাটো মুস্তাহাব। এই বিষয়ে আবু হুৰাইৰাহ

---

[1] (মুছলিমঃ ৪৩৮)
[2] (বুখাৰীঃ ৬১৫, আৰু মুছলিমঃ ৪৩৭)

ৰাদ্বিয়াল্লাহু আনহুৰ দ্বাৰা বৰ্ণিত যে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

«خَيْرُ صُفُوفِ الرِّجَالِ أَوَّلُهَا، وَشَرُّهَا آخِرُهَا، وَخَيْرُ صُفُوفِ النِّسَاءِ آخِرُهَا، وَشَرُّهَا أَوَّلُهَا»

"পুৰুষসকলৰ বাবে সৰ্বোত্তম শাৰী হৈছে প্ৰথম শাৰী, আৰু বেয়া শাৰী হৈছে একেবাৰে শেষৰ শাৰী। আনহাতে নাৰীসকলৰ ক্ষেত্ৰত সৰ্বোত্তম শাৰী হৈছে একেবাৰে শেষৰ শাৰী, আৰু বেয়া শাৰী হৈছে প্ৰথম শাৰী।"[1]. এই বিধানটো তেতিয়া প্ৰযোজ্য হ'ব, যেতিয়া নাৰীসকলে কোনো আৱৰণ বা পৰ্দা নোহোৱাকৈ পুৰুষসকলৰ পিছফালে নামাজ আদায় কৰে। কিন্তু যদি তেওঁলোকে পুৰুষসকলৰ পৰা পৃথক বা পৰ্দাৰ ব্যৱস্থা থকা কোনো ঠাইত নামাজ পঢ়ে, তেন্তে তেওঁলোকে প্ৰথমে প্ৰথম শাৰী পূৰণ কৰিব, তাৰ পিছত ক্ৰমান্বয়ে পৰৱৰ্তী শাৰীবোৰ পূৰ কৰিব।[2]

৩- ইমামে ছুৰা ফাতিহা পাঠ কৰোঁতে খৰখেদা নকৰি ধীৰ-স্থিৰে পাঠ কৰা উচিত, যাতে মুক্তাদিয়েও পাঠ কৰিবলৈ সুবিধা পায়।[3]

৪- কোনো পুৰুষে শাৰীৰ পিছফালে অকলশৰীয়াকৈ নামাজ পঢ়িলে সেই নামাজ শুদ্ধ নহয়। কিয়নো ওৱাবিছা বিন মা'বাদ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত যে, এজন ব্যক্তিয়ে শাৰীৰ পিছফালে অকলশৰীয়াকৈ

---

[1] (মুছলিমঃ ৪৪০)

[2] দ্ৰষ্টব্যঃ মজমু ফাতাৱা ইবনে বাজঃ (১২/ ১৯৬)।

[3] দ্ৰষ্টব্যঃ আল-মিনজাৰ ফী বয়ান কাছীৰ মিনাল আখতা আশ্ব-শ্বায়েআহ। ছালিহ আলে শ্বাইখঃ (৫৩)।

নামাজ পঢ়াত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তাক পুনৰ নামাজ পঢ়িবলৈ নিৰ্দেশ দিছিল।[1]

## নৱম বিষয়: ইমামে পালন কৰিবলগীয়া ছুন্নতসমূহ

ইমামে ইমামতিৰ ক্ষেত্ৰত নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ছুন্নতৰ অনুগামী হোৱা উচিত। এই ছুন্নতসমূহৰ কিছুমান হৈছে:

১- চালাত আদায়ৰ সময়ত সহজ পন্থা অৱলম্বন কৰা, আৰু মানুহৰ অৱস্থাৰ প্ৰতি লক্ষ্য ৰখা। অৰ্থাৎ ইমামে চালাতত স্থিৰতা অৱলম্বন কৰিব; তেওঁৰ বাবে চালাতত ইমান খৰখেদা কৰা বৈধ নহয় যে, যাৰ ফলত মুক্তাদীসকলে চালাতৰ ৰুকন আৰু ওৱাজিবসমূহ আদায় কৰিব নোৱাৰে। তেওঁ কিৰাআততো ধীৰ স্থিৰতা অৱলম্বন কৰা উচিত, যাতে তেওঁৰ পিছত থকা নামাজীসকলে নিজৰ চালাত সম্পূৰ্ণ কৰিব পাৰে। আবু মাছঊদ আল-আনচাৰীৰ পৰা বৰ্ণিত, ব্যক্তি এজনে (অভিযোগ) কৰি ক'লেঃ

وَاللَّهِ يَا رَسُولَ اللَّهِ، إِنِّي لَأَتَأَخَّرُ عَنْ صَلَاةِ الغَدَاةِ -يَعْنِي: صَلَاةَ الصُّبْحِ- مِنْ أَجْلِ فُلَانٍ مِمَّا يُطِيلُ بِنَا، فَمَا رَأَيْتُ رَسُولَ اللَّهِ ﷺ فِي مَوْعِظَةٍ أَشَدَّ غَضَبًا مِّنْهُ يَوْمَئِذٍ، ثُمَّ قَالَ: «إِنَّ مِنْكُمْ مُنَفِّرِينَ، فَأَيُّكُمْ مَا صَلَّى بِالنَّاسِ فَلْيُخَفِّفْ؛ فَإِنَّ فِيهِمُ الضَّعِيفَ وَالكَبِيرَ وَذَا الحَاجَةِ»

আল্লাহৰ শপত, হে আল্লাহৰ ৰাছুল, মই ৰাতিপুৱাৰ চালাত - অৰ্থাৎ ফজৰৰ চালাতৰ - পৰা পিছুৱাই থাকোঁ,

[1] তিৰমিজীয়ে বৰ্ণনা কৰিছে (২৩০), আৰু কৈছেঃ ৱাবিছাৰ হাদীছটো হাছান।

কাৰণ অমুক ব্যক্তিয়ে আমাক লৈ নামাজ পঢ়াৰ সময়ত অতি দীঘলীয়া কৰে। মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামক কোনো উপদেশ দি থকা অৱস্থাত সেইদিনাতকৈ অধিক ক্ৰোধান্বিত হোৱা কেতিয়াও দেখা নাছিলোঁ। তাৰ পিছত তেখেতে ক'লেঃ "নিশ্চয় তোমালোকৰ মাজত এনেকুৱা লোক আছে যিয়ে মানুহক বিৰক্ত কৰে। এতেকে, তোমালোকৰ যিয়েই মানুহক নামাজ পঢ়াব, তেওঁ যেন সৰলভাৱে নামাজ আদায় কৰে; কিয়নো তেওঁলোকৰ মাজত দুৰ্বল, বয়োজ্যেষ্ঠ আৰু জৰুৰী কাম থকা ব্যক্তিও থাকে।"[1]

২- চালাতত প্ৰৱেশ কৰাৰ পূৰ্বে শাৰীবোৰ পোন কৰিবলৈ আৰু ফাঁকসমূহ পূৰণ কৰিবলৈ নিৰ্দেশ দিয়া। কাৰণ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে নিজে এনেদৰে কৰিছিল আৰু মুচল্লীসকলকো ইয়াৰ নিৰ্দেশ দিছিল, যেনেদৰে নু'মান ইবনে বশ্বীৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত আছে, তেওঁ কৈছে:

كَانَ رَسُولُ اللَّهِ ﷺ يُسَوِّي صُفُوفَنَا حَتَّى كَأَنَّمَا يُسَوِّي بِهَا الْقِدَاحَ، حَتَّى رَأَىٰ أَنَّا قَدْ عَقَلْنَا عَنْهُ، ثُمَّ خَرَجَ يَوْمًا فَقَامَ، حَتَّى كَادَ يُكَبِّرُ، فَرَأَىٰ رَجُلًا بَادِيًا صَدْرُهُ مِنَ الصَّفِّ، فَقَالَ: «عِبَادَ اللَّهِ لَتُسَوُّنَّ صُفُوفَكُمْ، أَوْ لَيُخَالِفَنَّ اللَّهُ بَيْنَ وُجُوهِكُمْ»

ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে আমাৰ শাৰীবোৰ এনেকৈ পোন কৰি দিছিল, যেনেকৈ ধেনুৰ কাঁড় পোন কৰা হয়। অৱশেষত যেতিয়া তেখেতে দেখিলে যে, আমি বিষয়টো বুজি পাইছোঁ, তাৰ পিছত এদিনাখন তেখেত ওলাই আহি থিয় হ'ল, আৰু তাকবীৰ

---

[1] (বুখাৰীঃ হাদীছ নং ৯০)

দিবলৈয়ে ওলাইছিল, ঠিক সেই সময়তে তেখেতে এজন লোকক দেখিবলৈ পালে যাৰ বুকুখন শাৰীৰ পৰা আগবাঢ়ি আছিল। তেতিয়া তেখেতে ক'লেঃ "হে আল্লাহৰ বান্দাসকল! তোমালোকে অৱশ্যেই তোমালোকৰ শাৰীবোৰ পোন কৰি ল'বা, নহ'লে আল্লাহে তোমালোকৰ মাজত মতানৈক্যৰ সৃষ্টি কৰিব।"[1]

ইমাম নাৱাৱী ৰাহিমাহুল্লাহে কৈছেঃ "ক্বাফ আখৰত কাছৰা (যেৰ) দি পঢ়া (القِدَاحُ) শব্দটোৰ অৰ্থ হৈছে, কাঁড়ৰ কাঠ যাক চাঁচি-চুৰুকি মিহি কৰা হয়। ইয়াৰ ভাবাৰ্থ হৈছেঃ তাক ইমান নিখুঁতভাৱে পোন কৰা হয় যে, ই অত্যন্ত পোন আৰু সমান হোৱাৰ বাবে এনেকুৱা হৈ পৰে যেন তাৰ দ্বাৰা আন কাঁড়কো পোন কৰিব পৰা যাব।"[2]

৩- তেওঁলোকক প্ৰথমে প্ৰথম শাৰী, তাৰ পিছত পৰৱৰ্তী শাৰী পূৰ কৰিবলৈ নিৰ্দেশ দিয়া, আৰু যদি কোনো শাৰী অসম্পূৰ্ণ থাকে তেন্তে সেইটো যাতে শেষৰ শাৰী হয়; কিয়নো নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

«أَلَا تَصُفُّونَ كَمَا تَصُفُّ المَلَائِكَةُ عِندَ رَبِّهَا؟»

"ফিৰিস্তাসকলে নিজ প্ৰতিপালকৰ ওচৰত যিদৰে শাৰীবদ্ধভাৱে থিয় হয় তোমালোকে সেইদৰে শাৰীবদ্ধ নহ'বানে?" তেতিয়া আমি সুধিলোঁ, 'হে আল্লাহৰ ৰাছুল,

---

[1] বুখাৰী (৭১৭), মুছলিম (৪৩৬) শব্দবোৰ মুছলিমৰ

[2] শ্বাৰাহ ছহীহ মুছলিম (নৱৱী): (৪/১৫৭)।

ফিৰিস্তাসকলে তেওঁলোকৰ প্ৰতিপালকৰ ওচৰত কেনেকৈ থিয় হয়?’ তেখেতে ক’লেঃ

«يُتِمُّونَ الصُّفُوفَ الأُوَلَ، وَيَتَرَاصُّونَ فِي الصَّفِّ»

"তেওঁলোকে প্ৰথম শাৰীবোৰ পূৰণ কৰে, আৰু শাৰীবোৰৰ মাজত কোনো ফাঁক নাৰাখে।"[1]

৪- চালাতৰ তিলাৱতত নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ অনুসৰণ কৰা। তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামৰ সাধাৰণ নিয়ম আছিল যে, তেখেতে ফজৰৰ চালাতত দীঘল ছুৰা, মাগৰিবৰ চালাতত চুটি ছুৰা, আৰু ঈশ্বা, জোহৰ আৰু আছৰ চালাতত মধ্যস্তৰীয় ছুৰা তিলাৱত কৰিছিল। এই বিষয়ে ছুলাইমান বিন ইয়াছাৰে আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণনা কৰিছে, তেওঁ কৈছে:

«مَا صَلَّيْتُ وَرَاءَ أَحَدٍ أَشْبَهَ صَلَاةً بِرَسُولِ اللَّهِ ﷺ مِنْ فُلَانٍ، قَالَ سُلَيْمَانُ: كَانَ يُطِيلُ الرَّكْعَتَيْنِ الأُولَيَيْنِ مِنَ الظُّهْرِ، وَيُخَفِّفُ الأُخْرَيَيْنِ، وَيُخَفِّفُ العَصْرَ، وَيَقْرَأُ فِي المَغْرِبِ بِقِصَارِ المُفَصَّلِ، وَيَقْرَأُ فِي العِشَاءِ بِوَسَطِ المُفَصَّلِ، وَيَقْرَأُ فِي الصُّبْحِ بِطُوَالِ المُفَصَّلِ»

"মই অমুক ব্যক্তিজনৰ বাহিৰে আন কাৰো পিছত ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ নামাজৰ দৰে নামাজ পঢ়া নাই। ছুলাইমানে কৈছে: তেওঁ জোহৰৰ প্ৰথম দুটা ৰাক’আত দীঘলীয়াকৈ আৰু পিছৰ দুটা চুটিকৈ পঢ়িছিল, আছৰৰ নামাজো চুটিকৈ পঢ়িছিল, মাগৰিবত মুফাচ্ছালৰ চুটি ছুৰা, ঈশ্বাত মুফাচ্ছালৰ

[1] মুছলিমে বৰ্ণনা কৰিছে: (430), জাবিৰ ইবনে ছামুৰা ৰাদ্বিয়াল্লাহু আনহুৰ হাদীছৰ পৰা।

মধ্যস্তৰীয় ছুৰা, আৰু ফজৰত মুফাচ্ছালৰ দীঘল ছুৰা পাঠ কৰিছিল।"[1]

আৰু মুফাচ্ছালৰ দীঘল ছুৰাসমূহ হৈছে: ছুৰা আল-হুজুৰাতৰ পৰা ছুৰা আল-বুৰুজলৈকে, আৰু মধ্যম ছুৰাসমূহ হৈছে: ছুৰা আল-বুৰুজৰ পৰা ছুৰা আল-বাইয়্যিনাহলৈকে, আৰু সৰু ছুৰাসমূহ হৈছে: ছুৰা আল-বাইয়্যিনাৰ পৰা কোৰআনৰ শেষলৈকে।[2]

## দশম বিষয়: ইমামৰ যোগ্যতা

মছজিদৰ ইমামেই হ'ল মছজিদৰ স্তম্ভ আৰু শক্তি। তেওঁৰ জৰিয়তেই মছজিদে দাৱাত প্ৰচাৰ কৰে, সমাজক সচেতন কৰে, আৰু মানুহক তেওঁলোকৰ দ্বীনি বিষয়ত জ্ঞান দান কৰে। এতেকে যদি ইমামজন আলিম হয়, বিচক্ষণ হয়, অন্তৰ্দৃষ্টি সম্পন্ন হয় আৰু মানুহৰ ৰীতি-নীতি তথা অৱস্থা সম্পৰ্কে অৱগত হয়, তেন্তে মছজিদৰ জামাত আৰু ইয়াৰ ওচৰে-পাজৰে থকা লোকসকলৰ ওপৰত তেওঁৰ প্ৰভাৱ উত্তম আৰু উপকাৰী হ'ব। কাৰণ ইমামে তেওঁলোকক শিক্ষা দিয়ে, সৎপথ দেখুৱায় আৰু সকলো ধৰণৰ কল্যাণ আৰু সৎগুণৰ পিনে পৰিচালিত কৰে।

ইমামতিৰ চৰ্তসমূহ পূৰণকাৰী ইমামসকল এনেকুৱাই আছিল। ইছলামৰ প্ৰাৰম্ভিক যুগত নবী চাল্লাল্লাহু আলাইহি অছাল্লাম স্বয়ং ইমাম আছিল, তাৰ

---

[1] নাছায়ীঃ (৯৮২), আৰু বুলুগুল মাৰামত হাফিজ ইবনে হাজাৰে ইয়াৰ চনদক ছহীহ বুলি কৈছেঃ (২৮৬)।

[2] দ্ৰষ্টব্যঃ মিৰকাত আল-মাফাতিহ (২/ ৭০০)।

পিছত তেওঁৰ খোলাফায়ে ৰাশ্বিদীন, তাৰ পিছত আমীৰসকল, সেনাপতিসকল, উলামাসকল আৰু জ্ঞানী-গুণী ব্যক্তিসকল। ইয়াৰ দ্বাৰা এইটোৱে প্ৰমাণিত হয় যে, এই দায়িত্ব পালনকাৰী ব্যক্তিজন নিশ্চিতভাৱে দীন, আখলাক, জ্ঞান আৰু আচৰণত উচ্চ মৰ্যাদাৰ অধিকাৰী হ'ব লাগিব।

ইয়াৰ দ্বাৰা মানৱ জীৱনত এই পদটোৰ গুৰুত্ব প্ৰকাশ কৰে; কিয়নো ইমামসকলৰ যোগ্যতা তেওঁলোকৰ সমাজত প্ৰতিফলিত হয়, আৰু তেওঁলোকৰ দুৰ্বলতাৰ প্ৰভাৱো সেই সমাজত প্ৰকাশ পায়। কাৰণ মছজিদেই সমাজক কথা আৰু কামত মিল ৰাখিবলৈ শিক্ষা দিয়ে। গতিকে যদি ইমামজন জ্ঞান বা বিবেক-বুদ্ধিত দুৰ্বল হয়, অথবা তেওঁৰ চৰিত্ৰ আৰু আচৰণ বেয়া হয়, তেন্তে তেওঁ উপকাৰৰ পৰিৱৰ্তে অপকাৰহে কৰে। যিহেতু ইমামৰ দায়িত্ব হৈছে নামাজীসকলক কল্যাণ, সৎকৰ্ম আৰু সততাৰ ফালে পথ প্ৰদৰ্শন কৰা, সেয়ে এজন অজ্ঞ ইমামৰ বাবে এই মহান দায়িত্ব পালন কৰাটো অত্যন্ত কঠিন হৈ পৰে।

কেতিয়াবা ইমাম এজন জ্ঞান আৰু ব্যক্তিগত সামৰ্থ্যৰ ফালৰ পৰা এই দায়িত্বৰ বাবে যোগ্য হ'ব পাৰে, কিন্তু তেওঁ আন কামত ব্যস্ত থকাৰ ফলত তেওঁৰ কৰ্মদক্ষতাৰ ওপৰত প্ৰভাৱ পৰে। ফলত তেওঁ ছালাতৰ নিৰ্ধাৰিত সময়ত পলমকৈ আহে, আৰু চালাতত পাঠ কৰিবলগীয়া ছূৰা বা আয়াতসমূহ পুনৰীক্ষণ কৰিবলৈ পৰ্যাপ্ত সময় নাপায়; সেয়েহে তেওঁক সদায় একেই

কেইটামান নির্দিষ্ট ছূৰা বা আয়াতৰ দ্বাৰাই চালাত আদায় কৰা দেখা যায়।

কেতিয়াবা প্ৰবৃত্তি, অজ্ঞানতা, বিবাদ-বিসম্বাদ নাইবা নিন্দনীয় চৰমপন্থাৰ প্ৰভাৱত পৰি তেওঁ ন্যায়নিষ্ঠা, শৈক্ষিক দিক-নির্দেশনা আৰু প্ৰজ্ঞা তথা সদুপদেশৰ জৰিয়তে আহ্বান কৰা পথৰ পৰা বিচ্যুত হয়।

ধৰ্মীয় ক্ষেত্ৰত মছজিদৰ এক মহান প্ৰভাৱ আছে; কাৰণ এইটো হৈছে হিদায়তৰ অন্যতম এটা মিনাৰ, য'ত বান্দাই নিজৰ প্ৰতিপালকৰ সৈতে সংযোগ স্থাপন কৰে, তেওঁৰ ঈমান শক্তিশালী হয়, আৰু তেওঁ নিজৰ ভাইসকলৰ লগত একত্ৰিত হয় যাতে সকলোৱে মিলি সৎকামৰ প্ৰচাৰ আৰু অসৎকামৰ বিৰুদ্ধে সংগ্ৰাম কৰিব পাৰে। মছজিদে এই ভূমিকা তেতিয়ালৈকে পালন কৰিবলৈ সক্ষম নহয়, যেতিয়ালৈকে মহান আল্লাহে ইয়াৰ বাবে এনেকুৱা এজন ইমাম নিযুক্ত নকৰে, যাৰ মাজত এই মহান পদত অধিষ্ঠিত হোৱাৰ বাবে প্ৰয়োজনীয় জ্ঞান আৰু নৈতিক গুণাৱলী বিদ্যমান থাকে, আৰু যিয়ে এই মহৎ দায়িত্বসমূহ পালন কৰে।

## ইমামৰ প্ৰধান জ্ঞানভিত্তিক অৰ্হতাসমূহ:

১- নির্ভেজালভাৱে ইখলাচৰ সৈতে একমাত্ৰ আল্লাহৰ বাবে আমল কৰা; যাতে সেই আমলটো আল্লাহ আৰু মানুহৰ ওচৰত সহায়প্ৰাপ্ত, বিজয়প্ৰাপ্ত, গৃহীত আৰু প্ৰিয়পাত্ৰ হয়।

২ - ৰিয়া (লোকক দেখুৱা) আৰু অহংকাৰৰ পৰা বিৰত থকা; কিয়নো আমলসমূহ নিয়্যতৰ ওপৰতহে

নিৰ্ভৰশীল, আৰু প্ৰতিজন ব্যক্তিয়ে সেইটোৱে লাভ কৰে যিটো তেওঁ নিয়্যত কৰে। আনহাতে যিয়ে নিজৰ মাজত নথকা গুণৰ ভাও জুৰে, আল্লাহে তাক অপমানিত কৰে।

৩- তেওঁ পৱিত্ৰ কোৰআনৰ হাফিজ হ'ব লাগিব, অথবা ইয়াৰ কিছু অংশ মুখস্থ থাকিব লাগিব, আৰু মুখস্থখিনিৰ নিয়মীয়া চৰ্চাৰ লগতে দৈনিক কোৰআন তিলাৱত কৰা হ'ব লাগিব।

৪- ৰিয়াজুছ চলেহীন, বা আল-আৰবাঈন আন-নাৱবিয়্যা, বা বুলুগুল মাৰাম, অথবা অন্য কোনো নিৰ্ভৰযোগ্য হাদীছ গ্ৰন্থৰ পৰা কিছুসংখ্যক হাদীছ মুখস্থ থাকিব লাগিব।

৫- ছহীহ আকীদাৰ শিক্ষাৰে শিক্ষিত হ'ব লাগিব, অৰ্থাৎ ছালাফে চলেহীনৰ আকীদা শিকিব লাগিব।

৬ - দ্বীনি বিধানসমূহৰ ফিকহ, বিশেষকৈ ইবাদত সম্পৰ্কীয় ফিকহ, যাৰ মাজত আটাইতকৈ গুৰুত্বপূৰ্ণ হৈছে পৱিত্ৰতা, চালাত, যাকাত আৰু চওম, লগতে লেনদেন সম্পৰ্কীয় ফিকহৰ জ্ঞান অৰ্জন কৰা; যাতে তেওঁ উপাৰ্জন আৰু ব্যয়ৰ নিয়ম-নীতিসমূহ জানিব পাৰে, আৰু মানুহক প্ৰতাৰণা, ঠগবাজি আৰু বাতিল পন্থাত আনৰ ধন-সম্পদ লোৱাৰ পৰা সতৰ্ক কৰিব পাৰে। লগতে তেওঁলোকক অপচয়, অপব্যয়, কৃপণতা আৰু সংকীৰ্ণতাৰ পৰা সতৰ্ক কৰিব পাৰে, যাতে তেওঁলোকৰ আৰ্থিক লেনদেনসমূহ কোৰআন আৰু ছুন্নাহৰ আলোকত পৰিচালিত হয়।

৭- আল্লাহে তেওঁৰ ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওপৰত অৱতীৰ্ণ কৰা বাণীৰ অৰ্থ জনাৰ বাবে আৰবী ভাষাত পাৰদৰ্শী হ'ব লাগিব, কাৰণ কোৰআন আৰবী ভাষাত অৱতীৰ্ণ হৈছে।

৮- নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ জীৱনী, মুহাম্মদী গুণাৱলী, আৰু সৎ পূৰ্বসূৰীসকলৰ জীৱন-চৰিত অধ্যয়ন কৰা; কিয়নো এইবোৰৰ মাজত আছে সৎ আদৰ্শ, উত্তম চানেকি, উপকাৰী জ্ঞানৰ ভঁৰাল, আৰু উচ্চস্তৰীয় ইছলামী শিক্ষা।

৯. নিজ দেশৰ আৰু অন্যান্য ঠাইৰ বিশুদ্ধ আক্বীদা, ইল্ম আৰু প্ৰজ্ঞাসম্পন্ন সুপ্ৰতিষ্ঠিত পণ্ডিতসকলৰ বিষয়ে জনা আৰু দ্বীনৰ প্ৰয়োজনীয় বিষয়সমূহ আৰু সমাজৰ সমস্যাৱলীৰ সমাধানৰ বাবে তেওঁলোকৰ ওচৰত প্ৰত্যাৱৰ্তন কৰা।

১০ - ইছলামী ফিৰ্কাসমূহ আৰু সিহঁতৰ আকীদা, বৈচাৰিক ধাৰাসমূহ আৰু সিহঁতৰ উদ্দেশ্য, আৰু ধ্বংসাত্মক মতবাদসমূহ আৰু সিহঁতৰ লক্ষ্য সম্পৰ্কে জ্ঞান অৰ্জন কৰা, যাতে পৱিত্ৰ কোৰআন, ৰাছুল (চাল্লাল্লাহু আলাইহি অছাল্লাম)-ৰ ছুন্নত আৰু সত্যনিষ্ঠ মুছলিম উলামাসকলৰ লিখনিৰ আলোকত সেইবোৰৰ বিষয়ে আলোচনা-সমালোচনা কৰিব পাৰে, সিহঁতৰ মিছা আৰু ভণ্ডামিক খণ্ডন কৰিব পাৰে, আৰু সিহঁতৰ বাতিল আক্বীদাৰ পৰা (মানুহক) সতৰ্ক কৰিব পাৰে।

১১- বিভিন্ন সংবাদ মাধ্যমৰ সৈতে পৰিচিত হোৱা, ইয়াৰ ইতিবাচক আৰু নেতিবাচক দিশসমূহ জনা,

আল্লাহৰ ফালে আহ্বানৰ কামত তাৰ পৰা কেনেকৈ উপকৃত হ'ব পাৰি সেয়া শিকা, আৰু নিজৰ তথা সমাজৰ বাবে তাত থকা বিপদসমূহৰ পৰা সতৰ্ক থকা।

এইবোৰ গুণ যেতিয়া মছজিদৰ ইমামৰ মাজত বিদ্যমান থাকিব, তেতিয়া ইয়াৰ ফলত মহান আল্লাহৰ অনুমতিক্ৰমে স্থিৰতা আৰু ভাৰসাম্যতা স্থাপন কৰিব।

## আৰু প্ৰধান চৰিত্ৰগত গুণসমূহ হৈছে:

১- মছজিদৰ ইমামজন, মছজিদৰ জামা'আতত চামিল হোৱা লোকসকলৰ বাবে, ওচৰ-চুবুৰীয়া তথা মছজিদলৈ অহা-যোৱা কৰা অন্যান্য লোকসকলৰ বাবে এজন দা'ঈ আৰু শিক্ষক হোৱা উচিত। তেওঁ ৰাছুলুল্লাহ চাল্লাল্লাহু 'আলাইহি অছাল্লামক আদৰ্শ হিচাপে গ্ৰহণ কৰা ওৱাজিব; কাৰণ তেখেতেই হৈছে উত্তম আদৰ্শ, সৰ্বশ্ৰেষ্ঠ অনুকৰণীয় ব্যক্তিত্ব আৰু উম্মত তথা নেতাসকলৰ বাবে সৰ্বোত্তম আদৰ্শ। মহান আল্লাহে কৈছে:

﴿لَّقَدۡ كَانَ لَكُمۡ فِي رَسُولِ ٱللَّهِ أُسۡوَةٌ حَسَنَةٞ لِّمَن كَانَ يَرۡجُواْ ٱللَّهَ وَٱلۡيَوۡمَ ٱلۡأٓخِرَ وَذَكَرَ ٱللَّهَ كَثِيرٗا21﴾

"নিশ্চয় তোমালোকৰ মাজৰ যিসকলে আল্লাহৰ (সন্তুষ্টি কামনা কৰে) আৰু আখিৰাতৰ (ভাল ফলাফল) আশা কৰে, লগতে আল্লাহক বেছি বেছি স্মৰণ কৰে, তেওঁলোকৰ বাবে আল্লাহৰ ৰাছুলৰ (চৰিত্ৰৰ) মাজত আছে উত্তম আদৰ্শ।" (ছুৰা আল-আহঝাবঃ ২১)

নিজকে আৰু মছজিদৰ মুছল্লীসকলক দুনিয়াবী আৰু ৰাজনৈতিক আলোচনাৰ পৰা আঁতৰাই ৰখা

উচিত, আৰু মছজিদক কেৱল ইল্ম আৰু ইবাদতৰ বাবে সীমাবদ্ধ ৰখা উচিত।

২- নিজে পৰিষ্কাৰ-পৰিচ্ছন্ন আৰু পৰিপাটি হ'ব লাগিব। লগতে মছজিদৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতি যত্ন ল'ব লাগিব, ইয়াৰ সামগ্ৰীসমূহ শৃংখলাবদ্ধভাৱে সজাই ৰাখিব লাগিব আৰু আনুষংগিক বস্তুসমূহৰ ৰক্ষণাবেক্ষণ কৰিব লাগিব। তদুপৰি এই ক্ষেত্ৰত অপব্যয় কৰাৰ পৰা বিৰত থাকিব লাগিব আৰু মছজিদৰ সাজ-সজ্জা পৰিহাৰ কৰিব লাগিব।

৩- উত্তম আচৰণ আৰু সৎ পথৰ অনুগামী হ'ব লাগিব, নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ছুন্নত অনুসৰি দাড়ি ৰাখিব আৰু মোচ চুটি কৰিব লাগিব, কাপোৰ গোৰোহাৰ তললৈ ওলোমাই পিন্ধাৰ পৰা বিৰত থাকিব লাগিব, গাম্ভীৰ্য আৰু প্ৰশান্তি অৱলম্বন কৰিব লাগিব, আৰু সৎকৰ্মপৰায়ণ পূৰ্বসূৰীসকলৰ (ৰাহিমাহুমুল্লাহ) পথ অনুসৰণ কৰিব লাগিব।

৪- নম্ৰ ব্যৱহাৰকাৰী, সহনশীল আৰু দয়ালু হ'ব লাগিব; কাৰণ নম্ৰ ব্যৱহাৰে যিকোনো বিষয়কে সৌন্দৰ্যময় কৰে। আনহাতে যিটো বিষয়ত কোমলতা বা নম্ৰতা নাথাকে সেইটো কলুষিত হৈ পৰে, যিদৰে এই বিষয়ে হাদীছত বৰ্ণিত হৈছে; আইশ্বা ৰাদ্বিয়াল্লাহু 'আনহাৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

«إِنَّ الرِّفْقَ لَا يَكُونُ فِي شَيْءٍ إِلَّا زَانَهُ، وَلَا يُنْزَعُ مِنْ شَيْءٍ إِلَّا شَانَهُ»

"নিশ্চয় নম্র ব্যৱহাৰে যিকোনো বিষয়কে সৌন্দৰ্যময় কৰে। আনহাতে যিটো বিষয়ত কোমলতা বা নম্ৰতা নাথাকে সেইটো কলুষিত হৈ পৰে।"[1]

এতেকে মছজিদলৈ অহা কোনো ব্যক্তিৰ পৰা যদি ভুল হয়, তেন্তে ইমামে তেওঁক তিৰস্কাৰ কৰা উচিত নহয়; বৰং তেওঁক নম্ৰতাৰে উপদেশ দিব লাগে; আৰু উত্তম পন্থাৰে শিকাই-বুজাই দিয়া উচিত। মুআৱিয়া বিন হাকাম আছ-ছুলামী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ

بَيْنَمَا أَنَا أُصَلِّي مَعَ رَسُولِ اللَّهِ ﷺ؛ إِذْ عَطَسَ رَجُلٌ مِنَ القَوْمِ، فَقُلتُ: يَرْحَمُكَ اللَّهُ، فَرَامَنِي القَوْمُ بِأَبْصَارِهِمْ، فَقُلتُ: وَاثُكْلَ أُمِّياه، مَا شَأْنُكُمْ تَنظُرُونَ إِلَيَّ؟ فَجَعَلُوا يَضْرِبُونَ بِأَيْدِيهِمْ عَلَى أَفْخَاذِهِمْ، فَلَمَّا رَأَيْتُهُمْ يُصَمِّتُونَنِي لَكِنِّي سَكَتُّ، فَلَمَّا صَلَّى رَسُولُ اللَّهِ ﷺ، فَبِأَبِي هُوَ وَأُمِّي، مَا رَأَيْتُ مُعَلِّمًا قَبْلَهُ وَلَا بَعْدَهُ أَحْسَنَ تَعْلِيمًا مِّنْهُ، فَوَاللَّهِ مَا كَهَرَنِي -أَيْ: مَا قَهَرَنِي وَلَا نَهَرَنِي- وَلَا ضَرَبَنِي وَلَا شَتَمَنِي، قَالَ: «إِنَّ هَذِهِ الصَّلَاةَ لَا يَصْلُحُ فِيهَا شَيْءٌ مِنْ كَلَامِ النَّاسِ، إِنَّمَا هِيَ التَّسْبِيحُ وَالتَّكْبِيرُ وَقِرَاءَةُ القُرْآنِ»

মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ লগত নামাজ পঢ়ি আছিলোঁ; তেনেতে জামাআতত থকা এজন ব্যক্তিয়ে হাঁচি মাৰিলে। তেতিয়া মই ক'লোঁঃ য়াৰহামুকাল্লাহ। এই কথা শুনি লোকসকলে মোৰ ফালে চাবলৈ ধৰিলে। মই ক'লোঁঃ হায় মোৰ দুৰ্ভাগ্য! তোমালোকৰ কি হ'ল, মোৰ ফালে এনেকৈ চাই আছা কিয়? তেতিয়া তেওঁলোকে নিজৰ হাতেৰে নিজৰ ঊৰুত চপৰিয়াবলৈ ধৰিলে। যেতিয়া মই তেওঁলোকক দেখিলোঁ যে, তেওঁলোকে মোক মনে মনে থাকিবলৈ ইংগিত দি

[1] (মুছলিমঃ ২৫৯৪)

আছে, তেতিয়া মই মনে মনে থাকিলোঁ। যেতিয়া ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে নামাজ শেষ কৰিলে, -মোৰ পিতৃ-মাতৃ তেখেতৰ প্ৰতি কুৰবান হওক- মই তেখেততকৈ উত্তমভাৱে শিক্ষা প্ৰদান কৰা কোনো শিক্ষক তেখেতৰ আগতেও দেখা নাই আৰু পিছতো দেখা নাই। আল্লাহৰ শপত, তেখেতে মোক ধমক দিয়া নাছিল, মাৰ-পিটো কৰা নাছিল আৰু গালি-গালাজো কৰা নাছিল। তেখেতে ক'লেঃ «নিশ্চয় নামাজত মানুহে কোনো ধৰণৰ কথা-বতৰা কোৱা উচিত নহয়। ইয়াত কেৱল তাছবীহ, তাকবীৰ আৰু কোৰআন তিলাৱত কৰিব লাগে।»[1]

৫- নম্ৰ আৰু কোমল অন্তৰৰ অধিকাৰী হ'ব লাগে; যাতে মানুহে তেওঁৰ চৌপাশে একত্ৰিত হ'ব পাৰে আৰু তেওঁৰ মৰম-স্নেহ, সহায় আৰু জ্ঞানৰ দ্বাৰা উপকৃত হ'ব পাৰে। লগতে তেওঁলোকৰ বিপদ-আপদ আৰু প্ৰয়োজনত তেওঁলোকৰ কাষত থিয় দিব লাগে, আৰু মছজিদৰ বাৰ্তা সম্পৰ্কীয় বিষয়ত তেওঁলোকৰ সৈতে পৰামৰ্শ কৰিব লাগে।

এইবোৰ বিষয়ত ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লাম আছিল সৰ্বোচ্চ স্থানত, যিদৰে তেখেতৰ বিষয়ে মহান আল্লাহে কৈছেঃ

﴿فَبِمَا رَحۡمَةٖ مِّنَ ٱللَّهِ لِنتَ لَهُمۡۖ وَلَوۡ كُنتَ فَظًّا غَلِيظَ ٱلۡقَلۡبِ لَٱنفَضُّواْ مِنۡ حَوۡلِكَۖ فَٱعۡفُ عَنۡهُمۡ وَٱسۡتَغۡفِرۡ لَهُمۡ وَشَاوِرۡهُمۡ فِي ٱلۡأَمۡرِۖ فَإِذَا عَزَمۡتَ فَتَوَكَّلۡ عَلَى ٱللَّهِۚ إِنَّ ٱللَّهَ يُحِبُّ ٱلۡمُتَوَكِّلِينَ159﴾

---

[1] (মুছলিমঃ ৫৩৭)

"এতেকে আল্লাহৰ কৃপাত তুমি সিহঁতৰ প্ৰতি কোমল-হৃদয় হৈছিলা; যদি তুমি ৰূঢ় আৰু কঠোৰচিত্ত হ’লাহেঁতেন তেন্তে সিহঁত নিশ্চয় তোমাৰ সঙ্গ ত্যাগ কৰিলেহেঁতেন। এতেকে তুমি সিহঁতক ক্ষমা কৰি দিয়া আৰু সিহঁতৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰা আৰু কাম-কাজৰ বাবে সিহঁতৰ লগত পৰামৰ্শ কৰা, তাৰ পিছত তুমি কোনো সংকল্প কৰিলে আল্লাহৰ ওপৰত নিৰ্ভৰ কৰা; নিশ্চয় আল্লাহে (তেওঁৰ ওপৰত) নিৰ্ভৰকাৰীসকলক ভালপায়।" (ছুৰা আলে-ইমৰাণঃ ১৫৯)

৬- ধৈৰ্য্য, পূৰ্ণবিশ্বাস আৰু নিজৰ কথাত সত্যবাদী আদি গুণেৰে গুণান্বিত হ'ব লাগে; যাতে তেওঁ নিজৰ মছজিদ আৰু জামাতৰ মাজত ইমামতি কৰিব পৰা সন্মানৰ যোগ্য হয়। কিয়নো ধৈৰ্য্য আৰু পূৰ্ণবিশ্বাসে এজন বান্দাক ধৰ্মীয় ক্ষেত্ৰত ইমামতিৰ মৰ্যাদালৈ উপনীত কৰায়। মহান আল্লাহে কৈছে:

﴿وَجَعَلۡنَا مِنۡهُمۡ أَئِمَّةٗ يَهۡدُونَ بِأَمۡرِنَا لَمَّا صَبَرُواْۖ وَكَانُواْ بِـَٔايَٰتِنَا يُوقِنُونَ24﴾

"আৰু আমি সিহঁতৰ মাজৰ পৰা বহু কেইজন নেতা মনোনীত কৰিছিলোঁ, তেওঁলোকে আমাৰ নিৰ্দেশ অনুযায়ী সৎপথ প্ৰদৰ্শন কৰিছিল, যিহেতু তেওঁলোকে ধৈৰ্য্য ধাৰণ কৰিছিল; আৰু তেওঁলোকে আমাৰ আয়াতসমূহৰ প্ৰতি দৃঢ় বিশ্বাস পোষণ কৰিছিল।" (ছুৰা আছ্-ছাজদাহঃ ২৪)

৭- তেওঁ কোৱা কথাত সত্যবাদী হোৱাটো জৰুৰী, সেয়া জুমুআৰ খুতবাতেই হওক, শিক্ষা আৰু উপদেশমূলক পাঠদানতেই হওক, অথবা মানুহৰ সৈতে

হোৱা কথা-বতৰাতেই হওক; যাতে তেওঁ সত্যবাদী, সৎপথপ্ৰাপ্ত আৰু সফলকামসকলৰ অন্তৰ্ভুক্ত হ'ব পাৰে। কাৰণ হাদীছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা বৰ্ণিত আছে যে, তেওঁ কৈছে:

«عَلَيْكُمْ بِالصِّدْقِ؛ فَإِنَّ الصِّدْقَ يَهْدِي إِلَى البِرِّ، وَإِنَّ البِرَّ يَهْدِي إِلَى الجَنَّةِ، وَمَا يَزَالُ الرَّجُلُ يَصْدُقُ وَيَتَحَرَّى الصِّدْقَ حَتَّى يُكْتَبَ عِندَ اللَّهِ صِدِّيقًا، وَإِيَّاكُمْ وَالكَذِبَ، فَإِنَّ الكَذِبَ يَهْدِي إِلَى الفُجُورِ، وَإِنَّ الفُجُورَ يَهْدِي إِلَى النَّارِ، وَمَا يَزَالُ الرَّجُلُ يَكْذِبُ وَيَتَحَرَّى الكَذِبَ حَتَّى يُكْتَبَ عِندَ اللَّهِ كَذَّابًا»

"তোমালোকে সত্যক অনিবাৰ্যৰূপে অৱলম্বন কৰা, কাৰণ সত্যই নেকীৰ পথ দেখুৱায়, আৰু নেকীয়ে জান্নাতৰ পথত পৰিচালিত কৰে। মানুহে যেতিয়া সদায় সত্য কথা কয় আৰু সত্যৰ সন্ধানত থাকে, তেতিয়া আল্লাহৰ ওচৰত তাক সত্যবাদী বুলি লিপিবদ্ধ কৰা হয়। আৰু তোমালোকে মিছা কথাৰ পৰা বিৰত থাকা, কাৰণ মিছা কথাই মানুহক পাপকৰ্মৰ পথ দেখুৱায়, আৰু পাপকৰ্মই মানুহক জাহান্নামত লৈ যায়। মানুহে যেতিয়া সদায় মিছা কথা কয় আৰু মিছাৰ সন্ধানত থাকে, অৱশেষত আল্লাহৰ ওচৰত তাক মিছলীয়া বুলি লিপিবদ্ধ কৰা হয়।"[1]

মিছা কথা হৈছে এক প্ৰকাৰ অনিষ্ট আৰু বিপদ, আৰু আটাইতকৈ ডাঙৰ মিছা কথা হৈছে আল্লাহৰ প্ৰতি মিছা আৰোপ কৰা আৰু জ্ঞান নোহোৱাকৈ তেওঁৰ বিষয়ে কিবা কথা কোৱা। মহান আল্লাহে কৈছে:

---

1 (বুখাৰীঃ ৬০৯৪, মুছলিমঃ ২৬০৭, হাদীছটো আব্দুল্লাহ বিন মাছঊদৰ দ্বাৰা বৰ্ণিত।)

﴿قُلۡ إِنَّمَا حَرَّمَ رَبِّيَ ٱلۡفَوَٰحِشَ مَا ظَهَرَ مِنۡهَا وَمَا بَطَنَ وَٱلۡإِثۡمَ وَٱلۡبَغۡيَ بِغَيۡرِ ٱلۡحَقِّ وَأَن تُشۡرِكُواْ بِٱللَّهِ مَا لَمۡ يُنَزِّلۡ بِهِۦ سُلۡطَٰنٗا وَأَن تَقُولُواْ عَلَى ٱللَّهِ مَا لَا تَعۡلَمُونَ 33﴾

"কোৱা, 'নিশ্চয় মোৰ প্ৰতিপালকে প্ৰকাশ্য আৰু গোপন উভয় প্ৰকাৰ অশ্লীলতাক হাৰাম কৰিছে, আৰু (এইদৰে হাৰাম কৰিছে) পাপকৰ্ম কৰা আৰু অন্যায়ভাৱে সীমালংঘন কৰা আৰু কোনো বস্তুক আল্লাহৰ অংশীদাৰ স্থাপন কৰাক—যাৰ কোনো দলীল-প্ৰমাণ আল্লাহে অৱতীৰ্ণ কৰা নাই; আৰু আল্লাহ সম্পৰ্কে এনে কোনো কথা কোৱাটোও (হাৰাম) যিটো তোমালোকে নাজানা'।" (ছুৰা আল-আৰাফঃ ৩৩)

এই মহিমান্বিত আয়াতটোৱে আটাইতকৈ ডাঙৰ গুনাহবোৰক একত্ৰিত কৰিছে, যিবোৰ নিম্ন পৰ্যায়ৰ পৰা আৰম্ভ কৰি উচ্চ পৰ্যায়লৈ ক্ৰমান্বয়ে উল্লেখ কৰা হৈছে। সেইবোৰৰ ভিতৰত শীৰ্ষস্থানীয় গুনাহটো হৈছে, আল্লাহৰ আচমা অচ্ছিফাত আৰু তেওঁৰ বিধান সম্পৰ্কে জ্ঞান অবিহনে কথা কোৱা।

এইদৰে ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওপৰত মিছা আৰোপ কৰাটোও হৈছে আটাইতকৈ ডাঙৰ মিছা আৰু নিকৃষ্ট গুনাহসমূহৰ অন্যতম। এইটো এনেকুৱা এটা কবীৰাহ গুনাহ, যি গুনাহ কৰা ব্যক্তিক জাহান্নামৰ ভাবুকি দিয়া হৈছে। আল-মুগীৰা ইবনে শু'বাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে: মই নবী চাল্লাল্লাহু আলাইহি অছাল্লামক কোৱা শুনিছোঁ:

«إِنَّ كَذِبًا عَلَيَّ لَيْسَ كَذِبًا عَلَىٰ أَحَدٍ، مَنْ كَذَبَ عَلَيَّ مُتَعَمِّدًا، فَلْيَتَبَوَّأْ مَقْعَدَهُ مِنَ النَّارِ»

"নিশ্চয় মোৰ বিষয়ে মিছা কথা কোৱা, আন কাৰোবাৰ বিষয়ে মিছা কথা কোৱাৰ দৰে নহয়। যিয়ে জানি বুজি মোৰ বিষয়ে মিছা কথা ক'ব, সি যেন নিজৰ ঠিকনা জাহান্নামত বনাই লয়।"[1]

ভাল কামৰ প্ৰতি উৎসাহিত কৰা আৰু বেয়া কামৰ পৰা সতৰ্ক কৰাৰ দৰে সৎ উদ্দেশ্য থাকিলেও মিছা কথা পৰিহাৰ কৰা উচিত, যিদৰে কিছুমান বক্তাই কৰি থাকে। কাৰণ এইটো হৈছে এটা ঘৃণনীয় কাম, যাৰ মাজত কোনো কল্যাণ বা হিদায়ত নাই। এনে কথা কোৱাজন পুৰস্কৃত হোৱাৰ পৰিৱৰ্তে পাপকৰ্মৰ ভাগী হয়, আৰু লাভৱান হোৱাৰ সলনি গুনাহগাৰ সাব্যস্ত হয়।

৮- কথা পৰিৱেশন কৰাৰ ক্ষেত্ৰত আমানতদাৰ হ'ব লাগিব, সংবাদৰ সত্যতা নিৰূপণ কৰা, গুজৱ গ্ৰহণত খৰখেদা নকৰা, আৰু কেৱল বিশ্বাসযোগ্য কথাৰ ওপৰতহে নিৰ্ভৰ কৰা। মহান আল্লাহে এই বিষয়ে তেওঁৰ এই বাণীত আমাক আদেশ দিছে:

﴿يَٰٓأَيُّهَا ٱلَّذِينَ ءَامَنُوٓاْ إِن جَآءَكُمۡ فَاسِقُۢ بِنَبَإٖ فَتَبَيَّنُوٓاْ أَن تُصِيبُواْ قَوۡمَۢا بِجَهَٰلَةٖ فَتُصۡبِحُواْ عَلَىٰ مَا فَعَلۡتُمۡ نَٰدِمِينَ6﴾

"হে ঈমান্দাৰসকল! যদি কোনো ফাছিক্বে তোমালোকৰ ওচৰলৈ কোনো বাৰ্তা লৈ আহে, তেন্তে তোমালোকে সেয়া পৰীক্ষা কৰি চাবা, যাতে এনে নহয় যে, অজ্ঞতাবশতঃ তোমালোকে কোনো সম্প্ৰদায়ক আক্ৰমণ কৰি পেলাবা, যাৰ ফলত তোমালোকে নিজৰ

---

[1] (বুখাৰীঃ ১২৯১, আৰু মুছলিমঃ ৪)

কৃতকৰ্মৰ বাবে অনুতপ্ত হ'ব লাগিব।" (ছুৰা আল-হুজুৰাতঃ ৬)

৯- মানুহৰ দোষ-ক্ৰুটি ঢাকি ৰাখিবলৈ যথাসাধ্য চেষ্টা কৰিব লাগিব আৰু তেওঁলোকৰ গোপন কথা গোপন ৰাখিব লাগিব। কিয়নো যিয়ে কোনো মুছলিমৰ দোষ-ক্ৰুটি গোপন কৰে, আল্লাহে পৃথিৱী আৰু আখিৰাতত তেওঁৰ দোষ-ক্ৰুটি গোপন ৰাখিব। আনহাতে যিয়ে মুছলিমসকলৰ দোষ-ক্ৰুটি অনুসন্ধান কৰি ফুৰে, আল্লাহেও তাৰ দোষ-ক্ৰুটি অনুসন্ধান কৰিব, আৰু অৱশেষত তাক অপমানিত কৰিব, আনকি সি নিজৰ ঘৰৰ ভিতৰত থাকিলেও। আব্দুল্লাহ বিন ওমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত যে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

«مَنْ سَتَرَ مُسْلِمًا سَتَرَهُ اللَّهُ يَوْمَ الْقِيَامَةِ»

"যিয়ে কোনো মুছলিম ব্যক্তিৰ দোষ গোপন কৰিব, আল্লাহে কিয়ামতৰ দিনা তাৰ দোষ গোপন ৰাখিব।"[1].

আবূ বাৰঝাহ আল-আছলামী ৰাদ্বিয়াল্লাহু 'আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«يَا مَعْشَرَ مَنْ آمَنَ بِلِسَانِهِ وَلَمْ يَدْخُلِ الإِيمَانُ قَلْبَهُ، لَا تَغْتَابُوا الْمُسْلِمِينَ، وَلَا تَتَّبِعُوا عَوْرَاتِهِمْ؛ فَإِنَّ مَنِ اتَّبَعَ عَوْرَاتِهِمْ يَتَّبِعُ اللَّهُ عَوْرَتَهُ، وَمَنْ يَتَّبِعِ اللَّهُ عَوْرَتَهُ يَفْضَحْهُ فِي بَيْتِهِ»

"হে সেইসকল লোক, যিসকলে মুখেৰে ঈমান আনিছা কিন্তু অন্তৰত এতিয়াও ঈমান প্ৰৱেশ কৰা নাই।

[1] (বুখাৰীঃ ২৪৪২, আৰু মুছলিমঃ ২৫৮০)

তোমালোকে মুছলিমসকলৰ সমালোচনা নকৰিবা, তেওঁলোকৰ গোপন দোষ খুচৰি নুফুৰিবা। কিয়নো যিয়ে তেওঁলোকৰ গোপন দোষ অনুসন্ধান কৰিব, আল্লাহে তাৰ গোপন দোষ অনুসন্ধান কৰিব। শুনা! যাৰ গোপন দোষ আল্লাহে অনুসন্ধান কৰিব, তেওঁ সেই ব্যক্তিক তাৰ ঘৰৰ ভিতৰত হ'লেও অপমান কৰিহে এৰিব।"[1]

## তৃতীয় আলোচনা: জুমুআৰ চালাত আৰু খুতবা

### প্ৰথম বিষয়: জুমুআৰ চালাত

### প্ৰথম: জুমুআৰ চালাতৰ তাৎপৰ্য আৰু ইয়াৰ সময়:

প্ৰথম: জুমুআৰ চালাতৰ তাৎপৰ্য:

জুমুআঃ সপ্তাহৰ এটা বিশেষ দিন, য'ত এক বিশেষ চালাত আদায় কৰা হয়, সেইটোকে জুমুআৰ চালাত বোলে।[2]

মহান আল্লাহে এই উম্মতক জুমুআৰ দিনৰ হিদায়ত প্ৰদান কৰাটো হৈছে এক মহা অনুগ্ৰহ ফজল। আবু হুৰাইৰা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত যে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

---

[1] (আবু দাউদঃ ৪৮৮০), আৰু এই গুণাৱলীসমূহৰ বাবে শ্বাইখ ছউদ বিন মুহাম্মদ আল-বিশ্বৰৰ কিতাপ 'ইমামুল মছজিদঃ মুকাওৱিমাতুহু আল-ইল্মিয়্যাহ অল খুলুক্বিয়্যাহ' চাওক।

[2] দ্ৰষ্টব্যঃ মুহাম্মাদ ৰাওৱাছ ক্বাল'আজিৰ মু'জামু লুগাতিল ফুক্বাহা আৰু অন্যান্য (পৃঃ ১৬৬)।

«نَحْنُ الآخِرُونَ السَّابِقُونَ يَوْمَ القِيَامَةِ، بَيْدَ -أَيْ: غَيْرَ- أَنَّهُمْ أُوتُوا الكِتَابَ مِنْ قَبْلِنَا، وَأُوتِينَاهُ مِنْ بَعْدِهِمْ، وَهَذَا يَوْمُهُمْ الَّذِي فُرِضَ عَلَيْهِمْ فَاخْتَلَفُوا فِيهِ، فَهَدَانَا اللَّهُ لَهُ، فَهُمْ لَنَا فِيهِ تَبَعٌ، فَالْيَهُودُ غَدًا، وَالنَّصَارَىٰ بَعْدَ غَدٍ»

"আমি (পৃথিৱীলৈ আগমনৰ ক্ষেত্ৰত) সৰ্বশেষ, কিন্তু কিয়ামতৰ দিনা সৰ্বপ্ৰথম। নিশ্চয় সিহঁতক আমাৰ পূৰ্বে কিতাব দিয়া হৈছিল, আৰু আমাক দিয়া হৈছে সিহঁতৰ পাছত। এইটোৱেই আছিল সিহঁতৰ সেই দিৱস (শুক্ৰবাৰ) যিটো সিহঁতৰ ওপৰত ফৰজ কৰা হৈছিল, কিন্তু সিহঁতে এই বিষয়ে মতানৈক্য কৰিছিল। ফলত আল্লাহে আমাক ইয়াৰ হিদায়ত প্ৰদান কৰিলে, সেয়েহে এই ক্ষেত্ৰত সিহঁত আমাৰ অনুগামী। এতেকে ইয়াহুদীসকলৰ দিন হৈছে অহাকালি (শনিবাৰ), আৰু খ্ৰীষ্টানসকলৰ দিন হৈছে পৰহি (দেওবাৰ)।"[1]

আৰু জুমুআৰ দিন হৈছে সূৰ্য্য উদয় হোৱা দিনসমূহৰ ভিতৰত সৰ্বোত্তম দিন; আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«خَيْرُ يَوْمٍ طَلَعَتْ عَلَيْهِ الشَّمْسُ يَوْمُ الجُمُعَةِ، فِيهِ خُلِقَ آدَمُ، وَفِيهِ أُدْخِلَ الجَنَّةَ، وَفِيهِ أُخْرِجَ مِنْهَا»

«সূৰ্য্য উদয় হোৱা দিনসমূহৰ মাজত উত্তম দিন হৈছে জুমুআৰ দিন। জুমুআৰ দিনাই আদমক সৃষ্টি কৰা হৈছে আৰু এই দিনাই তেওঁক জান্নাতত প্ৰৱেশ কৰোৱা

[1] (বুখাৰীঃ ৮৭৬, আৰু মুছলিমঃ ৮৫৫)

হৈছিল, আৰু জুমুআৰ দিনাই তেওঁক তাৰ পৰা বহিষ্কাৰ কৰা হৈছে।»[1]

এটা জুমু'আৰ পৰা আনটো জুমু'আ হৈছে ইয়াৰ মধ্যৱৰ্তী গুনাহসমূহৰ কাফফাৰা; যিহেতু আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত আছে যে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

«الصَّلَوَاتُ الخَمْسُ، وَالجُمُعَةُ إِلَى الجُمُعَةِ، وَرَمَضَانُ إِلَى رَمَضَانَ، مُكَفِّرَاتٌ مَا بَيْنَهُنَّ إِذَا اجْتُنِبَتِ الكَبَائِرُ»

"পাঁচ ওৱাক্ত চালাত, এটা জুমু'আৰ পৰা আনটো জুমু'আ তথা এটা ৰামাজানৰ পৰা আনটো ৰামাজান, এইবোৰ হৈছে সেইবোৰ গুনাহৰ কাফফাৰা যিবোৰ ইয়াৰ মধ্যৱৰ্তী সময়ত হৈ থাকে, যদিহে কবীৰা গুনাহৰ পৰা বিৰত থকা হয়।"[2]

জুমুআৰ চালাত: এইটো হৈছে এটা সুকীয়া চালাত, ৰাকাত সংখ্যা, উচ্চস্বৰে কিৰাত পঢ়া, খুতবা আৰু ইয়াৰ চৰ্তসমূহত জোহৰৰ চালাততকৈ ভিন্ন; কিন্তু ওৱাক্তৰ ক্ষেত্ৰত মিল আছে।

দ্বিতীয়: জুমুআৰ চালাতৰ সময়:

জুমুআৰ সময় হৈছে জোহৰৰ সময়, যিটো সূৰ্য্য মূৰৰ ওপৰৰ পৰা পশ্চিম দিশত ঢাল খোৱাৰ পিছত আৰম্ভ হয়। আনাছ ইবনে মালিক ৰাদ্বিয়াল্লাহু আনহুৰ হাদীছত আছে যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জুমুআৰ

---

[1] (মুছলিমঃ ৮৫৪)

[2] (মুছলিমঃ ২৩৩)

নামাজ তেতিয়া পঢ়িছিল যেতিয়া সূৰ্য্য ঢাল খাইছিল[1]। অৰ্থাৎ: যেতিয়া সূৰ্য্য পশ্চিম দিশলৈ ঢাল খায়, আৰু আকাশৰ মাজভাগৰ পৰা আঁতৰি যায়, আৰু এইটোৱেই হৈছে জোহৰৰ নামাজৰ সময়।

## দ্বিতীয় মাছআলা: জুমুআৰ চালাতৰ বিধান, আৰু এইটো কাৰ ওপৰত ওৱাজিব?

প্ৰথমঃ জুমুআৰ চালাতৰ বিধান:

জুমুআৰ নামাজ পুৰুষসকলৰ ওপৰত ফৰজে আঈন; মহান আল্লাহে কৈছেঃ

﴿يَٰٓأَيُّهَا ٱلَّذِينَ ءَامَنُوٓاْ إِذَا نُودِيَ لِلصَّلَوٰةِ مِن يَوۡمِ ٱلۡجُمُعَةِ فَٱسۡعَوۡاْ إِلَىٰ ذِكۡرِ ٱللَّهِ وَذَرُواْ ٱلۡبَيۡعَۚ ذَٰلِكُمۡ خَيۡرٞ لَّكُمۡ إِن كُنتُمۡ تَعۡلَمُونَ9﴾

"হে ঈমান্দাৰসকল! জুমুআৰ দিনা যেতিয়া ছালাতৰ বাবে আহ্বান কৰা হয়, তেতিয়া তোমালোকে আল্লাহৰ স্মৰণৰ ফালে ধাৱিত হোৱা আৰু বেচা-কিনা বন্ধ কৰা। এইটোৱে তোমালোকৰ বাবে সৰ্বোত্তম, যদি তোমালোকে উপলব্ধি কৰা।" (ছুৰা আল-জুমুআহঃ ৯) আব্দুল্লাহ ইবনু ওমৰ আৰু আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, তেওঁলোক উভয়ে ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামক কোৱা শুনিছে, তেখেতে মিম্বৰৰ চিঢ়িত থিয় হৈ কৈছেঃ

«لَيَنْتَهِيَنَّ أَقْوَامٌ عَنْ وَدْعِهِمْ -أَيْ: تَرْكِهِمْ- الجُمُعَاتِ، أَوْ لَيَخْتِمَنَّ اللَّهُ عَلَى قُلُوبِهِمْ، ثُمَّ لَيَكُونُنَّ مِنَ الغَافِلِينَ»

---

[1] (বুখাৰীঃ হাদীছ নং ৯০৪)

"জুমুআৰ চালাত ত্যাগকাৰীসকলে যেন এই অভ্যাস পৰিত্যাগ কৰি দিয়ে, অন্যথা আল্লাহে সিহঁতৰ অন্তৰত মোহৰ মাৰি দিব, ফলত সিহঁত অমনোযোগীসকলৰ অন্তৰ্ভুক্ত হৈ যাব।"[1]

মুছলিমসকলে জুমুআৰ নামাজ ওৱাজিব হোৱাৰ ওপৰত ইজমা পোষণ কৰিছে। ইবনুল মুনজিৰ ৰাহিমাহুল্লাহে কৈছে: "আৰু তেওঁলোকে এই বিষয়ত একমত যে, স্বাধীন, প্ৰাপ্ত বয়স্ক, স্থায়ী বাসিন্দা আৰু ওজৰবিহীন লোকসকলৰ ওপৰত জুমুআ ওৱাজিব।"[2]

দ্বিতীয়ঃ কাৰ ওপৰত ওৱাজিব?

প্ৰত্যেক স্বাধীন, প্ৰাপ্ত বয়স্ক, বিবেক সম্পন্ন, উপস্থিত হ'বলৈ সক্ষম, আৰু স্থায়ী বাসিন্দা পুৰুষ মুছলিমৰ ওপৰত জুমুআ ওৱাজিব। সেয়েহে দাস, মহিলা, নাবালক, উন্মাদ, ৰোগী, অথবা মুছাফিৰৰ ওপৰত জুমুআ ওৱাজিব নহয়। ইয়াৰ দলীল স্বৰূপে ত্বাৰিক ইবনে শ্বিহাব ৰাদ্বিয়াল্লাহু আনহুৱে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা বৰ্ণনা কৰিছে, তেখেতে কৈছে:

«الْجُمُعَةُ حَقٌّ وَاجِبٌ عَلَىٰ كُلِّ مُسْلِمٍ فِي جَمَاعَةٍ، إِلَّا أَرْبَعَةً: عَبْدٌ مَمْلُوكٌ، أَوْ امْرَأَةٌ، أَوْ صَبِيٌّ، أَوْ مَرِيضٌ»

---

[1] (মুছলিমঃ ৮৬৫)

[2] আল-ইজমা' (৪০)

«জামাতৰ সৈতে জুমুআ প্ৰতিজন মুছলিমৰ ওপৰত এক ওৱাজিব হক, কিন্তু চাৰিজনৰ বাহিৰে: ক্ৰীতদাস, অথবা মহিলা, অথবা নাবালক, অথবা বেমাৰী।»[1]

আনহাতে মুছাফিৰৰ বাবে জুমুআৰ নামাজ অনিবাৰ্য্য নহয়; কাৰণ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ছফৰত এই নামাজ আদায় কৰা নাছিল। তেখেতৰ হজ্জৰ সময়তো আৰাফাৰ দিনটো জুমুআৰ দিন আছিল, তথাপিও তেখেতে জোহৰৰ নামাজহে আদায় কৰিছিল আৰু তাৰ লগত আচৰৰ নামাজো জমা কৰিছিল।

ইবনুল মুনজিৰ ৰাহিমাহুল্লাহে এই বিষয়ে ইজমা নকল কৰি কৈছেঃ "আৰু তেওঁলোকে এই বিষয়ে ইজমা পোষণ কৰিছে যে, অপ্ৰাপ্তবয়স্ক আৰু মহিলাসকলৰ ওপৰত জুমুআ ওৱাজিব নহয়... আৰু তেওঁলোকে এই বিষয়েও ইজমা পোষণ কৰিছে যে, স্বাধীন, প্ৰাপ্ত বয়স্ক, স্থায়ী বাসিন্দা আৰু ওজৰবিহীন লোকসকলৰ ওপৰত জুমুআ ওৱাজিব।"[2]

আৰু ক্ৰীতদাস, মহিলা, শিশু, ৰোগী অথবা মুছাফিৰ ব্যক্তিয়ে জুমুআ পঢ়িলে, তেওঁৰ নামাজ সঠিক বুলি বিবেচিত হ'ব আৰু এইটো তেওঁৰ বাবে জোহৰৰ নামাজ হিচাপে যথেষ্ট হ'ব।

চৰণীয়া পথাৰ আৰু পানীৰ সন্ধানত ভ্ৰমণ কৰি ফুৰা যাযাবৰী লোকসকলৰ ওপৰত জুমুআৰ চালাত

[1] (আবু দাউদঃ ১০৬৭)

[2] আল-ইজমাঃ (পৃ. ৪০)

বাধ্যতামূলক নহয়; কাৰণ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ যুগত যাযাবৰী লোকসকল মদীনাৰ আশে-পাশে আছিল, আৰু নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁলোকক জুমুআ আদায়ৰ আদেশ দিয়া নাছিল। ইমাম আহমদে কৈছেঃ "মৰুবাসী লোকসকলৰ বাবে জুমুআ ফৰজ নহয়; কাৰণ তেওঁলোকে এঠাইৰ পৰা আন ঠাইলৈ ঘূৰি ফুৰে। যিহেতু এইদৰে স্থানান্তৰ হোৱাটোৱেই জুমুআ ৰহিত হোৱাৰ কাৰণ, সেয়েহে যিসকল স্থায়ীভাৱে বসবাস কৰে আৰু ইচ্ছাকৃতভাৱে স্থানান্তৰ নহয়, তেওঁলোকেই গাঁও বা চহৰৰ অধিবাসী।"[1]

নূন্যতম তিনিজন ব্যক্তিৰ দ্বাৰা জুমুআ অনুষ্ঠিত হয়ঃ এজনে খুতবা দিব আৰু দুজনে শুনিব; কিয়নো মহান আল্লাহে কৈছেঃ

﴿...فَٱسۡعَوۡاْ إِلَىٰ ذِكۡرِ ٱللَّهِ...﴾

"...আল্লাহৰ স্মৰণৰ ফালে ধাৱিত হোৱা..." (ছূৰা আল-জুমুআহঃ ৯) এইটো এটা সমষ্টি, আৰু সমষ্টিৰ নূন্যতম সংখ্যা হৈছে তিনি।

## তৃতীয়: জুমুআৰ চালাতৰ পদ্ধতি:

জুমুআৰ চালাত হৈছে দুই ৰাকাত, য'ত উচ্চস্বৰে কিৰাআত পাঠ কৰা হয়; কাৰণ তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে এনেকৈয়ে কৰিছিল, আৰু এই বিষয়ত বিদ্বানসকল একমত হৈছে। ইবনে হাযম ৰাহিমাহুল্লাহে কৈছে: "সকলোৱে একমত যে, জুমুআ

[1] মাজমু' আল-ফাতাৱা (২৪/ ১৬৬)

হৈছে দুই ৰাকাত, -যেতিয়া ইয়াৰ চৰ্তসমূহ পূৰণ কৰি আদায় কৰা হয়- য'ত উচ্চস্বৰে কিৰাআত কৰা হয়।"[1]

প্ৰথম ৰাকাতত ছুৰা ফাতিহাৰ পিছত ছুৰা আল-আ'লা, আৰু দ্বিতীয় ৰাকাতত ছুৰা ফাতিহাৰ পিছত ছুৰা আল-গাশ্বিয়াহ পাঠ কৰা ছুন্নত; কিয়নো নু'মান ইবনে বাশ্বীৰ ৰাদ্বিয়াল্লাহু আনহুমাই কৈছে:

«كَانَ رَسُولُ اللَّهِ ﷺ يَقْرَأُ فِي العِيدَيْنِ وَفِي الجُمُعَةِ بِسَبِّحِ اسْمَ رَبِّكَ الأَعْلَى، وَهَلْ أَتَاكَ حَدِيثُ الغَاشِيَةِ».

"ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে দুই ঈদৰ চালাতত আৰু জুমুআৰ চালাতত (ছাব্বিহিছমা ৰাব্বিকাল আ'লা) আৰু (হাল আতা-কা হাদীছুল গা-শ্বিয়াহ) পাঠ কৰিছিল।"[2]

নাইবা প্ৰথম ৰাকাতত ছুৰা ফাতিহা আৰু ছুৰা জুমুআ, আৰু দ্বিতীয় ৰাকাতত ছুৰা ফাতিহা আৰু ছুৰা মুনাফিকূন পাঠ কৰিব; ইবনে আবি ৰাফে'ৰ পৰা বৰ্ণিত, তেওঁ কৈছে: মাৰৱানে আবু হুৰাইৰাক মদীনাৰ দায়িত্বত নিযুক্ত কৰি মক্কালৈ গৈছিল, সেয়ে আবু হুৰাইৰাই আমাক জুমুআৰ নামাজ পঢ়াইছিল। তেওঁ ছুৰা জুমুআৰ পিছত দ্বিতীয় ৰাকাতত (ইযা জা'আকাল মুনাফিকূন) পাঠ কৰিছিল। তেওঁ কৈছে: তেওঁ নামাজ শেষ কৰাৰ পিছত মই তেওঁক লগ পালোঁ আৰু ক'লোঁ: আপুনি এনেকুৱা দুটা ছুৰা পাঠ কৰিছে যি ছুৰা দুটা আলী ইবনে

1 মাৰাতিব আল-ইজমাঃ (পৃঃ ৩৩)
2 (মুছলিমঃ ৮৭৮)

আবি তালিবে কুফাত পাঠ কৰিছিল। তেতিয়া আবু হুৰাইৰাই ক'লে:

«إِنِّي سَمِعْتُ رَسُولَ اللَّهِ ﷺ يَقْرَأُ بِهِمَا يَوْمَ الْجُمُعَةِ».

«মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামক জুমু'আৰ দিনা এই ছুৰা দুটা তিলাৱত কৰা শুনিছোঁ।»[1]

## চতুৰ্থ মাছআলাঃ কেনেদৰে জুমুআ পোৱা যায়?

ইমামৰ সৈতে এক ৰাকআত পোৱাৰ দ্বাৰা জুমুআ পোৱা যায়; আব্দুল্লাহ ইবনে ওমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«مَنْ أَدْرَكَ رَكْعَةً مِنَ الجُمُعَةِ أَوْ غَيْرِهَا فَقَدْ تَمَّتْ صَلَاتُهُ»

"যিয়ে জুমুআৰ অথবা অন্য চালাতৰ এক ৰাকআত পাইছে, তেওঁৰ চালাত সম্পূৰ্ণ হোৱা বুলি বিবেচিত হ'ব।"[2]

আৰু যদি তেওঁ এক ৰাকাততকৈ কম অংশ পায়, তেনেহ'লে তেওঁ জোহৰৰ নামাজ আদায় কৰিব লাগিব।[3]

এতেকে যিয়ে জুমুআৰ নামাজত এক ৰাকআত পলমকৈ উপস্থিত হৈছে আৰু তেওঁ ইমামক দ্বিতীয় ৰাকআতত ৰুকু কৰা অৱস্থাত বা তাৰ আগতে পাইছে, তেওঁ কেৱল এক ৰাকআতহে আদায় কৰিব, যিহেতু হাদীছত আছে:

«وَمَن أَدْرَكَ الرَّكْعَةَ فَقَدْ أَدْرَكَ الصَّلَاةَ»

[1] (মুছলিমঃ ৮৭৭)

[2] (নাছায়ীঃ হাদীছ নং ৫৫৭)

[3] দ্ৰষ্টব্যঃ আল-মুগনী লি ইবনে ক্বুদামাঃ (২/ ২৩১)।

“আৰু যিয়ে চালাতৰ এক ৰাকআত পাইছে, তেওঁ দৰাচলতে চালাত পাইছে।”[1]

## পঞ্চম মাছআলাঃ জুমুআৰ দিনা যিবোৰ কাম কৰা হাৰাম অথবা মাকৰূহ:

১- ইমামে খুতবা দিয়া অৱস্থাত শ্ৰোতাই কথা কোৱা হাৰাম, কাৰণ আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণিত আছে যে, ৰাছুলুল্লাহ চাল্লাল্লাহু ‘আলাইহি অছাল্লামে কৈছে:

«إِذَا قُلْتَ لِصَاحِبِكَ يَوْمَ الجُمُعَةِ: أَنْصِتْ، وَالإِمَامُ يَخْطُبُ، فَقَدْ لَغَوْتَ»

«জুমু‘আৰ দিনা ইমামে খুতবা দিয়া অৱস্থাত যদি তুমি তোমাৰ সঙ্গীক চুপ থাকিবলৈ কোৱা তেন্তে তুমিও অনৰ্থক কাম কৰিলা।»[2] অৰ্থাৎ আপুনি অনৰ্থক কথা কৈছে, যিটো হৈছে বাতিল আৰু অগ্ৰহণযোগ্য, আৰু ইয়াৰ ফলত আপোনাৰ জুমুআৰ ফজিলত বাতিল হৈ গৈছে।

ইমাম নাৱাৱী ৰাহিমাহুল্লাহে কৈছেঃ এই হাদীছত খুতবাৰ অৱস্থাত সকলো ধৰণৰ কথা কোৱা নিষেধ কৰা হৈছে, আৰু ইয়াৰ দ্বাৰা অন্যান্য কথাৰ বিষয়েও সতৰ্ক কৰা হৈছে; কিয়নো, ‘চুপ থাকা’ বুলি কোৱাটোকো যেতিয়া অনৰ্থক কাম বুলি কোৱা হৈছে - অথচ সেইটো মূলতঃ এটা সৎকৰ্মৰ আদেশ - তেন্তে সাধাৰণ কথা-বতৰা যে অনৰ্থক বুলি গণ্য হ'ব সেয়া অধিক স্পষ্ট।[3]

---

1 (আবু দাউদঃ ৮৯৩)
2 (বুখাৰীঃ ৯৩৪, আৰু মুছলিমঃ ৮৫১)
3 (শ্বাৰহু মুছলিমঃ ৬/১৩৮)

কথা কোৱাৰ নিষেধৰ ভিতৰত হাঁচিৰ উত্তৰ দিয়া আৰু ছালামৰ উত্তৰ দিয়াও অন্তৰ্ভুক্ত। গতিকে ইমামে খুতবা দি থকা অৱস্থাত এইবোৰ জায়েয নহয়। অৱশ্যে খতিবে খুতবা আৰম্ভ কৰাৰ আগত, আৰু দুই খুতবাৰ মাজত দিয়া বিৰতিৰ সময়ত কথা কোৱাত কোনো আপত্তি নাই।

খতীবৰ লগত মুক্তাদীয়ে কথা-বতৰা পতাত কোনো আপত্তি নাই, যিহেতু আনাছ বিন মালিক ৰাদ্বিয়াল্লাহু 'আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে:

«أَنَّ رَجُلًا دَخَلَ المَسْجِدَ يَوْمَ الجُمُعَةِ مِنْ بَابٍ كَانَ نَحْوَ دَارِ القَضَاءِ وَرَسُولُ اللَّهِ ﷺ قَائِمٌ يَخْطُبُ فَاسْتَقْبَلَ رَسُولَ اللَّهِ ﷺ قَائِمًا، ثُمَّ قَالَ: يَا رَسُولَ اللَّهِ هَلَكَتِ الأَمْوَالُ وَانْقَطَعَتِ السُّبُلُ فَادْعُ اللَّهَ أَنْ يُغِيثَنَا فَرَفَعَ رَسُولُ اللَّهِ ﷺ يَدَيْهِ...»الحديث.

«জুমুআৰ দিনা এজন ব্যক্তিয়ে দাৰুল কাজা (বিচাৰ মীমাংসা কৰা ঠাই)ৰ ফালে থকা দুৱাৰেৰে মছজিদত প্ৰৱেশ কৰিলে। সেই সময়ত ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে থিয় হৈ খুতবা দি আছিল। সেই ব্যক্তিজনে ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ ফালে মুখ কৰি ক'লেঃ হে আল্লাহৰ ৰাছুল! ধন-সম্পদ বিনষ্ট হৈ যাব ধৰিছে আৰু (প্ৰখৰ ৰ'দৰ কাৰণে) বাট-পথত ওলাব নোৱাৰা অৱস্থা হৈছে। আপুনি আল্লাহৰ ওচৰত দুআ কৰক তেওঁ যেন আমাক বৰষুণ দান কৰে। তেতিয়া ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে দুয়ো হাত উত্তোলন কৰিলে...।» হাদীছ[1]

---

[1] (বুখাৰীঃ ৯৬৭, আৰু মুছলিমঃ ৮৯৭)

২- খুতবা চলা অৱস্থাত অনৰ্থক কাম-কাজ কৰা হাৰাম, যেনে- শিলগুটি স্পৰ্শ কৰা, তাছবীহ ব্যৱহাৰ কৰা, বা মোবাইল ফোনত ব্যস্ত থকা আৰু এই ধৰণৰ অন্যান্য কাম। কাৰণ আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা প্ৰমাণিত, তেওঁ কৈছে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

«مَنْ مَسَّ الحَصَى فَقَدْ لَغَا»

"যিয়ে শিলগুটি স্পৰ্শ কৰে, সি অনৰ্থক কাম কৰে।"[1] কিয়নো অলাগতিয়াল কৰ্মই অনুধাৱন আৰু খুশ্‌বু (বিনয়-একাগ্ৰতা)ত বাধাৰ সৃষ্টি কৰে।

৩- খুতবা দি থকা অৱস্থাত মানুহৰ কান্ধৰ ওপৰেৰে পাৰ হৈ যোৱাটো হাৰাম, কাৰণ আব্দুল্লাহ বিন বুছৰ ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণিত আছে, তেওঁ কৈছে: জুমু‘আৰ দিনা এজন ব্যক্তিয়ে মানুহৰ কান্ধৰ ওপৰেৰে দীঘল খোজ দি আগুৱাই আছিল, আৰু নবী চাল্লাল্লাহু ‘আলাইহি অছাল্লামে খুতবা দি আছিল। তেতিয়া নবী চাল্লাল্লাহু ‘আলাইহি অছাল্লামে তেওঁক ক’লে:

«اجْلِسْ فَقَدْ آذَيْتَ»

"বহা, তুমি কষ্ট দি আছা।"[2]

ইয়াৰ কাৰণ হৈছে, মানুহৰ কান্ধৰ ওপৰেৰে পাৰ হ'লে নামাজীসকলৰ কষ্ট হয় আৰু খুতবা শুনাৰ ক্ষেত্ৰত তেওঁলোকৰ মনোযোগ বিচ্ছিন্ন হয়। কিন্তু ইমামৰ বাবে এনেকৈ আগুৱাই যোৱাৰ অনুমতি আছে,

---

[1] (মুছলিমঃ ৮৫৭)

[2] (আবু দাউদঃ ১১১৮)

যদিহে তেওঁ নিজৰ স্থানত অন্য কোনো উপায়েৰে উপস্থিত হোৱা সম্ভৱ নহয়। এইদৰে সেইজন ব্যক্তিৰ বাবেও অনুমতি আছে, যিয়ে কোনো অপৰিহাৰ্য প্ৰয়োজনত যেনে- অজু কৰিবলৈ, সন্মুখৰ খালী ঠাই পূৰণ কৰিবলৈ, অথবা তেনে কোনো কাৰণত মানুহক ডিঙাই যাবলৈ বাধ্য হয়।

৪- কোনো ব্যক্তিক তেওঁ প্ৰথমে বহা স্থানৰ পৰা উঠাই দি, সেই স্থানত নিজে বহাটো হাৰাম; এইটো জাবিৰ বিন আব্দুল্লাহ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত আছে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«لَا يُقِيمَنَّ أَحَدُكُمْ أَخَاهُ يَوْمَ الجُمُعَةِ، ثُمَّ لِيُخَالِفْ إِلَى مَقْعَدِهِ فَيَقْعُدْ فِيهِ، وَلَكِنْ افْسَحُوا»

"তোমালোকৰ মাজৰ কোনোৱে যেন জুমুআৰ দিনা নিজৰ ভাতৃক তেওঁৰ আসনৰ পৰা উঠাই দি নিজে তাত নবহে, বৰঞ্চ (এজনে আনজনৰ বাবে) ঠাই বহল কৰি দিবা।"[1]

৫- দুজন ব্যক্তিক দুইফালে আঁতৰাই মাজত বহা অথবা তেওঁলোকক ডিঙাই যোৱাটো মাকৰূহ। কাৰণ ছালমান ফাৰিছী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«مَنِ اغْتَسَلَ يَوْمَ الجُمُعَةِ... ثُمَّ رَاحَ فَلَمْ يُفَرِّقْ بَيْنَ اثْنَيْنِ، فَصَلَّى مَا كُتِبَ لَهُ، ثُمَّ إِذَا خَرَجَ الإِمَامُ أَنْصَتَ، غُفِرَ لَهُ مَا بَيْنَهُ وَبَيْنَ الجُمُعَةِ الأُخْرَى»

"যিয়ে জুমুআৰ দিনা গোছল কৰি (মছজিদলৈ) যায়, দুজন লোকক পৃথক নকৰে, তাৰ পিছত সাধ্য অনুযায়ী

---

[1] (মুছলিমঃ ২১৭৮)

ছালাত আদায় কৰে, আৰু ইমাম ওলাই অহাৰ পিছত মনে মনে থাকে, তাৰ সেই জুমুআ আৰু পৰৱৰ্তী জুমুআৰ মাজৰ গুনাহসমূহ ক্ষমা কৰি দিয়া হয়।"[1], এতেকে ইয়াৰ দ্বাৰা এইটোৱে সাব্যস্ত হয় যে, যিয়ে দুজনৰ মাজত বিচ্ছেদ কৰে, তেওঁ এই মাগফিৰাত লাভ নকৰিব।

## ষষ্ঠ মাছআলাঃ জুমুআৰ ছুন্নতসমূহ:

১- জুমুআৰ দিনা ফজৰৰ চালাতত ছুৰা আছ-ছাজদাহ আৰু ছুৰা আল-ইনছান পাঠ কৰা ছুন্নত; কিয়নো নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ইয়াৰ ওপৰত নিয়মিতভাৱে আমল কৰিছিল। আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে:

«كَانَ النَّبِيُّ ﷺ يَقْرَأُ فِي الجُمُعَةِ فِي صَلاَةِ الفَجْرِ الم تَنْزِيلُ السَّجْدَةَ، وَهَلْ أَتَى عَلَى الإِنْسَانِ حِينٌ مِنَ الدَّهْرِ».

«নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জুমু'আৰ দিনা ফজৰৰ নামাজত (আলিফ-লাম-মীম তানযীলুছ ছাজদাহ) আৰু (হাল আতা আলাল ইনছান) পাঠ কৰিছিল।»[2]

২- জুমুআৰ দিনা গোছল কৰাটো হৈছে এটা গুৰুত্বপূৰ্ণ ছুন্নত। কাৰণ আব্দুল্লাহ ইবনে ওমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

---

[1] (বুখাৰীঃ হাদীছ নং ৯১০)

[2] (বুখাৰীঃ ৮৯১, আৰু মুছলিমঃ ৮৮০)

«إِذَا جَاءَ أَحَدُكُمْ الجُمُعَةَ فَلْيَغْتَسِلْ»

"যেতিয়া তোমালোকৰ কোনোবাই জুমুআলৈ আহে, তেওঁ যেন গোছল কৰি লয়।"[1]. ইয়াৰ প্ৰতি গুৰুত্ব দিব লাগে আৰু এইটো পৰিত্যাগ কৰা উচিত নহয়, বিশেষকৈ দুৰ্গন্ধযুক্ত লোকসকলৰ বাবে।

জুমুআৰ গোছলৰ সময় ফজৰৰ পৰা আৰম্ভ হয়। জানাবতৰ গোছলো জুমুআৰ গোছলৰ বাবে যথেষ্ট; কাৰণ জুমুআৰ গোছলৰ উদ্দেশ্য হৈছে শৰীৰক পৰিষ্কাৰ-পৰিচ্ছন্ন কৰা আৰু ইয়াৰ পৰা বেয়া গোন্ধ দূৰ কৰা, এই উদ্দেশ্য জানাবতৰ গোছলৰ দ্বাৰাও পূৰণ হয়। কিন্তু জানাবতৰ গোছলৰ লগতে জুমুআৰ গোছলৰো নিয়ত কৰি লোৱাটো উত্তম; যাতে তেওঁ ইয়াৰ বাবেও ছোৱাব লাভ কৰিব পাৰে।

৩- ছুন্নত হৈছে সুগন্ধি ব্যৱহাৰ কৰা আৰু পৰিষ্কাৰ-পৰিচ্ছন্ন হোৱা, আৰু শৰীৰৰ পৰা যিবোৰ বস্তু আঁতৰ কৰিবলগীয়া আছে সেইবোৰ আঁতৰ কৰা; যেনে- নখ কটা, নাভিৰ তলৰ নোম খুৰোৱা, কাষলতিৰ নোম উঘালি পেলোৱা আৰু গোঁফ চুটি কৰা; ছালমান ফাৰিছী ৰাদ্বিয়াল্লাহু 'আনহুৰ হাদীছ অনুসৰি, তেওঁ কৈছে: ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

«مَنِ اغْتَسَلَ يَوْمَ الجُمُعَةِ، وَتَطَهَّرَ بِمَا اسْتَطَاعَ مِنْ طُهْرٍ، ثُمَّ ادَّهَنَ أَوْ مَسَّ مِنْ طِيبٍ، ثُمَّ رَاحَ فَلَمْ يُفَرِّقْ بَيْنَ اثْنَيْنِ، فَصَلَّى مَا كُتِبَ لَهُ، ثُمَّ إِذَا خَرَجَ الإِمَامُ أَنْصَتَ، غُفِرَ لَهُ مَا بَيْنَهُ وَبَيْنَ الجُمُعَةِ الأُخْرَى»

[1] (বুখাৰীঃ ৮৭৭, আৰু মুছলিমঃ ৮৪৪)

"যিয়ে জুমুআৰ দিনা গোছল কৰে, আৰু যথাসাধ্য পৰিষ্কাৰ-পৰিচ্ছন্নতা অৰ্জন কৰে, তাৰ পিছত তেল ব্যৱহাৰ কৰে নাইবা সুগন্ধি লগায়, তাৰ পাছত (মছজিদলৈ) যায় আৰু দুজন লোকক আঁতৰাই দি তেওঁলোকৰ মাজত নবহে, ইয়াৰ পাছত তাওফীক অনুযায়ী চালাত আদায় কৰে, তাৰ পাছত যেতিয়া ইমাম আহি উপস্থিত হয়, তেতিয়া তেওঁ মনে মনে থাকে, তেন্তে তাৰ দুই জুমুআৰ মাজৰ গুনাহসমূহ ক্ষমা কৰি দিয়া হয়।" (124)[1]

তদুপৰি এই দিনটোত মিছৱাক কৰাৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছে; যিহেতু আবু ছায়ীদ খুদৰী ৰাদ্বিয়াল্লাহু আনহুৰ হাদীছত বৰ্ণিত আছে, তেওঁ কৈছেঃ মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওপৰত সাক্ষী দি কৈছোঁ যে, তেখেতে কৈছেঃ

«الغُسْلُ يَوْمَ الجُمُعَةِ وَاجِبٌ عَلَى كُلِّ مُحْتَلِمٍ، وَأَنْ يَسْتَنَّ -أَيْ: يَسْتَاكُ- وَأَنْ يَمَسَّ طِيبًا إِنْ وَجَدَ»

"প্ৰতিজন প্ৰাপ্তবয়স্ক লোকৰ বাবে জুমুআৰ দিনা গোছল কৰা ওৱাজিব। লগতে মিছৱাক কৰা উচিত আৰু সুগন্ধি থাকিলে সেয়া ব্যৱহাৰ কৰা উচিত।"[2]

৪- জুমুআৰ দিনা নিজৰ ওচৰত থকা উত্তম কাপোৰ পৰিধান কৰা ছুন্নত। ওমৰ ইবনুল খাত্তাব ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত যে,

[1] (বুখাৰীঃ হাদীছ নং ৯১০)
[2] (বুখাৰীঃ হাদীছ নং ৮৮০)

«أَنَّهُ رَأَى حُلَّةً سِيرَاءَ عِندَ بَابِ المَسْجِدِ، فَقَالَ: يَا رَسُولَ اللَّهِ لَوِ اشْتَرَيْتَ هَذِهِ، فَلَبِسْتَهَا يَوْمَ الجُمُعَةِ وَلِلْوَفْدِ إِذَا قَدِمُوا عَلَيْكَ...»

«তেওঁ মছজিদৰ দুৱাৰমুখত এখন ৰেচমী পোছাক দেখি ক'লেঃ হে আল্লাহৰ ৰাছুল! আপুনি যদি এইটো কিনি লৈ জুমুআৰ দিনা আৰু আপোনাৰ ওচৰলৈ অহা প্ৰতিনিধি দলৰ সন্মুখত পৰিধান কৰিলেহেঁতেন...»[1]

৫- জুমুআৰ দিনা সোনকালে মছজিদত যোৱা ছুন্নত; কাৰণ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এই বিষয়ে উৎসাহিত কৰিছে; যেনে আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ হাদীছত আছে যে, আল্লাহৰ ৰাছূল চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«مَنِ اغْتَسَلَ يَوْمَ الجُمُعَةِ غُسْلَ الجَنَابَةِ -أَيْ: غُسْلًا صِفَتُهُ كَصِفَةِ غُسْلِ الجَنَابَةِ- ثُمَّ رَاحَ فَكَأَنَّمَا قَرَّبَ بَدَنَةً -وَهِيَ وَاحِدَةٌ مِنَ الإِبِلِ ذَكَرًا أَمْ أُنثَى- وَمَنْ رَاحَ فِي السَّاعَةِ الثَّانِيَةِ فَكَأَنَّمَا قَرَّبَ بَقَرَةً، وَمَن رَاحَ فِي السَّاعَةِ الثَّالِثَةِ فَكَأَنَّمَا قَرَّبَ كَبْشًا أَقْرَنَ، وَمَنْ رَاحَ فِي السَّاعَةِ الرَّابِعَةِ فَكَأَنَّمَا قَرَّبَ دَجَاجَةً، وَمَنْ رَاحَ فِي السَّاعَةِ الخَامِسَةِ فَكَأَنَّمَا قَرَّبَ بَيْضَةً، فَإِذَا خَرَجَ الإِمَامُ حَضَرَتِ المَلَائِكَةُ يَسْتَمِعُونَ الذِّكْرَ»

"জুমুআৰ দিনা যিয়ে জানাবতৰ গোছল কৰিব - অৰ্থাৎ ফৰজ গোছলৰ দৰে পৰিপূৰ্ণ গোছল কৰিব - আৰু প্ৰথম সময়ছোৱাতে মছজিদত যাব, তেওঁ দৰাচলতে এটা উট (মতা হওক বা মাইকী) কুৰবানী কৰাৰ ছোৱাব অৰ্জন কৰিব। দ্বিতীয় সময়ছোৱাত যিয়ে আহিব, তেওঁ অৰ্জন কৰিব এটা গৰু কুৰবানী কৰাৰ ছোৱাব। তৃতীয় সময়ছোৱাত যিয়ে আহিব তেওঁ দুম্বা কুৰবানী কৰাৰ ছোৱাব পাব। চতুৰ্থ সময়ছোৱাত যিয়ে আহিব তেওঁ মুৰ্গী

[1] (বুখাৰীঃ ৮৮৬, আৰু মুছলিমঃ ২০৬৮)

দান কৰাৰ ছোৱাব পাব। আনহাতে যিয়ে পঞ্চম সময়ছোৱাত আহিব তেওঁ কণী এটা দান কৰাৰ ছোৱাব অৰ্জন কৰিব। ইয়াৰ পাছত ইমাম যেতিয়া আহি উপস্থিত হয়, তেতিয়া ফিৰিস্তাসকলে (ৰেজিষ্টাৰ বন্ধ কৰি) মনোযোগ সহকাৰে খুতবা শ্ৰৱণ কৰে।"[1]

৬- জুমুআৰ দিনা ইমামে খুতবা দি থকা অৱস্থাত মছজিদত প্ৰৱেশ কৰা ব্যক্তিৰ বাবে ছুন্নত হৈছে, তেওঁ যেন দুই ৰাকাত নামাজ সংক্ষিপ্তভাৱে আদায় নকৰালৈকে নবহে। কাৰণ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে খুতবাৰ সময়ত মছজিদত প্ৰৱেশ কৰা ব্যক্তিক তেনেকৈ কৰিবলৈ আদেশ দিছিল। এই সম্পৰ্কে জাবিৰ বিন আব্দুল্লাহ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত আছে, তেওঁ কৈছে: ছুলাইক আল-গাতফানীয়ে জুমুআৰ দিনা মছজিদলৈ আহিছিল, সেই সময়ত ৰাছুলুল্লাহ চাল্লাল্লাহু 'আলাইহি অছাল্লামে খুতবা দি আছিল। তেওঁ আহি বহি পৰিল, তেতিয়া তেখেতে তেওঁক ক'লে:

«يَا سُلَيْكُ قُمْ فَارْكَعْ رَكْعَتَيْنِ، وَتَجَوَّزْ فِيهِمَا»

"হে ছুলাইক, থিয় হোৱা আৰু দুই ৰাকাত নামাজ আদায় কৰা, লগতে চমুকৈ আদায় কৰা।" ইয়াৰ পিছত কৈছেঃ

«إِذَا جَاءَ أَحَدُكُمْ يَوْمَ الجُمُعَةِ، وَالإِمَامُ يَخْطُبُ، فَلْيَرْكَعْ رَكْعَتَيْنِ، وَلْيَتَجَوَّزْ فِيهِمَا»

«যেতিয়া তোমালোকৰ মাজৰ কোনোবাই জুমু'আৰ দিনা ইমামে খুতবা দি থকা অৱস্থাত আহে, তেতিয়া তেওঁ

[1] (বুখাৰীঃ ৮৮১, আৰু মুছলিমঃ ৮৫০)

যেন দুই ৰাকাত নামাজ পঢ়ি লয়, আৰু তেওঁ যেন এই দুই ৰাকাত চমুকৈ আদায় কৰে।»[1]

৭- জুমুআৰ দিনা ছুৰা কাহাফ তিলাৱত কৰা ছুন্নত; আবু ছায়ীদ খুদৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«مَنْ قَرَأَ سُورَةَ الكَهْفِ يَوْمَ الجُمُعَةِ أَضَاءَ لَهُ مِنَ النُّورِ مَا بَيْنَ الجُمُعَتَيْنِ»

"যি ব্যক্তিয়ে জুমুআৰ দিনা ছুৰা আল-কাহাফ তিলাৱত কৰিব, তেওঁৰ বাবে দুটা জুমুআৰ মাজৰ সময়ছোৱাক নূৰেৰে আলোকিত কৰা হ'ব।"[2]

৮- জুমুআৰ দিনা আৰু জুমুআৰ ৰাতিত নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ প্ৰতি বেছি বেছি দৰূদ পাঠ কৰা ছুন্নত; কাৰণ আওছ ইবনে আওছ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত আছে যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«إِنَّ مِنْ أَفْضَلِ أَيَّامِكُمْ يَوْمَ الجُمُعَةِ، فَأَكْثِرُوا عَلَيَّ مِنَ الصَّلَاةِ فِيهِ؛ فَإِنَّ صَلَاتَكُمْ مَعْرُوضَةٌ عَلَيَّ»

"তোমালোকৰ দিনসমূহৰ মাজত সৰ্বোৎকৃষ্ট দিন হৈছে জুমুআৰ দিন, গতিকে সেইদিনা তোমালোকে মোৰ প্ৰতি অধিক পৰিমাণে দৰূদ পাঠ কৰিবা; কাৰণ তোমালোকে পাঠ কৰা দৰূদ মোৰ ওচৰলৈ উপস্থাপন কৰা হয়।"[3]

---

[1] (বুখাৰীঃ ৯৩০, আৰু মুছলিমঃ ৮৭৫)

[2] (মুস্তাদৰাক আল-হাকিমঃ ৩৩৯২), আৰু হাদীছটো আবু ছাঈদৰ ওপৰত মাওকূফ হোৱাৰ বাবে মা'লূল।

[3] (আবু দাউদঃ ১৫৩১)

৯- এই দিনটোত বেছি বেছি দুআ কৰা ছুন্নত, আৰু দুআ কবুল হোৱাৰ সময় সন্ধান কৰাটোও ছুন্নত। আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত আছে যে, আল্লাহৰ ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামে জুমুআৰ দিনৰ বিষয়ে উল্লেখ কৰি কৈছে:

«فِيهِ سَاعَةٌ، لَا يُوَافِقُهَا عَبْدٌ مُسْلِمٌ وَهُوَ قَائِمٌ يُصَلِّي، يَسْأَلُ اللَّهَ تَعَالَىٰ شَيْئًا إِلَّا أَعْطَاهُ إِيَّاهُ»

«এই দিৱসটোত এনেকুৱা এটা বিশেষ মুহূৰ্ত আছে, যিটো মুহূৰ্তত কোনো মুছলিম বান্দাই চালাতৰত অৱস্থাত থিয় হৈ আল্লাহ তাআলাৰ ওচৰত কিবা বিচাৰে, তেন্তে আল্লাহে তেওঁক সেইটো নিশ্চয় প্ৰদান কৰে।»[1]

জুমু'আৰ দিনটোৰ সকলো সময়তেই দুআ কবুল হোৱাৰ আশা কৰা যায়, কিন্তু ইয়াৰ আটাইতকৈ সম্ভাৱনাময় সময় হৈছে, জুমু'আৰ দিনা ইমাম চাহেবে খুতবা দিবলৈ বহাৰ পৰা ছালাত শেষ হোৱালৈকে, আৰু জুমু'আৰ দিনাৰ শেষ সময়ছোৱা হৈছে সেইজন ব্যক্তিৰ বাবে যিজনে মাগৰিবৰ ছালাতৰ বাবে অপেক্ষা কৰে, তেওঁ মছজিদতেই থাকক বা নিজৰ ঘৰতেই থাকক। কিয়নো আবু মুছা আল-আশ্বা'ৰী ৰাদ্বিয়াল্লাহু আনহুৱে বৰ্ণনা কৰা হাদীছত আছে যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জুমু'আৰ এই বিশেষ মুহূৰ্তটোৰ বিষয়ে কৈছে:

«هِيَ مَا بَيْنَ أَنْ يَجْلِسَ الإِمَامُ إِلَىٰ أَنْ تُقْضَى الصَّلَاةُ»

[1] (বুখাৰীঃ ৯৩৫, আৰু মুছলিমঃ ৮৫২)

«সেই সময়টো হৈছে ইমামে বহাৰ পৰা নামাজ সমাপ্ত হোৱালৈকে।»[1]

## সপ্তম মাছআলাঃ জুমুআৰ নফলসমূহ:

জুমুআৰ নামাজৰ আগত কোনো ছুন্নতে ৰাতিবা নাই। কিন্তু যিয়ে জুমুআলৈ আহে, তেওঁৰ বাবে দুই, চাৰি, ছয় বা তাতোধিক, যিমান ইচ্ছা নামাজ পঢ়াটো ছুন্নত, আৰু তেওঁ প্ৰতি দুই ৰাকাতৰ অন্তত ছালাম ফিৰাব; কাৰণ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এই বিষয়ে উৎসাহিত কৰিছে, যেনেকৈ ছালমান ফাৰ্ছী ৰাদ্বিয়াল্লাহু আনহুৱে কৈছে: ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«مَنِ اغْتَسَلَ يَوْمَ الجُمُعَةِ... ثُمَّ رَاحَ فَلَمْ يُفَرِّقْ بَيْنَ اثْنَيْنِ، فَصَلَّى مَا كُتِبَ لَهُ، ثُمَّ إِذَا خَرَجَ الإِمَامُ أَنْصَتَ، غُفِرَ لَهُ مَا بَيْنَهُ وَبَيْنَ الجُمُعَةِ الأُخْرَى»

"যিয়ে জুমুআৰ দিনা গোছল কৰে... তাৰ পিছত মছজিদলৈ গৈ দুজন ব্যক্তিক পৃথক নকৰে, আৰু তেওঁৰ বাবে নিৰ্ধাৰিত চালাত আদায় কৰে, ইয়াৰ পিছত যেতিয়া ইমাম ওলাই আহে তেতিয়া তেওঁ মনে মনে থাকে, তেওঁৰ দুই জুমুআৰ মাজৰ গুনাহ ক্ষমা কৰি দিয়া হয়।"[2] কাৰণ এই আমল চাহাবাসকলে কৰিছিল, ইয়াৰ ওপৰিও নফল ইবাদতৰ বিষয়ে বৰ্ণিত ব্যাপক ফজিলতৰ কাৰণেও এইটো কৰিব লাগে।

---

[1] (মুছলিমঃ ৮৫৩)

[2] (বুখাৰীঃ হাদীছ নং ৯১০)

আনহাতে জুমুআৰ পিছত পঢ়িবলগীয়া ছুন্নতে ৰাতিবা যদি ঘৰত পঢ়ে তেন্তে দুই ৰাকাত, আৰু যদি মছজিদত পঢ়ে তেন্তে চাৰি ৰাকাত।

«فَقَدْ كَانَ النَّبِيُّ ﷺ يُصَلِّي بَعْدَ الجُمُعَةِ رَكْعَتَيْنِ فِي بَيْتِهِ».

"নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জুমুআৰ পিছত নিজৰ ঘৰত দুই ৰাকাত পঢ়িছিল"।[1] আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«إِذَا صَلَّى أَحَدُكُمْ الجُمُعَةَ فَلْيُصَلِّ بَعْدَهَا أَرْبَعًا»

"যেতিয়া তোমালোকৰ কোনোবাই জুমুআৰ চালাত আদায় কৰিব, তেওঁ যেন তাৰ পিছত চাৰি ৰাকাত আদায় কৰে।" (135)[2]

গতিকে জুমুআৰ ৰাতিবা চালাত যদি মছজিদত আদায় কৰে তেন্তে চাৰি ৰাকাত, আৰু ঘৰত আদায় কৰিলে দুই ৰাকাত।

## দ্বিতীয় বিষয়: জুমুআৰ খুতবা

### প্ৰথম মাছআলা: জুমুআৰ খুতবা:

খুতবা হৈছে জুমুআৰ চালাতৰ পূৰ্বে মানুহৰ সমাৱেশত আগবঢ়োৱা এটা বক্তব্য, য'ত আল্লাহৰ প্ৰশংসা আৰু তেওঁৰ গুণানুকীৰ্তন, নবী চাল্লাল্লাহু

[1] (বুখাৰীঃ ৯৩৭, আৰু মুছলিমঃ ৭২৯)

[2] (মুছলিমঃ ৮৮১)

আলাইহি অছাল্লামৰ ওপৰত দৰূদ আৰু ছালাম, লগতে ওৱাজ আৰু নছীহত সন্নিৱিষ্ট থাকে।[1]

## দ্বিতীয় মাছআলাঃ খুতবাৰ বিধান

খুতবা হৈছে জুমুআৰ চালাতৰ এটা চৰ্ত, যাৰ অবিহনে এই চালাত শুদ্ধ নহয়। কিয়নো মহান আল্লাহে কৈছে:

﴿يَٰٓأَيُّهَا ٱلَّذِينَ ءَامَنُوٓاْ إِذَا نُودِيَ لِلصَّلَوٰةِ مِن يَوۡمِ ٱلۡجُمُعَةِ فَٱسۡعَوۡاْ إِلَىٰ ذِكۡرِ ٱللَّهِ...﴾

"হে ঈমান্দাৰসকল! জুমুআৰ দিনা যেতিয়া ছালাতৰ বাবে আহ্বান কৰা হয়, তেতিয়া তোমালোকে আল্লাহৰ স্মৰণৰ ফালে ধাৱিত হোৱা..." (ছুৰা আল-জুমুআহঃ ৯) আয়াতত ব্যৱহৃত (ذِكْرُ الله) শব্দৰ ব্যাখ্যাত কোৱা হৈছে যে, ইয়াৰ দ্বাৰা খুতবাক বুজোৱা হৈছে;[2] এতেকে যদি খুতবা বাধ্যতামূলক নহ'লহেঁতেন, তেন্তে তাৰ বাবে চেষ্টা কৰাটোও বাধ্যতামূলক নহ'লহেঁতেন। তদুপৰি নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এইটো পালন কৰিছিল আৰু কেতিয়াও পৰিত্যাগ কৰা নাছিল।

ইমাম ইবনে কুদামা আল-হাম্বালী ৰাহিমাহুল্লাহে কৈছেঃ "ইয়াৰ সাৰাংশ এই যে, খুতবা হৈছে জুমু'আৰ এটা চৰ্ত, ইয়াৰ অবিহনে জুমু'আ শুদ্ধ নহয়।"[3]

---

[1] দ্ৰষ্টব্যঃ মু'জাম লুগাত আল-ফুকাহা (১৯৭), আৰু আল-হুজাইলানৰ খুতবাতুল জুমুআহ ৱা আহকামুহা আল-ফিকহিয়্যাহ (২২)।

[2] দ্ৰষ্টব্যঃ তাফছীৰ আত তাবাৰীঃ (২২/ ৬৪২)।

[3] আল-মুগনীঃ (২/ ২২৪)।

## তৃতীয়: খুতবাৰ চৰ্তাৱলী

১- খুৎবা দুটা হ’ব লাগে; কাৰণ আব্দুল্লাহ ইবনে ওমৰ -ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত আছে, তেওঁ কৈছে:

«كَانَ النَّبِيُّ ﷺ يَخْطُبُ خُطْبَتَيْنِ يَقْعُدُ بَيْنَهُمَا».

«নবী চাল্লাল্লাহু আলাইহি অছাল্লামে দুটা খুৎবা দিছিল, আৰু দুয়ো খুতবাৰ মাজত বহিছিল।»[1]

২- জুমুআৰ চালাতৰ সময় আৰম্ভ হোৱাৰ পাছত অনুষ্ঠিত হ’ব লাগিব, কাৰণ যদি এই খুতবা অথবা তাৰ কোনো অংশ সময় হোৱাৰ আগতে অনুষ্ঠিত হয়, তেন্তে সেই খুতবা শুদ্ধ নহ’ব।

৩- ছালাতৰ পূৰ্বে দুটা খুতবা দিব লাগে; কাৰণ ছাইব বিন এৱীদ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত আছে যে, তেওঁ কৈছে:

«إِنَّ الأَذَانَ يَوْمَ الجُمُعَةِ كَانَ أَوَّلُهُ حِينَ يَجْلِسُ الإِمَامُ يَوْمَ الجُمُعَةِ عَلَى المِنْبَرِ فِي عَهْدِ رَسُولِ اللَّهِ ﷺ وَأَبِي بَكْرٍ وَعُمَرَ رَضِيَ اللَّهُ عَنْهُمَا»

«ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লাম, আবু বকৰ আৰু ওমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ আমোলত জুমুআৰ আজানৰ আৰম্ভণি হৈছিল যেতিয়া ইমাম মিম্বৰত বহিছিল।»[2] দুয়োটা খুতবা ছালাতৰ পূৰ্বে প্ৰদান কৰাৰ ক্ষেত্ৰত এইটোৱে হৈছে স্পষ্ট প্ৰমাণ।

লগতে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«صَلُّوا كَمَا رَأَيْتُمُونِي أُصَلِّي»

---

[1] (বুখাৰীঃ হাদীছ নং ৯২৮)

[2] (বুখাৰীঃ হাদীছ নং ৯১৬)

"তোমালোকে সেইদৰেই ছালাত আদায় কৰা, যেনেকৈ মোক ছালাত আদায় কৰোঁতে দেখিছা।"[1], আৰু নবী চাল্লাল্লাহু আলাইহি অছাল্লামে দুটা খুৎবাৰ পিছতহে চালাত আদায় কৰিছিল। এইদৰে আল-মাৰ্দাৱীয়ে কৈছেঃ "দুয়োটা খুতবা চালাতৰ পূৰ্বে প্ৰদান কৰাৰ ক্ষেত্ৰত কাৰো দ্বিমত নাই।"[2]।"

৪- খুতবাৰ অংশবোৰ একেলেঠাৰিয়ে আদায় কৰিব লাগিব, ইমাম ইবনে কুদামা ৰাহিমাহুল্লাহে কৈছে: "খুতবা শুদ্ধ হোৱাৰ বাবে ধাৰাবাহিকতা ৰক্ষা কৰাটো হৈছে এটা চৰ্ত। যদি দীঘলীয়া কথা-বতৰা, দীঘলীয়া নীৰৱতা, বা এনে কোনো কাৰ্যৰ দ্বাৰা খুতবাৰ ধাৰাবাহিকতাত বাধা পৰে, তেন্তে খুতবা পুনৰ নতুনকৈ আৰম্ভ কৰিব লাগিব। বিৰতি দীঘলীয়া নে চুটি, সেয়া প্ৰচলিত ৰীতি-নীতিৰ ওপৰত নিৰ্ভৰ কৰিব। ঠিক তেনেদৰে খুতবা আৰু চালাতৰ মাজতো ধাৰাবাহিকতা ৰক্ষা কৰাটো হৈছে এটা চৰ্ত। আনহাতে যদি পৱিত্ৰতা অৰ্জন কৰাৰ প্ৰয়োজন হয়, তেন্তে তেওঁ পৱিত্ৰতা অৰ্জন কৰি য'ত খুতবা শেষ কৰিছিল তাৰ পৰাই পুনৰ আৰম্ভ কৰিব, যদিহে এই বিৰতি দীঘলীয়া নহয়।"[3]

৫- খুতবা উচ্চস্বৰে দিব লাগে। কিয়নো খুতবা হৈছে ওৱাজিব, আৰু জুমু'আ শুদ্ধ হ'বলৈ এইটো হৈছে এটা চৰ্ত, আৰু উচ্চস্বৰে দিয়াটোৱে হৈছে এই খুতবা আদায়

---

1 বুখাৰীয়ে বৰ্ণনা কৰিছে: (631) মালিক ইবনুল-হুৱাইৰিছ ৰাদ্বিয়াল্লাহু আনহুৰ দ্বাৰা বৰ্ণিত।

2 আল-ইনছাফঃ (২/ ৩৮৯)

3 আল-মুগনীঃ (২/২৩০)।

কৰাৰ আৰু ইয়াৰ উদ্দেশ্য (ওৱাজ-নছিহত) পূৰণ কৰাৰ মাধ্যম। জানি থোৱা উচিত যে, যি বস্তু অবিহনে কোনো ওৱাজিব আদায় নহয়, সেই বস্তুটোও ওৱাজিব।

৬- জুমুআ অনুষ্ঠিত হোৱাৰ বাবে আৱশ্যকীয় সংখ্যক লোক উপস্থিত থাকিব লাগিব; কাৰণ খুতবা হৈছে এনেকুৱা এটা জিকৰ যাৰ বাবে চেষ্টা কৰাটো ওৱাজিব, সেয়েহে উক্ত সংখ্যক লোকে খুতবা শুনাটো অনিবাৰ্য্য।

## চতুৰ্থ মাছআলা: খুতবাৰ আৰকান

১- সৰ্বশক্তিমান আল্লাহৰ প্ৰশংসাৰ জৰিয়তে আৰম্ভ কৰিব লাগিব; জাবিৰ ইবনে আব্দুল্লাহ ৰাদ্বিয়াল্লাহু আনহুমাৰ হাদীছৰ দ্বাৰা প্ৰমাণিত যে, তেওঁ কৈছে:

«كَانَتْ خُطْبَةُ النَّبِيِّ ﷺ يَوْمَ الجُمُعَةِ يَحْمَدُ اللَّهَ، وَيُثْنِي عَلَيْهِ، ثُمَّ يَقُولُ عَلَىٰ إِثْرِ ذَٰلِكَ...» الحديث.

«নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জুমুআৰ দিনাৰ খুতবাত আল্লাহৰ প্ৰশংসা আৰু তেওঁৰ গুণগাণ কৰিছিল, তাৰ পিছত এইদৰে কৈছিল...» হাদীছ[1]

২- ইয়াৰ ভিতৰত নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ প্ৰতি দৰূদ থকা; কাৰণ চাহাবা ৰাদ্বিয়াল্লাহু আনহুমৰ ওচৰত খুৎবাসমূহত নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ প্ৰতি দৰূদ পঠোৱাটো এটা জনাজাত আৰু প্ৰসিদ্ধ বিষয় আছিল।[2]

1 (মুছলিমঃ ৮৬৭)
2 দ্ৰষ্টব্যঃ জালাউল আফহাম লি-ইবনিল কাইয়্যিম। (৩৭১)

২- উপদেশ আৰু মহান আল্লাহৰ তাক্বৱাৰ অচিয়তক অন্তৰ্ভুক্ত কৰিব লাগিব; জাবিৰ ইবনে চামুৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ

«كَانَتْ لِلنَّبِيِّ ﷺ خُطْبَتَانِ، يَجْلِسُ بَيْنَهُمَا، يَقْرَأُ الْقُرْآنَ، وَيُذَكِّرُ النَّاسَ»؛

«নবী চাল্লাল্লাহু আলাইহি অছাল্লামে দুটা খুৎবা দিছিল, আৰু তেখেতে দুয়োটা খুতবাৰ মাজত বহিছিল, তেখেতে খুতবাত কোৰআন পাঠ কৰিছিল আৰু মানুহক উপদেশ দিছিল।»[1] কাৰণ এইটোৱে হৈছে খুতবাৰ উদ্দেশ্য।

৪- কোৰআনৰ কিছু অংশ তিলাৱত কৰা; ইয়াৰ দলীল হৈছে জাবিৰ ইবনে চামুৰা ৰাদ্বিয়াল্লাহু আনহুৰ হাদীছঃ

«كَانَتْ لِلنَّبِيِّ ﷺ خُطْبَتَانِ، يَجْلِسُ بَيْنَهُمَا، يَقْرَأُ الْقُرْآنَ، وَيُذَكِّرُ النَّاسَ».

«নবী চাল্লাল্লাহু আলাইহি অছাল্লামে দুটা খুৎবা দিছিল, তেখেতে সেই দুয়োটা খুতবাৰ মাজত বহিছিল, কোৰআন তিলাৱত কৰিছিল আৰু লোকসকলক উপদেশ দিছিল।»

## পঞ্চম মাছআলাঃ খুতবাৰ ছুন্নতসমূহঃ

১- মিম্বৰৰ ওপৰত অথবা কোনো ওখ ঠাইত খুতবা প্ৰদান কৰা।

«فَقَدْ صُنِعَ لَهُ ﷺ مَنبرٌ، فَخَطَبَ عَلَيْهِ يَوْمَ الجُمُعَةِ»،

«তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামৰ বাবে এখন মিম্বৰ নিৰ্মাণ কৰা হৈছিল, আৰু তেখেতে জুমু'আৰ দিনা

[1] (মুছলিমঃ ৮৬২)

সেইখনৰ ওপৰত খুতবা প্ৰদান কৰিছিল।»[1] বহুতো চাহাবা ৰাদ্বিয়াল্লাহু আনহুমৰ পৰা বহুসূত্ৰে প্ৰমাণিত হৈছে যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে মিম্বৰত ভাষণ দিছিল,[2] আৰু নৱবী ৰাহিমাহুল্লাহে এইটো মুস্তাহাব হোৱা সম্পৰ্কে থকা ঐকমত্যৰ কথা উল্লেখ কৰি কৈছেঃ এই বিষয়ত উলামাসকল একমত যে, মিম্বৰৰ ওপৰত খুতবা দিয়াটো মুস্তাহাব। (149)[3] কাৰণ এনে কৰিলে বাৰ্তা অধিক উত্তমৰূপে সকলোলৈ গৈ পায়, আৰু যেতিয়া মানুহে খতীবক প্ৰত্যক্ষ কৰে তেতিয়া তেওঁলোকৰ ওপৰত উপদেশ অধিক প্ৰভাৱশালী হয়।

২- খুতবাৰ সময়ত খতীবে থিয় হোৱা; কাৰণ মহান আল্লাহে কৈছেঃ

﴿وَإِذَا رَأَوۡاْ تِجَٰرَةً أَوۡ لَهۡوًا ٱنفَضُّوٓاْ إِلَيۡهَا وَتَرَكُوكَ قَآئِمٗا...﴾

"আৰু সিহঁতে যেতিয়া ব্যৱসায় অথবা ক্ৰীড়া-কৌতুক দেখা পায় তেতিয়া সিহঁতে আপোনাক থিয় অৱস্থাতেই ৰাখি সেইফালে ধাৱিত হয়..." (ছুৰা আল-জুমুআহঃ ১১) আব্দুল্লাহ ইবনে ওমৰ -ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ

«كَانَ النَّبِيُّ ﷺ يَخْطُبُ قَائِمًا، ثُمَّ يَقْعُدُ، ثُمَّ يَقُومُ كَمَا تَفْعَلُونَ الآنَ».

---

[1] (বুখাৰীঃ হাদীছ নং ২০৯৫)

[2] দ্ৰষ্টব্যঃ ইৰৱাউল গালীল ফী তাখৰীজি আহাদীছি মানাৰিছ ছাবীলঃ (৩/ ৭৫) আৰু পৰৱৰ্তী।

[3] (আল-মাজমূ শ্বাৰহ আল-মুহাজ্জাবঃ ৪/৫২৭)

"নবী চাল্লাল্লাহু আলাইহি অছাল্লামে থিয় হৈ ভাষণ দিছিল, তাৰ পিছত বহিছিল, পুনৰ থিয় হৈছিল, যিদৰে তোমালোকে এতিয়া কৰা।"[1]

৩- খতীবৰ বাবে মামূমসকলৰ (মুক্তাদীসকলৰ) মুখামুখি হোৱাটো ছুন্নত; আব্দুল্লাহ ইবনে ওমৰ - ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত যে,

«أَنَّ النَّبِيَّ ﷺ كَانَ إِذَا دَنَا مِنْ مِنْبَرِهِ يَوْمَ الجُمُعَةِ سَلَّمَ عَلَى مَنْ عِنْدَهُ مِنَ الجُلُوسِ، فَإِذَا صَعِدَ المَنبرَ اسْتَقْبَلَ النَّاسَ بِوَجْهِهِ ثُمَّ سَلَّمَ».

«নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জুমুআৰ দিনা যেতিয়া তেখেতৰ মিম্বৰৰ ওচৰলৈ গৈছিল, তেতিয়া তাত বহি থকা লোকসকলক ছালাম কৰিছিল। তাৰ পিছত যেতিয়া মিম্বৰত উঠিছিল, তেতিয়া মানুহৰ অভিমুখী হৈ ছালাম কৰিছিল।»[2]

হাফিজ ইবনে ৰজব ৰাহিমাহুল্লাহে কৈছেঃ "ইমামে মছজিদৰ লোকসকলৰ সন্মুখীন হোৱা আৰু কিবলাক পিঠি দিয়াটো সৰ্বসন্মতভাৱে প্ৰমাণিত, আৰু বিভিন্ন দলিলেও এইটোকে প্ৰমাণ কৰে; কাৰণ তেওঁ তেওঁলোকক সম্বোধন কৰে, যাতে তেওঁলোকে তেওঁৰ কথা বুজিব পাৰে। এই সকলোবোৰেই হৈছে ছুন্নত। এতেকে যদি কোনো ইমামে ইয়াৰ বিপৰীত কৰে, তেন্তে তেওঁ ছুন্নতৰ বিপৰীত কাম কৰে, কিন্তু তেওঁৰ জুমুআ শুদ্ধ হৈ যাব।"[3]

---

1 (বুখাৰীঃ ৯২০, আৰু মুছলিমঃ ৮৬১)

2 বাইহাকী ছুনান আল-কুবৰাঃ ৫৭৪২)

3 (ফাতহুল বাৰী লি-ইবনে ৰজবঃ ৮/ ২৫০)

৪- খতীবে মুক্তাদীসকলৰ অভিমুখী হৈ ছালাম দিয়াটো ছুন্নত; কাৰণ জাবিৰ ৰাদ্বিয়াল্লাহু আনহুৰ দ্বাৰা বৰ্ণিত হাদীছত আছে যে,

«أَنَّ النَّبِيَّ ﷺ كَانَ إِذَا صَعِدَ المِنْبَرَ سَلَّمَ».

"নবী চাল্লাল্লাহু আলাইহি অছাল্লামে যেতিয়া মিম্বৰত আৰোহণ কৰিছিল, তেতিয়া ছালাম দিছিল।"[1]

৫- মুৱাজ্জিনে আজান শেষ কৰা পৰ্যন্ত মিম্বৰত বহা; কাৰণ ইবনু ওমৰ ৰাদ্বিয়াল্লাহু আনহুমাই কৈছেঃ

«كَانَ النَّبِيُّ ﷺ يَخْطُبُ خُطْبَتَيْنِ، كَانَ يَجْلِسُ إِذَا صَعِدَ المَنبرَ حَتَّى يَفْرُغَ المُؤَذِّنُ، ثُمَّ يَقُومُ فَيَخْطُبُ، ثُمَّ يَجْلِسُ فَلَا يَتَكَلَّمُ، ثُمَّ يَقُومُ فَيَخْطُبُ».

«নবী চাল্লাল্লাহু আলাইহি অছাল্লামে দুটা খুতবা দিছিল: তেওঁ মিম্বৰত আৰোহণ কৰি মুৱাজ্জিনৰ আজান শেষ হোৱালৈকে বহিছিল, তাৰ পিছত থিয় হৈ খুতবা দিছিল, ইয়াৰ পিছত একো কথা নোকোৱাকৈ বহিছিল, পুনৰ থিয় হৈ খুতবা দিছিল।»[2] ইয়াৰ সমৰ্থনত ছায়িব বিন এৰ্যীদ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত হাদীছটোও উল্লেখযোগ্য, তেওঁ কৈছেঃ

«إِنَّ الأَذَانَ يَوْمَ الجُمُعَةِ كَانَ أَوَّلُهُ حِينَ يَجْلِسُ الإِمَامُ يَوْمَ الجُمُعَةِ عَلَى المِنْبَرِ فِي عَهْدِ رَسُولِ اللَّهِ ﷺ وَأَبِي بَكْرٍ وَعُمَرَ رَضِيَ اللَّهُ عَنْهُمَا».

«নিশ্চয় ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লাম, আবু বকৰ আৰু ওমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ যুগত জুমু'আৰ

[1] (ইবনে মাজাহঃ হাদীছ নং ১১০৯)
[2] (আবু দাউদঃ ১০৯২)

দিনাৰ আজান তেতিয়াই আৰম্ভ হৈছিল যেতিয়া ইমাম মিম্বৰত বহিছিল।»[1]

৬- সামৰ্থ্য অনুসৰি উচ্চস্বৰে ভাষণ দিয়া; কাৰণ জাবিৰ ইবনে আব্দুল্লাহ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত আছে, তেওঁ কৈছে: ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে যেতিয়া ভাষণ দিছিল, তেতিয়া তেখেতৰ চকু দুটা ৰঙা পৰিছিল, উচ্চস্বৰে কথা কৈছিল আৰু ক্ৰোধ বৃদ্ধি পাইছিল, এনে লাগিছিল যেনিবা তেখেতে কোনো সৈন্যবাহিনীক সতৰ্ক কৰি কৈ আছে:

«صَبَّحَكُمْ وَمَسَّاكُمْ»

«ছাব্বাহাকুম ওৱা মাচ্ছাকুম»[2]، (ছাব্বাহাকুম) অৰ্থাৎ: সৈন্যবাহিনীয়ে পুৱাৰ সময়ত তোমালোকক আক্ৰমণ কৰিব পাৰে, আৰু (মাচ্ছাকুম) অৰ্থাৎ: সিহঁতে গধূলিৰ সময়তো তোমালোকক আক্ৰমণ কৰিব পাৰে। দৰাচলতে সচৰাচৰ ভয় দেখুৱাবলৈ এই শব্দ দুটা ব্যৱহাৰ কৰা হৈছিল।

৭- দুই খুতবাৰ মাজত অলপ বহা; কাৰণ ইবনু ওমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ হাদীছত আছে:

«كَانَ النَّبِيُّ ﷺ يَخْطُبُ خُطْبَتَيْنِ يَقْعُدُ بَيْنَهُمَا».

"নবী চাল্লাল্লাহু আলাইহি অছাল্লামে দুটা খুৎবা দিছিল, আৰু দুয়োটাৰ মাজত বহিছিল"।[3]

---

[1] (বুখাৰীঃ হাদীছ নং ৯১৬)

[2] (মুছলিমঃ ৮৬৭)

[3] (বুখাৰীঃ হাদীছ নং ৯২৮)

৮- খুৎবা দুটা চুটি কৰা, আৰু দ্বিতীয়টো প্ৰথমটোতকৈ চুটি কৰা, কিন্তু চালাত দীঘল কৰা; কাৰণ আম্মাৰ ৰাদ্বিয়াল্লাহু আনহুৰ হাদীছত আছে যে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

«إِنَّ طُولَ صَلَاةِ الرَّجُلِ وَقِصَرَ خُطْبَتِهِ مَئِنَّةٌ -أَيْ: عَلَامَةٌ- مِنْ فِقْهِهِ، فَأَطِيلُوا الصَّلَاةَ، وَاقْصُرُوا الْخُطْبَةَ»

"এজন ব্যক্তিৰ চালাত দীঘল আৰু খুতবা চমু হোৱাটো তেওঁৰ গভীৰ ধৰ্মীয় জ্ঞানৰ লক্ষণ। সেয়েহে চালাত দীঘলীয়া কৰিবা আৰু খুতবা চমু কৰিবা।"[1]

৯- মুছলিমসকলৰ দ্বীন আৰু দুনিয়াৰ কল্যাণৰ বাবে, আৰু মুছলিম শাসকসকলৰ সংশোধন আৰু তাওফীকৰ বাবে দুআ কৰাটো ছুন্নত। ইমাম নাৱাৱী ৰাহিমাহুল্লাহে কৈছে: মুছলিমসকলৰ ইমামসকল আৰু তেওঁলোকৰ শাসকসকলৰ সংশোধন, হকৰ ওপৰত সহায়, ন্যায় প্ৰতিষ্ঠা আৰু এই ধৰণৰ অন্যান্য বিষয়ৰ বাবে, লগতে ইছলামৰ সৈন্যবাহিনীৰ বাবেও দুআ কৰাটো সৰ্বসন্মতিক্ৰমে মুস্তাহাব।[2]

জুমুআৰ খুতবাত দুআ কৰাৰ সময়ত ইমামৰ বাবে হাত উত্তোলন কৰা চৰীয়তসন্মত নহয়, কেৱল ইস্তিস্কাৰ বাহিৰে, বৰঞ্চ তেওঁৰ বাবে শ্বাহাদাত আঙুলিৰে ইংগিত দিয়া মুস্তাহাব। উমাৰা বিন ৰুৱাইবা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ বিশ্বৰ বিন মাৰৱানক মিম্বৰৰ ওপৰত দুয়ো হাত উত্তোলন কৰি থকা দেখি কৈছিল:

---

[1] (মুছলিমঃ ৮৬৯)

[2] (আল-মাজমু' শ্বাৰহুল মুহাজ্জাবঃ ৪/৫২১)

«قَبَّحَ اللَّهُ هَاتَيْنِ الْيَدَيْنِ؛ لَقَدْ رَأَيْتُ رَسُولَ اللَّهِ ﷺ مَا يَزِيدُ عَلَىٰ أَنْ يَقُولَ بِيَدِهِ هَكَذَا، وَأَشَارَ بِإِصْبَعِهِ الْمُسَبِّحَةِ».

«আল্লাহে এই দুখন হাতক কুৎসিত কৰক। মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামক দেখিছোঁ, তেখেতে নিজৰ হাতেৰে এনেকৈ কোৱাৰ বাহিৰে আন একো কৰা নাছিল, আৰু তেখেতে নিজৰ তৰ্জনী আঙুলিৰে ইংগিত দিছিল।»[1]

১০- খুতবা প্ৰদানকাৰীয়েই চালাতৰ ইমামতি কৰা। কাৰণ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে নিজেই এই দুয়োটাৰ ইমামতি কৰিছিল, আৰু সেইদৰে তেখেতৰ পিছত তেখেতৰ খলীফাসকলেও কৰিছিল। আনহাতে যদি কোনো ওজৰৰ কাৰণে এজনে খুৎবা দিয়ে আৰু আন এজনে চালাতৰ ইমামতি কৰে, তেন্তে সেয়াও জায়েয হ'ব।[2]

## ষষ্ঠ মাছআলা: জুমুআৰ খুতবাৰ অনুবাদ:

যিবোৰ দেশৰ অধিকাংশ লোকেই আৰবী ভাষা নাজানে, সেইবোৰ দেশত খতীবে তেওঁলোকৰ নিজৰ ভাষাত খুতবা দিব পাৰে। যাতে তেওঁলোকে খুতবা বুজি পায়, ইয়াৰ উদ্দেশ্য পূৰণ হয় আৰু খুতবাৰ মাজত থকা জ্ঞান, উপদেশ তথা স্মৰণৰ দ্বাৰা উপকৃত হ'ব পাৰে। কিয়নো নবী চাল্লাল্লাহু ‘আলাইহি অছাল্লামৰ পৰা এনে কোনো কথাই প্ৰমাণিত নাই, যাৰ দ্বাৰা এইটো সাব্যস্ত হয় যে, জুমু‘আৰ খুতবা আৰবী ভাষাতেই হ’ব লাগিব।

---

[1] (মুছলিমঃ ৮৭৪)

[2] (ইবনে কুদামাৰ আল-মুগনীঃ ২/ ২২৮)

বৰং তেখেত চাল্লাল্লাহু ‘আলাইহি অছাল্লামে আৰবী ভাষাত খুতবা দিছিল; কিয়নো সেইটো আছিল তেখেতৰ মাতৃভাষা আৰু তেখেতৰ জাতিৰ ভাষা।

খতীবৰ বাবে উত্তম হৈছে তেওঁ আৰবী ভাষাত খুতবা দি তাৰ পিছত নিজৰ দেশৰ ভাষাত অনুবাদ কৰা, যাতে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ খুতবাৰ অনুসৰণ হয় আৰু এই বিষয়ৰ মতানৈক্যৰ পৰাও বাচিব পৰা যায়।

অনুবাদৰ ক্ষেত্ৰত শ্ৰোতাসকলৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি এইটো বিবেচনা কৰিব লাগে যে, অনুবাদটো খুতবাৰ প্ৰতিটো অংশৰ পিছত কৰা হ'ব, নে আৰবী খুতবা সমাপ্ত হোৱাৰ পিছত নামাজৰ আগত কৰা হ'ব।

এইদৰে খুতবাৰ তাৎক্ষণিক অনুবাদ কৰা বৈধ। লগতে কোনো সম্প্ৰচাৰ কেন্দ্ৰৰ যোগেদি সেই অনুবাদ সম্প্ৰচাৰ কৰা, আৰু আৰবী নজনা নামাজীসকলে ৰিচিভাৰ ব্যৱহাৰ কৰি সেই অনুবাদ শুনাও বৈধ। অনুবাদক বা শ্ৰোতা, কাৰো পক্ষৰ পৰাই ইয়াক নিষিদ্ধ অনৰ্থক কথা-বতৰা বুলি গণ্য কৰা নহয়; কাৰণ ইয়াৰ দ্বাৰা সামূহিক কল্যাণ সাধিত হয় আৰু খুতবাৰ মূল উদ্দেশ্যও পূৰণ হয়।

## সপ্তম মাছআলাঃ খতীবৰ গুণাৱলী

মছজিদৰ খতীব হৈছে মছজিদৰ মূল স্তম্ভ আৰু শক্তি। তেওঁৰ জৰিয়তেই মছজিদত দাৱাত প্ৰচাৰ হয়, সমাজক সচেতন কৰা হয় আৰু মানুহক তেওঁলোকৰ দ্বীন সম্পৰ্কীয় জ্ঞান দিয়াৰ দৰে গুৰুত্বপূৰ্ণ দায়িত্ব

পালন কৰা হয়। গতিকে যদি খতীবজন জ্ঞানী, বিচক্ষণ, অন্তৰ্দৃষ্টিসম্পন্ন, তথা মানুহৰ ৰীতি-নীতি আৰু অৱস্থা সম্পৰ্কে অৱগত হয়, তেন্তে মছজিদৰ জামাত আৰু মছজিদ থকা অঞ্চলটোৰ বাসিন্দাসকলৰ ওপৰত তেওঁৰ প্ৰভাৱ উত্তম আৰু উপকাৰী হ'ব। কাৰণ তেৱেঁই তেওঁলোকক শিক্ষা প্ৰদান কৰে, সৎপথ প্ৰদৰ্শন কৰে আৰু সকলো কল্যাণ আৰু ফজীলতৰ ফালে পৰিচালিত কৰে।

খুতবাৰ চৰ্তসমূহ পূৰণকাৰী সকলো খতীব এনেকুৱাই আছিল। ইছলামৰ প্ৰাৰম্ভিক যুগত নবী চাল্লাল্লাহু আলাইহি অছাল্লামেই খতীব আছিল, তাৰ পিছত তেখেতৰ খোলাফায়ে ৰাশ্বিদুনসকল, তাৰ পিছত ৰজা-বাদশ্বাহসকল, সেনাপতিসকল, আলিমসকল আৰু জ্ঞানী-গুণী ব্যক্তিসকল। এইটোৱে প্ৰমাণ কৰে যে, এই গুৰুত্বপূৰ্ণ দায়িত্ব পালনকাৰী ব্যক্তিজন নিশ্চিতভাৱে দ্বীন, চৰিত্ৰ, জ্ঞান আৰু আচৰণৰ ক্ষেত্ৰত উচ্চ মৰ্যাদাৰ অধিকাৰী হ'ব লাগিব।

ইয়াৰ পৰাই মানৱ জীৱনত এই দায়িত্বটোৰ গুৰুত্ব ফুটি উঠে। কিয়নো খতীবসকলৰ দক্ষতা তেওঁলোকৰ সমাজত প্ৰতিফলিত হয়, আৰু তেওঁলোকৰ দুৰ্বলতাৰ প্ৰভাৱো সমাজত স্পষ্ট হৈ পৰে। কাৰণ মছজিদেই সমাজক কথা আৰু কামৰ মাজত মিল থকাৰ শিক্ষা দিয়ে। এতেকে যদি খতীবজন জ্ঞান, বুদ্ধি-বিবেক অথবা ব্যক্তিত্বৰ ফালৰ পৰা দুৰ্বল হয়, অথবা তেওঁৰ চৰিত্ৰ আৰু আচৰণ বেয়া হয়, তেন্তে তেওঁ উপকাৰ কৰাৰ

পৰিৱৰ্তে অপকাৰহে কৰে। খতীবৰ এক গুৰুত্বপূৰ্ণ দায়িত্ব হৈছে নামাজীসকলক কল্যাণ, সৎকৰ্ম আৰু সংশোধনৰ দিশত পৰিচালিত কৰা। সেয়েহে এজন অজ্ঞ খতীবৰ পক্ষে এই মহান দায়িত্ব পালন কৰাটো অত্যন্ত কঠিন।

কেতিয়াবা খতীবজন জ্ঞান আৰু ব্যক্তিগত সামৰ্থ্যৰ ফালৰ পৰা এই দায়িত্বৰ বাবে যোগ্য হোৱা সত্ত্বেও, তেওঁ অন্য কাম-কাজত ব্যস্ত থকাৰ কাৰণে তেওঁৰ দায়িত্ব পালনত বিৰূপ প্ৰভাৱ পৰে।

এইদৰে তেওঁ হয়তো পৰিস্থিতি অনুযায়ী খুতবা প্ৰস্তুত কৰিবলৈ পৰ্যাপ্ত সময় নাপাব পাৰে। ফলত তেওঁ মানুহৰ সন্মুখলৈ এনেকুৱা এটা খুতবা লৈ আহে -যিদৰে ইবনুল কায়্যিম আল-জাওযিয়্যাহ ৰাহিমাহুল্লাহে কৈছে- এনেকুৱা খুতবাই অন্তৰত আল্লাহৰ প্ৰতি ঈমান সৃষ্টি নকৰে, তেওঁৰ তাওহীদ প্ৰতিষ্ঠা নকৰে, তেওঁৰ বিষয়ে বিশেষ জ্ঞান দান নকৰে, আল্লাহৰ দিনসমূহৰ বিষয়ে সোঁৱৰাই নিদিয়ে, আৰু অন্তৰত তেওঁৰ প্ৰতি ভালপোৱা তথা তেওঁৰ সৈতে সাক্ষাৎ কৰাৰ আগ্ৰহ জাগ্ৰত নকৰে।[1]

আৰু কেতিয়াবা প্ৰবৃত্তি, অজ্ঞানতা, বিবাদ-বিসম্বাদ নাইবা নিন্দনীয় চৰমপন্থাই তেওঁৰ ওপৰত প্ৰাধান্য বিস্তাৰ কৰে, যাৰ ফলত তেওঁ বস্তুনিষ্ঠতা, শিক্ষামূলক দিক-নিৰ্দেশনা আৰু হিকমত তথা উত্তম উপদেশৰ সৈতে দাৱাত দিয়াৰ পৰা বিচ্যুত হয়।

---

[1] (ঝাদ আল-মা'আদ ফী হাদয়ি খাইৰ আল-ইবাদঃ ১/৪০৯)

ইছলামত মছজিদৰ এক মহান ভূমিকা আছে; কাৰণ মছজিদ হৈছে হিদায়তৰ এনেকুৱা এক আলোকস্তম্ভ, য'ত বান্দাই নিজ প্ৰতিপালকৰ সৈতে সংযোগ স্থাপন কৰে, ঈমান শক্তিশালী হয়, আৰু মুছলিম ভাই-সকলৰ সৈতে একত্ৰিত হয়, যাতে সকলোৱে মিলি সৎ গুণৰ প্ৰচাৰ আৰু অসৎ গুণৰ বিৰোধিতা কৰিব পাৰে। মছজিদে এই দায়িত্ব তেতিয়াহে পালন কৰিবলৈ সক্ষম হ'ব, যেতিয়া আল্লাহে তাৰ বাবে এনেকুৱা এজন ইমাম নিযুক্ত কৰিব, যাৰ মাজত এই মহান পদৰ বাবে প্ৰয়োজনীয় জ্ঞানগত আৰু নৈতিক গুণাৱলী থাকে আৰু যিয়ে এই সন্মানীয় কৰ্তব্যসমূহ পালন কৰে।

**খতীবৰ বাবে আৱশ্যকীয় প্ৰধান গুণাৱলীসমূহ:**

১ - ইখলাচৰ সৈতে আল্লাহৰ উদ্দেশ্যে আমল কৰা, যাতে সেই আমল আল্লাহৰ ওচৰত আৰু মানুহৰ ওচৰত সমৰ্থিত, সাহায্যপ্ৰাপ্ত, মকবুল আৰু প্ৰিয়পাত্ৰ হয়।

২ - লোকক দেখুওৱা মনোভাৱ আৰু গৌৰৱ-অহংকাৰৰ পৰা বিৰত থকা; কিয়নো সকলো কাম তাৰ উদ্দেশ্যৰ দ্বাৰাই বিবেচিত হয়, আৰু আমলসমূহ নিয়্যতৰ ওপৰত নিৰ্ভৰশীল। নিশ্চয় প্ৰত্যেক ব্যক্তিয়ে সেয়াই পাব, যি তেওঁ নিয়্যত কৰিব। আনহাতে যিয়ে নিজৰ মাজত নথকা গুণৰ ভাও দেখুৱায়, আল্লাহে তাক লাঞ্ছিত কৰে।

৩- পৱিত্ৰ কোৰআনৰ হাফিজ হ’ব লাগিব বা ইয়াৰ কিছু অংশ মুখস্থ থাকিব লাগিব, আৰু মুখস্থ কৰাখিনি

নিয়মীয়াকৈ চৰ্চা কৰাৰ লগতে দৈনিক কোৰআন তিলাৱতৰ অভ্যাসো থাকিব লাগিব।

৪- কিছুমান হাদীছ মুখস্থ থাকিব লাগিব; যেনে- ৰিয়াজুছ চলিহীনৰ পৰা, আল-আৰবাইন আন-নাৱাৱিয়্যাৰ পৰা, বুলুগুল মাৰামৰ পৰা, অথবা অন্যান্য নিৰ্ভৰযোগ্য হাদীছ গ্ৰন্থৰ পৰা।

৫ - ছহীহ আকীদা, অৰ্থাৎ ছালাফে ছালেহীনৰ আকীদাৰে শিক্ষিত হ'ব লাগিব।

৬- দ্বীনৰ বিধান সম্পৰ্কীয় ফিকহৰ জ্ঞান অৰ্জন কৰিব লাগে, বিশেষকৈ ইবাদতৰ ফিকহ, যাৰ মাজত আটাইতকৈ গুৰুত্বপূৰ্ণ হৈছে পৱিত্ৰতা, চালাত, যাকাত, আৰু চওম। লগতে লেনদেনৰ ফিকহৰ জ্ঞানো অৰ্জন কৰিব লাগে; যাতে উপাৰ্জন আৰু ব্যয়ৰ নীতি-নিয়ম জানিব পাৰে, মানুহক প্ৰতাৰণা, প্ৰৱঞ্চনা আৰু অন্যায়ভাৱে আনৰ সম্পদ ভক্ষণ কৰাৰ পৰা সতৰ্ক কৰিব পাৰে, আৰু লগতে তেওঁলোকক অপব্যয়, অপচয়, কৃপণালি আৰু কাৰ্পণ্যৰ পৰা সতৰ্ক কৰিব পাৰে, যাতে তেওঁলোকৰ আৰ্থিক লেনদেনসমূহ কোৰআন আৰু ছুন্নাহৰ আলোকত পৰিচালিত হয়।

৭ - তেওঁ আৰবী ভাষা ভালদৰে জানিব লাগিব, যাতে আল্লাহ তা'আলাই তেওঁৰ ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওপৰত যি অৱতীৰ্ণ কৰিছে তাৰ অৰ্থ বুজিব পাৰে। কাৰণ কোৰআন আৰবী ভাষাত অৱতীৰ্ণ হৈছে।

৮- নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ জীৱনচৰিত, শ্বামায়েলে মুহাম্মদীয়া, আৰু ছালাফে ছালেহীনৰ

জীৱনচৰিত অধ্যয়ন কৰা; কিয়নো এইবোৰত সৎ আদৰ্শ, উত্তম আৰ্হি, উপকাৰী জ্ঞান-ভাণ্ডাৰ, আৰু উচ্চ ইছলামী সংস্কৃতি নিহিত আছে।

৯) বিশুদ্ধ আক্বীদা, জ্ঞান আৰু বিবেকৰ বাবে পৰিচিত নিজৰ দেশৰ লগতে অন্যান্য ঠাইৰ গভীৰ জ্ঞানসম্পন্ন পণ্ডিতসকলক চিনি পোৱা, আৰু দ্বীনি বিষয়সমূহ তথা সমাজৰ সমস্যা সমাধানৰ বাবে প্ৰয়োজনীয় সকলো ক্ষেত্ৰত তেওঁলোকৰ ওচৰত প্ৰত্যাৱৰ্তন কৰা।

১০ - ইছলামী ফিৰ্কাসমূহ আৰু সিহঁতৰ আকীদা সম্পৰ্কে, বিভিন্ন বৈচাৰিক মতাদৰ্শ আৰু তাৰ উদ্দেশ্য, লগতে ধ্বংসাত্মক মতবাদ আৰু সিহঁতৰ লক্ষ্যসমূহৰ বিষয়ে জ্ঞান অৰ্জন কৰা, যাতে পৱিত্ৰ কোৰআন, ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামৰ ছুন্নত আৰু প্ৰাজ্ঞ মুছলিম উলামাসকলৰ লিখনিৰ পোহৰত সেইবোৰৰ বিষয়ে আলোচনা কৰিব পাৰে, সিহঁতৰ ভ্ৰান্তিৰ সমালোচনা কৰিব পাৰে আৰু বাতিলৰ পৰা সতৰ্ক কৰিব পাৰে।

১১- মুছলমানসকলৰ বাস্তৱ অৱস্থা, তেওঁলোকৰ দুৰ্বলতা আৰু তেওঁলোকৰ ওপৰত শত্ৰুৰ আধিপত্যৰ প্ৰতি তেওঁ মনোযোগ দিব লাগে। তেওঁ এইটোও জানিব লাগে যে, এই সকলোবোৰৰ কাৰণ হৈছে আল্লাহৰ সঠিক পথৰ পৰা তেওঁলোকৰ দূৰত্ব, আল্লাহৰ প্ৰতি ঈমানৰ দুৰ্বলতা, আৰু তেওঁৰ চৰীয়ত অমান্য কৰা।

সেয়ে ইমামে তেওঁলোকক দ্বীন আৰু দুনিয়াত উপকাৰী হোৱা বিষয়সমূহ শিক্ষা দিয়াৰ বাবে চেষ্টা কৰিব লাগে।

১২- বিভিন্ন গণমাধ্যমৰ সৈতে পৰিচিত হোৱা, ইয়াৰ ইতিবাচক-নেতিবাচক দিশসমূহ আৰু আল্লাহৰ ফালে আহ্বানৰ বাবে ইয়াৰ পৰা কেনেকৈ উপকৃত হ'ব পাৰি সেই বিষয়ে অৱগত হোৱা, লগতে নিজৰ আৰু সমাজৰ বাবে ইয়াত থকা বিপদসমূহৰ পৰা সতৰ্ক থকা।

জুমু'আৰ খতীবৰ মাজত এই গুণসমূহ বিদ্যমান থাকিলে, আল্লাহৰ অনুমতিক্ৰমে স্থিৰতা আৰু ভাৰসাম্য সৃষ্টি হয়।

**আৰু প্ৰধান চৰিত্ৰগত ভিত্তিসমূহ:**

১- মছজিদৰ খতীবজন মছজিদৰ জামা'আত, মহল্লাবাসী আৰু মছজিদলৈ অহা-যোৱা কৰা অন্যান্য লোকসকলৰ বাবে এজন আহ্বানকাৰী আৰু শিক্ষক হোৱা উচিত। এতেকে তেওঁৰ বাবে ৰাছুলুল্লাহ চাল্লাল্লাহু 'আলাইহি অছাল্লামক আদৰ্শ হিচাপে লোৱাটো জৰুৰী; কাৰণ তেখেতেই হৈছে উম্মত আৰু নেতৃবৃন্দৰ বাবে সৎ আদৰ্শ, উত্তম আৰ্হি আৰু সৰ্বোত্তম আদৰ্শ। মহান আল্লাহে কৈছে:

﴿لَّقَدۡ كَانَ لَكُمۡ فِي رَسُولِ ٱللَّهِ أُسۡوَةٌ حَسَنَةٞ لِّمَن كَانَ يَرۡجُواْ ٱللَّهَ وَٱلۡيَوۡمَ ٱلۡأٓخِرَ وَذَكَرَ ٱللَّهَ كَثِيرٗا21﴾

"নিশ্চয় তোমালোকৰ মাজৰ যিসকলে আল্লাহৰ (সন্তুষ্টি কামনা কৰে) আৰু আখিৰাতৰ (ভাল ফলাফল) আশা কৰে, লগতে আল্লাহক বেছি বেছি স্মৰণ কৰে,

তেওঁলোকৰ বাবে আল্লাহৰ ৰাছুলৰ (চৰিত্ৰৰ) মাজত আছে উত্তম আদৰ্শ।" (ছুৰা আল-আহঝাবঃ ২১)

তেওঁ নিজকে আৰু মছজিদৰ মুছল্লীসকলক দুনিয়াবী কথা-বতৰা আৰু ৰাজনীতিৰ পৰা আঁতৰাই ৰখা উচিত, আৰু মছজিদক কেৱল ইল্ম আৰু ইবাদতৰ বাবেহে সীমাবদ্ধ ৰখা উচিত।

২- তেওঁ নিজে পৰিষ্কাৰ-পৰিচ্ছন্ন আৰু পৰিপাটি হ'ব লাগিব, লগতে মছজিদৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতিও যত্ন ল'ব লাগিব, ইয়াৰ সামগ্ৰীসমূহ শৃংখলাবদ্ধভাৱে সজাই ৰাখিব লাগিব আৰু ইয়াৰ সা-সুবিধাসমূহৰ ৰক্ষণাবেক্ষণ কৰিব লাগিব। তদুপৰি এনে কামত অপচয় কৰাৰ পৰা আৰু মছজিদক অত্যাধিক জাক-জমকতা তথা সৌন্দৰ্য্যৰ পৰা বিৰত থাকিব লাগিব।

৩- উত্তম চাল-চলন আৰু আচৰণৰ অধিকাৰী হ'ব লাগে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ছুন্নত অনুসৰি দাড়ি ৰখা আৰু মোচ চুটি কৰাৰ লগতে ভৰিৰ সৰুগাঁঠিৰ তললৈকে কাপোৰ পৰিধান কৰাৰ পৰা বিৰত থকা, গাম্ভীৰ্য আৰু স্থিৰতা অৱলম্বন কৰা, আৰু ছালাফে ছালেহীনসকলৰ (আল্লাহে তেওঁলোকৰ ওপৰত ৰহমত বৰ্ষণ কৰক) পথ অনুসৰণ কৰা।

৪- নম্ৰ, সহনশীল আৰু দয়ালু হোৱা; কিয়নো নম্ৰ ব্যৱহাৰে যিকোনো বিষয়কে সৌন্দৰ্যময় কৰি তোলে, আৰু যিকোনো বিষয়ৰ পৰা যেতিয়া নম্ৰতা আঁতৰাই দিয়া হয় তেতিয়া সেইটো কলুষিত হৈ পৰে, যিদৰে এই বিষয়ে হাদীছত বৰ্ণিত হৈছে; আইশ্বা ৰাদ্বিয়াল্লাহু

আনহাৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

«إِنَّ الرِّفْقَ لَا يَكُونُ فِي شَيْءٍ إِلَّا زَانَهُ، وَلَا يُنْزَعُ مِنْ شَيْءٍ إِلَّا شَانَهُ»

"নিশ্চয় নম্ৰ ব্যৱহাৰে যিকোনো বিষয়কে সৌন্দৰ্যময় কৰি তোলে, আৰু যিটো বিষয়ত কোমলতা বা নম্ৰতা নাথাকে সেইটো কলুষিত হৈ পৰে।"[1]

এতেকে মছজিদলৈ অহা কোনো ব্যক্তিৰ দ্বাৰা ভুল সংঘটিত হ'লে, খতীবে তেওঁক ভৰ্ৎসনা কৰা উচিত নহয়, বৰং তেওঁক নম্ৰতাৰে উপদেশ দিয়া আৰু উত্তম পন্থাৰে শিক্ষা দিয়াহে উচিত। এই বিষয়ে মুআৱিয়া ইবনুল হাকাম আছ-ছুলামী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত আছে, তেওঁ কৈছে:

بَيْنَمَا أَنَا أُصَلِّي مَعَ رَسُولِ اللَّهِ ﷺ؛ إِذْ عَطَسَ رَجُلٌ مِنَ الْقَوْمِ، فَقُلْتُ: يَرْحَمُكَ اللَّهُ، فَرَامَنِي الْقَوْمُ بِأَبْصَارِهِمْ، فَقُلْتُ: وَاثُكْلَ أُمِّياه، مَا شَأْنُكُمْ تَنظُرُونَ إِلَيَّ؟ فَجَعَلُوا يَضْرِبُونَ بِأَيْدِيهِمْ عَلَى أَفْخَاذِهِمْ، فَلَمَّا رَأَيْتُهُمْ يُصَمِّتُونَنِي لَكِنِّي سَكَتُّ، فَلَمَّا صَلَّى رَسُولُ اللَّهِ ﷺ، فَبِأَبِي هُوَ وَأُمِّي، مَا رَأَيْتُ مُعَلِّمًا قَبْلَهُ وَلَا بَعْدَهُ أَحْسَنَ تَعْلِيمًا مِّنْهُ، فَوَاللَّهِ مَا كَهَرَنِي -أَيْ: مَا قَهَرَنِي وَلَا نَهَرَنِي- وَلَا ضَرَبَنِي وَلَا شَتَمَنِي، قَالَ: «إِنَّ هَذِهِ الصَّلَاةَ لَا يَصْلُحُ فِيهَا شَيْءٌ مِنْ كَلَامِ النَّاسِ، إِنَّمَا هِيَ التَّسْبِيحُ وَالتَّكْبِيرُ وَقِرَاءَةُ الْقُرْآنِ»

এদিন মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ সৈতে নামাজ পঢ়ি আছিলোঁ; তেনেতে জামাআতত থকা কোনোবা এজনে হাঁচি মাৰিলে। তেতিয়া মই ক'লোঁ, "য়াৰহামুকাল্লাহ, অৰ্থঃ আল্লাহে আপোনাৰ প্ৰতি দয়া কৰক"। তেতিয়া লোকসকলে মোৰ ফালে একেথৰে চাবলৈ ধৰিলে। মই ক'লোঁঃ হায় মোৰ

[1] (মুছলিমঃ ২৫৯৪)

সৰ্ব্বনাশ! তোমালোকৰ কি হ'ল, মোৰ ফালে এনেকৈ চাই আছা কিয়? তেতিয়া তেওঁলোকে নিজৰ হাতেৰে নিজৰ ঊৰুত চপৰিয়াবলৈ ধৰিলে। যেতিয়া মই বুজিব পাৰিলোঁ যে, তেওঁলোকে মোক মনে মনে থাকিবলৈ কৈছে, তেতিয়া মই মনে মনে থাকিলোঁ। যেতিয়া ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে নামাজ শেষ কৰিলে, মোৰ পিতৃ-মাতৃ তেখেতৰ প্ৰতি কুৰবান হওক, মই তেখেতৰ আগতেও আৰু পিছতো তেখেততকৈ অধিক সুন্দৰভাৱে শিক্ষা দিয়া আন কোনো শিক্ষক দেখা নাই। আল্লাহৰ শপত, তেখেতে মোক ধমক দিয়া নাছিল, মৰা নাছিল আৰু গালিও পৰা নাছিল। বৰঞ্চ তেখেতে কৈছিলঃ «নিশ্চয় এই নামাজত মানুহে কোনো ধৰণৰ কথা-বতৰা কোৱাটো বৈধ নহয়। এইটো হৈছে কেৱল তাছবীহ, তাকবীৰ আৰু কোৰআন তিলাৱতৰ স্থান।»[1]

৫- নম্ৰ আৰু কোমল অন্তৰৰ অধিকাৰী হোৱা, যাতে তেওঁৰ চৌপাশে মানুহ একত্ৰিত হৈ তেওঁৰ স্নেহ, সহায় আৰু জ্ঞানৰ দ্বাৰা উপকৃত হ'ব পাৰে; লগতে তেওঁলোকৰ বিপদ-আপদ আৰু প্ৰয়োজনত কাষত থিয় দিয়া আৰু মছজিদৰ বাৰ্তা সম্পৰ্কীয় বিষয়ত তেওঁলোকৰ সৈতে পৰামৰ্শ কৰা।

এই গুণাৱলীসমূহৰ ক্ষেত্ৰত ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লাম আছিল সৰ্বোচ্চ স্থানত, যেনে- মহান আল্লাহে তেখেতৰ বিষয়ে কৈছেঃ

---

[1] (মুছলিমঃ ৫৩৭)

﴿فَبِمَا رَحۡمَةٖ مِّنَ ٱللَّهِ لِنتَ لَهُمۡۖ وَلَوۡ كُنتَ فَظًّا غَلِيظَ ٱلۡقَلۡبِ لَٱنفَضُّواْ مِنۡ حَوۡلِكَۖ فَٱعۡفُ عَنۡهُمۡ وَٱسۡتَغۡفِرۡ لَهُمۡ وَشَاوِرۡهُمۡ فِي ٱلۡأَمۡرِۖ فَإِذَا عَزَمۡتَ فَتَوَكَّلۡ عَلَى ٱللَّهِۚ إِنَّ ٱللَّهَ يُحِبُّ ٱلۡمُتَوَكِّلِينَ159﴾

"এতেকে আল্লাহৰ কৃপাত তুমি সিহঁতৰ প্ৰতি কোমল-হৃদয় হৈছিলা; যদি তুমি ৰূঢ় আৰু কঠোৰচিত্ত হ'লাহেঁতেন তেন্তে সিহঁত নিশ্চয় তোমাৰ সঙ্গ ত্যাগ কৰিলেহেঁতেন। এতেকে তুমি সিহঁতক ক্ষমা কৰি দিয়া আৰু সিহঁতৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰা আৰু কাম-কাজৰ বাবে সিহঁতৰ লগত পৰামৰ্শ কৰা, তাৰ পিছত তুমি কোনো সংকল্প কৰিলে আল্লাহৰ ওপৰত নিৰ্ভৰ কৰা; নিশ্চয় আল্লাহে (তেওঁৰ ওপৰত) নিৰ্ভৰকাৰীসকলক ভালপায়।" (ছুৰা আলে-ইমৰাণঃ ১৫৯)

৬- তেওঁ যেন ধৈৰ্য্য আৰু পূৰ্ণবিশ্বাসৰ গুণেৰে গুণান্বিত হয়; যাতে নিজৰ মছজিদত আৰু জামা'আতৰ মাজত ইমামতিৰ সন্মান লাভ কৰিব পাৰে। কাৰণ ধৈৰ্য্য আৰু পূৰ্ণবিশ্বাসে এজন বান্দাক দ্বীনৰ মাজত নেতৃত্বৰ মৰ্যদালৈ উপনীত কৰায়। মহান আল্লাহে কৈছে:

﴿وَجَعَلۡنَا مِنۡهُمۡ أَئِمَّةٗ يَهۡدُونَ بِأَمۡرِنَا لَمَّا صَبَرُواْۖ وَكَانُواْ بِـَٔايَٰتِنَا يُوقِنُونَ24﴾

"আৰু আমি সিহঁতৰ মাজৰ পৰা বহু কেইজন নেতা মনোনীত কৰিছিলোঁ, তেওঁলোকে আমাৰ নিৰ্দেশ অনুযায়ী সৎপথ প্ৰদৰ্শন কৰিছিল, যিহেতু তেওঁলোকে ধৈৰ্য্য ধাৰণ কৰিছিল; আৰু তেওঁলোকে আমাৰ আয়াতসমূহৰ প্ৰতি দৃঢ় বিশ্বাস পোষণ কৰিছিল।" (ছুৰা আছ-ছাজদাহঃ ২৪)

৭- তেওঁ কোৱা কথাত সত্যবাদী হোৱাটো জৰুৰী, সেয়া জুমুআৰ খুতবাতেই হওক, অথবা শিক্ষা আৰু উপদেশমূলক পাঠতেই হওক, নাইবা মানুহৰ সৈতে হোৱা কথা-বতৰাতেই হওক; যাতে তেওঁ সত্যবাদী, সৎপথপ্ৰাপ্ত আৰু সাফল্যমণ্ডিতসকলৰ অন্তৰ্ভুক্ত হ'ব পাৰে। কাৰণ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা বৰ্ণিত হাদীছত আছে যে, তেখেতে কৈছে:

«عَلَيْكُم بِالصِّدْقِ؛ فَإِنَّ الصِّدْقَ يَهْدِي إِلَى الْبِرِّ، وَإِنَّ الْبِرَّ يَهْدِي إِلَى الْجَنَّةِ، وَمَا يَزَالُ الرَّجُلُ يَصْدُقُ وَيَتَحَرَّى الصِّدْقَ حَتَّى يُكْتَبَ عِندَ اللَّهِ صِدِّيقًا، وَإِيَّاكُمْ وَالْكَذِبَ، فَإِنَّ الْكَذِبَ يَهْدِي إِلَى الْفُجُورِ، وَإِنَّ الْفُجُورَ يَهْدِي إِلَى النَّارِ، وَمَا يَزَالُ الرَّجُلُ يَكْذِبُ وَيَتَحَرَّى الْكَذِبَ حَتَّى يُكْتَبَ عِندَ اللَّهِ كَذَّابًا»

"তোমালোকে সত্যক অনিবাৰ্যৰূপে অৱলম্বন কৰা; কাৰণ সত্যই নেকীৰ পথ দেখুৱায়, আৰু নেকীয়ে জান্নাতৰ পথত পৰিচালিত কৰে। মানুহে যেতিয়া সদায় সত্য কথা কয় আৰু সত্যৰ সন্ধানত থাকে, তেতিয়া আল্লাহৰ ওচৰত তাক সত্যবাদী বুলি লিপিবদ্ধ কৰা হয়। এইদৰে তোমালোকে মিছা কথাৰ পৰা বিৰত থাকা, কাৰণ মিছা কথাই মানুহক পাপকৰ্মৰ পথ দেখুৱায়, আৰু পাপকৰ্মই মানুহক জাহান্নামত লৈ যায়। মানুহে যেতিয়া সদায় মিছা কথা কয় আৰু মিছাৰ সন্ধানত থাকে, অৱশেষত আল্লাহৰ ওচৰত তাক মিছলীয়া বুলি লিপিবদ্ধ কৰা হয়।"[1]

---

[1] (বুখাৰীঃ ৬০৯৪, মুছলিমঃ ২৬০৭, হাদীছটো আব্দুল্লাহ বিন মাছউদৰ দ্বাৰা বৰ্ণিত।)

মিছা কথা হৈছে এক অমঙ্গল আৰু আপদ, আৰু আটাইতকৈ ডাঙৰ মিছা কথা হৈছে আল্লাহৰ প্ৰতি মিছা আৰোপ কৰা আৰু জ্ঞান নোহোৱাকৈ তেওঁৰ বিষয়ে কথা কোৱা। মহান আল্লাহে কৈছে:

﴿قُلۡ إِنَّمَا حَرَّمَ رَبِّيَ ٱلۡفَوَٰحِشَ مَا ظَهَرَ مِنۡهَا وَمَا بَطَنَ وَٱلۡإِثۡمَ وَٱلۡبَغۡيَ بِغَيۡرِ ٱلۡحَقِّ وَأَن تُشۡرِكُواْ بِٱللَّهِ مَا لَمۡ يُنَزِّلۡ بِهِۦ سُلۡطَٰنٗا وَأَن تَقُولُواْ عَلَى ٱللَّهِ مَا لَا تَعۡلَمُونَ33﴾

"কোৱা, ‘নিশ্চয় মোৰ প্ৰতিপালকে প্ৰকাশ্য আৰু গোপন উভয় প্ৰকাৰ অশ্লীলতাক হাৰাম কৰিছে, আৰু (হাৰাম কৰিছে) পাপ আৰু অন্যায়ভাৱে সীমালংঘন আৰু কোনো বস্তুক আল্লাহৰ অংশীদাৰ স্থাপন কৰাক—যাৰ কোনো দলীল- প্ৰমাণ আল্লাহে অৱতীৰ্ণ কৰা নাই; আৰু আল্লাহ সম্পৰ্কে এনে কোনো কথা কোৱাটোও (হাৰাম) যিটো তোমালোকে নাজানা’।" (ছুৰা আল-আৰাফঃ ৩৩)

এই মৰ্যাদাপূৰ্ণ আয়াতটোত মহাপাপসমূহক নিম্ন পৰ্যায়ৰ পৰা উচ্চ পৰ্যায়ৰ ক্ৰমত একত্ৰিত কৰা হৈছে, আৰু সেইটো হৈছে আল্লাহৰ আচমা অচ্ছিফাত আৰু তেওঁৰ বিধান সম্পৰ্কে জ্ঞানবিহীনভাৱে কথা কোৱা।

ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওপৰত মিছা আৰোপ কৰাটো হৈছে আটাইতকৈ ডাঙৰ মিছা আৰু নিকৃষ্টতম গুনাহ। এইটো এনে এক কবীৰাহ গুনাহ, যাৰ বাবে কৰোঁতাজনক জাহান্নামৰ ভাবুকি দিয়া হৈছে; মুগীৰাহ ইবনে শু'বাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত যে, তেওঁ কৈছে: মই নবী চাল্লাল্লাহু আলাইহি অছাল্লামক কোৱা শুনিছোঁ:

«إِنَّ كَذِبًا عَلَيَّ لَيْسَ كَكَذِبٍ عَلَى أَحَدٍ، مَنْ كَذَبَ عَلَيَّ مُتَعَمِّدًا، فَلْيَتَبَوَّأْ مَقْعَدَهُ مِنَ النَّارِ»

"নিশ্চয় মোৰ বিষয়ে মিছা কথা কোৱা, আন কাৰোবাৰ বিষয়ে মিছা কথা কোৱাৰ দৰে নহয়। যিয়ে জানি বুজি মোৰ বিষয়ে মিছা কথা ক'ব, সি যেন নিজৰ ঠিকনা জাহান্নামত বনাই লয়।"[1]

ভাল কামৰ প্ৰতি উৎসাহিত কৰিবলৈ আৰু বেয়া কামৰ পৰা সতৰ্ক কৰাৰ দৰে সৎ উদ্দেশ্য থাকিলেও মিছা কথা কোৱাৰ পৰা বিৰত থকা উচিত, যিদৰে কিছুমান বক্তাই কৰি থাকে। কাৰণ এইটো এটা নিকৃষ্ট কাৰ্য, যাৰ মাজত কোনো কল্যাণ বা হিদায়ত নাই। এনে কথা কোৱা ব্যক্তিজন গুনাহগাৰ হয়, পুৰস্কৃত নহয়, আৰু পাপী হয়, লাভৱান নহয়।

৮- কথা প্ৰেৰণ কৰাৰ ক্ষেত্ৰত আমানতদাৰ হ’ব লাগে, সংবাদৰ সত্যতা নিৰূপণ কৰিব লাগে, উৰাবাতৰি গ্ৰহণ কৰাত খৰখেদা কৰিব নালাগে আৰু কেৱল বিশ্বাসযোগ্য কথাৰ ওপৰতহে নিৰ্ভৰ কৰিব লাগে। এই বিষয়ে মহান আল্লাহে তেওঁৰ এই বাণীত আমাক আদেশ দিছে:

﴿يَٰٓأَيُّهَا ٱلَّذِينَ ءَامَنُوٓاْ إِن جَآءَكُمۡ فَاسِقُۢ بِنَبَإٖ فَتَبَيَّنُوٓاْ أَن تُصِيبُواْ قَوۡمَۢا بِجَهَٰلَةٖ فَتُصۡبِحُواْ عَلَىٰ مَا فَعَلۡتُمۡ نَٰدِمِينَ6﴾

"হে ঈমান্দাৰসকল! যদি কোনো ফাছিক্বে তোমালোকৰ ওচৰলৈ কোনো বাৰ্তা লৈ আহে, তেন্তে তোমালোকে সেয়া পৰীক্ষা কৰি চাবা, যাতে এনে নহয়

[1] (বুখাৰীঃ ১২৯১, আৰু মুছলিমঃ ৪)

যে, অজ্ঞতাবশতঃ তোমালোকে কোনো সম্প্ৰদায়ক আক্ৰমণ কৰি পেলাবা, যাৰ ফলত তোমালোকে নিজৰ কৃতকৰ্মৰ বাবে অনুতপ্ত হ'ব লাগিব।" (ছুৰা আল-হুজুৰাতঃ ৬)

৯- মানুহৰ দোষ-ত্ৰুটি অধিকভাৱে গোপন কৰা আৰু তেওঁলোকৰ গোপনীয়তা ৰক্ষা কৰা। কিয়নো যিয়ে কোনো মুছলিমৰ দোষ-ত্ৰুটি গোপন কৰে, আল্লাহে পৃথিৱী আৰু আখিৰাতত সেই ব্যক্তিৰ দোষ-ত্ৰুটি গোপন ৰাখিব। আৰু যিয়ে মুছলিমসকলৰ গোপনীয় দোষ-ত্ৰুটিৰ সন্ধান কৰে, আল্লাহেও তাৰ দোষ-ত্ৰুটিৰ সন্ধান কৰে আৰু শেষত তাক নিজৰ ঘৰৰ মাজতে অপমানিত কৰে। এই সন্দৰ্ভত আব্দুল্লাহ বিন উমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত আছে যে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

«مَنْ سَتَرَ مُسْلِمًا سَتَرَهُ اللَّهُ يَوْمَ الْقِيَامَةِ»

যিয়ে কোনো মুছলিমৰ দোষ গোপন কৰিব, আল্লাহে কিয়ামতৰ দিনা তাৰ দোষ গোপন ৰাখিব।[1] আবূ বাৰঝাহ আল-আছলামী ৰাদ্বিয়াল্লাহু 'আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

«يَا مَعْشَرَ مَنْ آمَنَ بِلِسَانِهِ، وَلَمْ يَدْخُلِ الإِيمَانُ قَلْبَهُ، لَا تَغْتَابُوا الْمُسْلِمِينَ، وَلَا تَتَّبِعُوا عَوْرَاتِهِمْ؛ فَإِنَّهُ مَنِ اتَّبَعَ عَوْرَاتِهِمْ يَتَّبِعُ اللَّهُ عَوْرَتَهُ، وَمَنِ اتَّبَعَ اللَّهُ عَوْرَتَهُ يَفْضَحْهُ فِي بَيْتِهِ»

